www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

# অসম বাৰ্তা

নিজকে সদায় আনন্দত ৰাখিবা, আনন্দময় উৎসাহী আৰু শক্তিমানৰ কাৰণেহে এই জগতখন, দুৰ্বলীৰ বাবে নহয়। -এমাৰ্চন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ২৯৫ ❐ শুকুৰবাৰ ❐ ০৪ ছেপ্টেম্বৰ, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 295 ❐ Friday ❐ 04th September, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

### মিত্ৰতাৰ নীতি উলংঘা আৰু চৰিত্ৰহণনৰ অভিযোগ

# মিত্ৰতা ভংগ কংগ্ৰেছ-ৰাইজৰ দলৰ

## '২৯ আৰু '৩১ৰ বাবে কিদৰে সাজু অসমৰ বিৰোধী শক্তি?




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** দীৰ্ঘদিনীয়া ৰাজনৈতিক মিত্ৰতাৰ অন্ত পেলাই বৃহস্পতিবাৰে অসম প্ৰদেশ কংগ্ৰেছে ৰাইজৰ দলৰ সৈতে থকা সকলো সম্পৰ্ক আনুষ্ঠানিকভাৱে সমাপ্ত কৰে। লোকসভাত বিৰোধী দলৰ উপ-দলপতি তথা প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ প্ৰত্যক্ষ নিৰ্দেশত এই সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু সাংগঠনিকভাৱে তৎক্ষণাত কাৰ্যকৰী কৰিবলৈ এক চাৰ্কুলাৰ জাৰি কৰা হয়। প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক (সাংগঠনিক) ৰামান্না বৰুৱাই স্বাক্ষৰ কৰা এই গুৰুত্বপূৰ্ণ জাননী (Ref. No.Ê. APCC/Circular/546) বৃহস্পতিবাৰে প্ৰকাশ পায়। উক্ত জাননীত কংগ্ৰেছে স্পষ্টভাৱে উল্লেখ কৰে যে, বিগত লোকসভা আৰু বিধানসভা ❐ ৬ পৃষ্ঠাত

## অভীৰুচি ক্ৰীড়া দিৱসত মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰথমগৰাকী অৰ্জুন বঁটাপ্ৰাপ্ত খেলুৱৈ ভোগেশ্বৰ বৰুৱাৰ আজি ৮৭ সংখ্যক জন্মদিন। এই উপলক্ষে ৰাজ্যজুৰি পালন কৰা হৈছে ৪৩তম অভীৰুচি ক্ৰীড়া দিৱস। বিশিষ্ট ক্ৰীড়াবিদগৰাকীৰ জন্মবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৎসৱমুখৰ পৰিবেশেৰে কাৰ্যসূচী অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ❐ ৬ পৃষ্ঠাত

### ৫ ছেপ্টেম্বৰত শ্ৰীশ্ৰী দামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠান

## ১৫ গৰাকী শিক্ষকলৈ ২০২৬ বৰ্ষৰ কৃতী শিক্ষক বঁটা ঘোষণা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰে ২০২৬ বৰ্ষৰ বাবে কৃতী শিক্ষক বঁটাৰ বাবে নিৰ্বাচিত ১৫ গৰাকী শিক্ষকৰ নাম ঘোষণা কৰিছে। শিক্ষক দিৱসৰ দিনা অৰ্থাৎ ৫ ছেপ্টেম্বৰত গুৱাহাটীৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত এখন বিশেষ অনুষ্ঠানৰ যোগেদি এই বঁটা প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে শিক্ষাক্ষেত্ৰত অসামান্য অৱদান আগবঢ়োৱা শিক্ষকসকলক সন্মানিত কৰিবলৈ প্ৰতি বছৰে এই বঁটা প্ৰদান কৰি আহিছে। এইবাৰো ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা ১৫ গৰাকী ❐ ৬ পৃষ্ঠাত

### নতুন ন্যায় সংহিতাত অসমৰ শীৰ্ষস্থানীয় সাফল্যৰ কথা উল্লেখ

## দেৰগাঁৱত জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সৈতে কাৰ্যকৰী বৈঠক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩ ছেপ্টেম্বৰ ঃ** শ্বিলংস্থিত ভাৰতীয় সেনাৰ আছাম ৰেজিমেণ্টৰ কেন্দ্ৰত হাতত বন্দুক তুলি 'দেশৰ শত্ৰু নিপাত যাব' বুলি পোষ্ট দিয়াৰ মাত্ৰ কেইদিনমানৰ পাছতে পুনৰ অস্ত্ৰধাৰী ৰূপত দেখা পালে ৰাইজে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক। এইবাৰ তেওঁ গোলাঘাট জিলাৰ দেৰগাঁওস্থিত অসম আৰক্ষীৰ প্ৰশিক্ষণ কেন্দ্ৰ 'লাচিত বৰফুকন আৰক্ষী ❐ ৬ পৃষ্ঠাত

## সতীৰ্থৰ গুলীতে নিহত অসম আৰক্ষীৰ দুই জোৱান

### কামৰূপৰ গামেৰিমুৰা সীমান্ত আউটপোষ্টত চাঞ্চল্যকৰ ঘটনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩ ছেপ্টেম্বৰ ঃ** অসম আৰক্ষীৰ দুজন জোৱান সহকৰ্মীৰ গুলীতে নিহত হোৱা ঘটনাই ৰাজ্যত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কামৰূপ জিলাত অতিৰিক্তভাৱে স্থাপন কৰা আন্তঃৰাজ্যিক সীমান্ত আৰক্ষী চকী এটাত এই মৰ্মান্তিক পৰিঘটনাটো সংঘটিত হয়। প্ৰাপ্ত খবৰ অনুসৰি, অসম-মেঘালয় সীমান্তৰ বকো থানাৰ অধীনস্থ গামেৰিমুৰা সীমান্ত ❐ ৬ পৃষ্ঠাত



## আদৰ্শগত দৃঢ়তা নাই কংগ্ৰেছৰ, আপোচকামী আৰু বিশ্বাসঘাটক'

### মিত্ৰতা ভংগৰ পিছতেই ৰাইজৰ দলৰ তীব্ৰ সমালোচনা




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩ ছেপ্টেম্বৰ ঃ** বৃহস্পতিবাৰে কংগ্ৰেছে ৰাইজৰ দলৰ সৈতে থকা ৰাজনৈতিক মিত্ৰতা আনুষ্ঠানিকভাৱে ভংগ কৰাৰ পিছতে ৰাইজৰ দলৰ জ্যেষ্ঠ নেতাসকলে সংবাদমেলত কংগ্ৰেছৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰে। দলটোৰ কাৰ্যকৰী সভাপতি ভাস্কো ডি শইকীয়া, সাধাৰণ সম্পাদক ৰাছেল হুছেইন আৰু চিন্ময় বৰাই যুটীয়াভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত থকা গভীৰ আদৰ্শগত পাৰ্থক্যই এই মিত্ৰতা বিচ্ছিন্ন হোৱাৰ মূল কাৰণ। ❐ ৬ পৃষ্ঠাত

### আবেদন গ্ৰহণ ৰাজ্য চৰকাৰৰ; বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰিব শৰ্মাই

## নগাঁৱৰ জিলা আয়ুক্ত পদৰ পৰা দেৱাশিস শৰ্মাৰ স্বেচ্ছামূলক অৱসৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ৩ ছেপ্টেম্বৰ ঃ** নগাঁও জিলা প্ৰশাসনৰ মুৰব্বী তথা অতি দক্ষ আই এ এছ বিষয়া দেৱাশিস শৰ্মাই বৃহস্পতিবাৰে হঠাৎ চাকৰি জীৱনৰ পৰা স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰে। চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণৰ বাবে ছমাহ বাকী থকা অৱস্থাতেই তেওঁ এই সিদ্ধান্ত লোৱাৰ লগে লগে ৰাজ্যৰ ৰাজনৈতিক আৰু প্ৰশাসনিক মহলত চাঞ্চল্যৰ সৃষ্টি হয়। অসম চৰকাৰে তেওঁৰ স্বেচ্ছামূলক অৱসৰৰ আবেদন ❐ ৬ পৃষ্ঠাত

## মিত্ৰতা ভংগৰ পিছতেই অখিল গগৈৰ পোষ্ট ঃ 'আন্ধাৰৰ পৰা পোহৰলৈ'



**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছে ৰাইজৰ দলৰ সৈতে আনুষ্ঠানিকভাৱে ৰাজনৈতিক মিত্ৰতা ভংগ কৰা দিনটোতে বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে সামাজিক মাধ্যমত এটা বিশেষ পোষ্ট দি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। মিত্ৰতা বিচ্ছেদৰ সৈতে জড়িত এই গুৰুত্বপূৰ্ণ দিনটোত তেওঁ যেনেকৈ সম্পূৰ্ণ ভিন্ন ধৰণৰ পোষ্ট দিলে, তাৰ বাবেই চৰ্চা তুংগলৈ উঠে। অখিল গগৈয়ে ফেচবুকত কেইখনমান ফটো প্ৰকাশ কৰি লিখে- 'আন্ধাৰৰ পৰা পোহৰলৈ'। তাৰ ❐ ৬ পৃষ্ঠাত

## অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি ছাত্ৰ সন্থাৰ বিক্ষোভ

### যোগান বিভাগৰ প্ৰতীকি শৱ কান্ধত লৈ শ্লোগান মুখৰিত বিশ্বনাথ, মায়ং আৰু শুৱালকুছি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত অত্যাৱশ্যকীয় সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধিৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থাই তীব্ৰ প্ৰতিবাদী সোঁৱৰণী উত্থাপন কৰিছে। বৃহস্পতিবাৰে বিশ্বনাথ, মায়ং আৰু শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থাই পৃথক পৃথকভাৱে প্ৰতিবাদ ❐ ৬ পৃষ্ঠাত



## কলকাতাত তৃণমূল কাৰ্যালয়ত অস্ত্ৰধাৰীৰ আক্ৰমণ

### পুৱা ৪.৩০ বজাত অস্ত্ৰসজ্জিত দলৰ হিংসাত্মক কাণ্ড; অভিষেক বেনাৰ্জীৰ তীব্ৰ সমালোচনা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** পশ্চিমবংগৰ ৰাজনৈতিক মহলত চাঞ্চল্য সৃষ্টি কৰি আজি পুৱা কলকাতাৰ কামাক ষ্ট্ৰীটস্থিত তৃণমূল কংগ্ৰেছৰ দলীয় কাৰ্যালয়ত অস্ত্ৰধাৰী দুৰ্বৃত্তই ধ্বংসলীলা চলায়। পুৱা প্ৰায় ৪.৩০ বজাত একাংশ অচিনাক্ত আক্ৰমণকাৰীয়ে কাৰ্যালয় চৌহদত প্ৰৱেশ কৰি উপস্থিত দলীয় কৰ্মীসকলক আক্ৰমণ কৰাৰ লগতে অফিচৰ সামগ্ৰীসমূহ ভাঙি-চিঙি যথেষ্ট ক্ষতিসাধন কৰে। ঘটনাটোৰ প্ৰত্যক্ষ বিৱৰণীত কাৰ্যালয়ৰ ভিতৰৰ ইলেক্ট্ৰনিক সঁজুলি, ফাৰ্ণিচাৰ, এয়াৰ পিউৰিফায়াৰ আৰু টিভিকে ধৰি বিভিন্ন মূল্যবান সামগ্ৰী ধ্বংস কৰাৰ লগতে কৰ্মীসকলৰ মোবাইল ফোনো কাঢ়ি লৈ যায় আক্ৰমণকাৰীসকলে। এই আক্ৰমণৰ পিছত সমগ্ৰ এলেকাত উত্তেজনাৰ সৃষ্টি হয় আৰু ❐ ৬ পৃষ্ঠাত

## 'নৌকা এম্বুলেন্স'ৰ নামত মাজি নাও! উন্মোচন মাজুলীৰ স্বাস্থ্য সেৱাৰ ফোঁপোলা বাস্তৱতা

### চাৰিদিনৰ অন্তত উদ্ধাৰ ১০৮ নৌকা এম্বুলেন্সৰ চালক মাধৱ দাসৰ মৃতদেহ

**অসম বাৰ্তা, উজনী মাজুলী, ৩ ছেপ্টেম্বৰ ঃ** মাজুলীৰ অফলামুখ ফেৰী ঘাটত কৰ্তব্যৰত অৱস্থাত ব্ৰহ্মপুত্ৰত সন্ধানহীন হোৱা ১০৮ নৌকা এম্বুলেন্সৰ চালক মাধৱ দাসৰ মৃতদেহ অৱশেষত চাৰিদিনৰ অন্তত উদ্ধাৰ কৰা হৈছে। এই মৰ্মান্তিক ঘটনাত সমগ্ৰ মাজুলীত চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে ১০৮ নৌকা এম্বুলেন্স সেৱাৰ সুৰক্ষা আৰু ব্যৱস্থাপনাক লৈও একাধিক প্ৰশ্নৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে, ৩১ আগষ্টৰ নিশা প্ৰায় ৮.৩০ বজাত নিমাতী ঘাটত এগৰাকী সংকটজনক ৰোগীক সুৰক্ষিতভাৱে নমাই নৌকা এম্বুলেন্সখন মাজুলীৰ অফলামুখ ফেৰী ঘাটলৈ উভতি আহিছিল। নিশা প্ৰায় ৯.৫০ বজাত অফলামুখ ফেৰী ঘাটত নাওখন ৰখোৱাৰ সময়তে চালক মাধৱ দাস (৪৫) হঠাৎ সন্ধানহীন হয়। ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগে মাজুলী জিলা আৰক্ষী আৰু এছডিআৰএফ (SDRF)-এ অভিযান আৰম্ভ কৰে। আৰু সেই স্থানত উপস্থিত হৈ ঘটনাৰ সবিশেষ বুজ ❐ ৫ পৃষ্ঠাত



### ১ ট্ৰিলিয়ন ডলাৰ ৰপ্তানি লক্ষ্যত অটল ভাৰত

## আমেৰিকাই অনুকূল ৰেহাই হাৰ প্ৰদান কৰিলেহে চূড়ান্ত হ'ব ভাৰত-আমেৰিকা বাণিজ্য চুক্তি ঃ পীয়ুষ গোৱেল




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে বৃহস্পতিবাৰে স্পষ্টভাৱে জানিবলৈ দিয়ে যে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে দ্বিপাক্ষিক বাণিজ্য চুক্তি (বিটিএ) সম্পূৰ্ণৰূপে চূড়ান্ত হ'ব কেৱল সেই সময়ত, যেতিয়া ৱাশ্বিংটনে ভাৰতৰ প্ৰতিযোগী ৰাষ্ট্ৰসমূহৰ তুলনাত অধিক অনুকূল শুল্ক ৰেহাই হাৰ প্ৰদান কৰিব। বৰ্তমান এই চুক্তিৰ ওপৰত আলোচনা চলি থকা অৱস্থাতে এই মন্তব্য গুৰুত্বপূৰ্ণ হৈ পৰে। গোৱেলে 'লিভাৰেজিং এফটিএছ — এন আউটৰিচ প্ৰগ্ৰেম' শীৰ্ষক ৰাষ্ট্ৰীয় কৰ্মশালাত ভাষণ দি কয় যে, ভাৰতৰ বৰ্তমানৰ ৯টা মুক্ত বাণিজ্য চুক্তি (এফটিএ)ৰ জৰিয়তে বিশ্বৰ প্ৰায় ৬০ ট্ৰিলিয়ন ডলাৰ জিডিপিৰ অৰ্থনীতিসমূহলৈ বিশেষ প্ৰৱেশাধিকাৰ লাভ কৰিব। ইয়াৰ লগতে কানাডা, ❐ ৬ পৃষ্ঠাত

### কংগ্ৰেছ-ৰাইজৰ দলৰ মিত্ৰতা ভংগ প্ৰসংগত মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া

## মিত্ৰতা থাকে বা নাথাকে সেয়া চিন্তা কৰাৰ সময় নাই ঃ মুখ্যমন্ত্ৰী

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত হোৱা মিত্ৰতা ভংগৰ প্ৰসংগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক গুৰুত্বপূৰ্ণ মন্তব্য কৰি কয় যে, এই মিত্ৰতা থাকিব নে নাথাকিব, সেয়া চিন্তা কৰাৰ সময় এতিয়া নহয়। তেওঁ স্পষ্টভাৱে কয় যে, তেওঁ ২০৩১ চনলৈকে এই ধৰণৰ ৰাজনৈতিক সমীকৰণক লৈ কোনো চিন্তা নকৰে। বৃহস্পতিবাৰে কংগ্ৰেছে ❐ ৬ পৃষ্ঠাত



### দুৰ্নীতিৰ অভিযোগ খণ্ডন, 'বিজেপিৰ সমৰ্থিত বিজেপিৰ প্ৰাৰ্থী' বুলি স্পষ্ট ঘোষণা

## বিজেপি-বিপিএফৰ গুৰুত্বপূৰ্ণ বৈঠক বিটিচি উন্নয়ন আৰু নিৰ্বাচনী সমীকৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** বাক্সা জিলাৰ মুছলপুৰস্থিত জিলা সাংস্কৃতিক প্ৰকল্প প্ৰেক্ষাগৃহত বৃহস্পতিবাৰে বিজেপি আৰু বিপিএফৰ মাজত এখন অতি গুৰুত্বপূৰ্ণ ৰাজনৈতিক বৈঠক অনুষ্ঠিত হয়। বিটিচিৰ মুখ্য হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত বড়োলেণ্ডৰ সৰ্বাংগীণ উন্নয়ন, চৰকাৰী আঁচনি ৰাইজৰ মাজলৈ লৈ যোৱাৰ কৌশল, আৰু আসন্ন ❐ ৫ পৃষ্ঠাত

## ৰোহিত শৰ্মাৰ অৱসৰৰ সম্পৰ্কত স্পষ্টীকৰণ বিচিচিআই সম্পাদক দেৱজিৎ শইকীয়াৰ

### সামাজিক মাধ্যমৰ অপ্ৰাসংগিক বাতৰিত গুৰুত্ব নিদিব ঃ শইকীয়া

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড (BCCI)ৰ এখন গুৰুত্বপূৰ্ণ বৈঠক বৃহস্পতিবাৰে মুম্বাইত অনুষ্ঠিত হয়। এই বৈঠকৰ পৰা প্ৰাক্তন অধিনায়ক ৰোহিত শৰ্মাৰ কেৰিয়াৰৰ ভৱিষ্যত সম্পৰ্কে এক প্ৰশংসনীয় সংকেত পোৱা গৈছে। দীৰ্ঘদিন ধৰি ২০২৭ চনৰ বিশ্বকাপত ৰোহিত শৰ্মাই খেলিব নে নাই - সেই লৈ চলি থকা জল্পনা-কল্পনাৰ মাজতে বিচিচিআইৰ সম্পাদক দেৱজিৎ শইকীয়াই এক স্পষ্ট মন্তব্য আগবঢ়াই কয়, ৰোহিত শৰ্মাই ভাল প্ৰদৰ্শন আগবঢ়াই আছে আৰু সামাজিক মাধ্যমত বিয়পি পৰা বাতৰিসমূহক গুৰুত্ব দিয়াৰ কোনো প্ৰয়োজন নাই। যদিও শইকীয়াই ৰোহিতৰ অৱসৰ সম্পৰ্কে পোনপটীয়াকৈ কোনো ঘোষণা কৰা নাই, তথাপি তেওঁৰ ভাষ্যত ❐ ৬ পৃষ্ঠাত



## ভাৰত-বেলজিয়াম সম্পৰ্কৰ নতুন অধ্যায় বাণিজ্য দুগুণ কৰাৰ লক্ষ্য, প্ৰব্ৰজন চুক্তি স্বাক্ষৰ

### নতুন দিল্লীত মোদী-ডি ৱেভাৰ বৈঠক; প্ৰতিৰক্ষা, নৱীকৰণযোগ্য শক্তি, অৰ্ধপৰিবাহীকে ধৰি একাধিক খণ্ডত সহযোগিতা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩ ছেপ্টেম্বৰ ঃ** ভাৰত আৰু বেলজিয়ামে অহা পাঁচ বছৰৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ দুগুণ কৰাৰ সংকল্প ব্যক্ত কৰিছে। অৰ্থনীতি, প্ৰতিৰক্ষা, পৰিৱৰ্তনশীল শক্তি আৰু প্ৰযুক্তিৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্য লৈ বৃহস্পতিবাৰে নতুন দিল্লীৰ হায়দৰাবাদ হাউছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বেলজিয়ামৰ প্ৰধানমন্ত্ৰী বাৰ্ট ডি ৱেভাৰৰ মাজত এক উচ্চপৰ্যায়ৰ দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ শেষত যৌথ সংবাদমেলত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, চলিত বৰ্ষৰ আৰম্ভণিতে সম্পন্ন হোৱা ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিয়ে অৰ্থনৈতিক সম্পৰ্কৰ বাবে নতুন দুৱাৰ মুকলি কৰি ❐ ৬ পৃষ্ঠাত



অনুষ্ঠিত হ'ব ৰাজ্যিক ভিত্তিত চিত্ৰাংকন, ভূপেন্দ্ৰ সংগীত আৰু নৃত্য প্ৰতিযোগিতা

# শিৱসাগৰত সাংস্কৃতিক মহাসভাৰ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৪ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত শিৱসাগৰ বাসী ৰাইজৰ সহযোগত ভাৰতৰত্ন ড° ভূপেন হাজৰিকা জন্ম শতবাৰ্ষিকী সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে ৬ চেপ্তেম্বৰত শিৱসাগৰ নগৰস্থ লক্ষ্মীনাথ বেজবৰুৱা শিশু ভৱনত পুৱা ১০ বজাৰ পৰা দ্বাদশ শ্ৰেণীলৈকে হ'ব লগা দুখনকৈ ‘‘চিত্ৰাংকণ’’ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ড° ভূপেন হাজৰিকা জন্ম শতবৰ্ষ উপলক্ষে নিজৰ পচন্দত আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰথম মৃত্যু দিৱস উপলক্ষে দ্বিতীয় শ্ৰেণীলৈ নিজৰ পচন্দত, “খ” আৰু গ” শাখাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবি অংকন কৰিব লাগিব। মুঠ ৭৮ গৰাকী বিজয়ী প্ৰতিযোগীক বটাঁ সমূহ প্ৰদান কৰা হ'ব। তদুপৰি ৮ চেপ্তেম্বৰত শিৱসাগৰ নগৰস্থ কেপি এম হলত শ্ৰদ্ধাঞ্জলি, মুকলি সভা, সম্বৰ্ধনা, আদি সকলো দিশ সামৰি গুণগত মানদণ্ড অটুত ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত শিৱসাগৰ নগৰস্থ কেপি এম হলত ৮ চেপ্তেম্বৰ পুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতে ১০০ গৰাকী ছাত্ৰ- ছাত্ৰীয়ে ড° ভূপেন হাজৰিকা মানৱ দৰদী কালজয়ী গীত ‘‘মানুহে মানুহৰ বাবে’’ গীতটো পৰিৱেশন কৰিব। ইয়াৰ পিছতে দিনৰ ১-০০ বজাৰ পৰা ৰাজ্যিক ভিত্তিত এটা শাখাত ভূপেন্দ্ৰ সংগীত আৰু অসমীয়া গীতৰ আধাৰত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী সকলক ৫ চেপ্তেম্বৰ ভিতৰত যোগদান নিশ্চিত কৰিবৰ বাবে উদ্যেক্তা সকলে অনুৰোধ জনাইছেঁ। প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ী প্ৰতিযোগী সকলক মানপত্ৰ, মান সম্পন্ন বটাঁৰ লগতে অতিৰিক্ত পাঁচ গৰাকীক মানপত্ৰ সহ বিশেষ পুৰস্কাৰ প্ৰদান কৰা হ'ব। তদুপৰি একালৰ শিৱসাগৰ জিলা খনৰ অধিকাংশ সচেতন মহলৰ শিক্ষা গুৰু, ৰাজহুৱা সমাজ জীৱনত তেখেতৰ অৱদান, পৰিচিত আৰু সকলোৰে সন্মানীয় পুৰোধা ব্যক্তি, শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ (বৰ্তমান শিৱসাগৰ বিশ্ববিদ্যালয়) ড° প্ৰকাশ কটকী দেৱক “শিৱসাগৰ সমাজ ৰত্ন” বঁটা ৮ চেপ্তেম্বৰ ২০২৬ তাৰিখ মঙ্গলবাৰে দিনৰ ২ বজাত জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ দেৱৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা এক গাম্ভীৰ্য পূৰ্ণ মুকলি সভাত প্ৰদান কৰা হ'ব। স্মৰ্তব্য যে, সেইদিনা বিয়লি ৩-৩০ বজাৰ পৰা পুনৰ প্ৰতিযোগিতা সমূহ সমান্তৰাল ভাৱে অনুষ্ঠিত হ'ব। উক্ত মুকলি সভাত বহু গণ্যমাণ্য ব্যক্তিৰ উপস্থিতিৰ লগতে সাংস্কৃতিক মহাসভা অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মা, সন্মানীয় অতিথি জিলা আয়ুক্ত শ্ৰীযুত মৃদুল য়াদৱ, বিশিষ্ট অতিথি আৰক্ষী অধীক্ষক পাপৰি চেতিয়া, জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক ড° সমীৰণ বৰা উপস্থিত থকাৰ লগতে, বিশিষ্ট নিৱন্ধকাৰ তথা শিক্ষাবিদ ড° প্ৰশান্ত কুমাৰ চুতীয়াই মুখ্যবক্তা হিচাপে বক্তব্য প্ৰদান কৰিব। সবিশেষ জানিবৰ বাবে ৮৪৮৬৭০৯৫৫৫, ৯৩৬৫৯১১০৫৬, ৯১০১১৭৩০১৪ যোগাযোগ কৰিব পাৰিব। সকলো কাৰ্যসূচী সাফল্য মণ্ডিত কৰি তুলিবৰ বাবে উদযাপন সমিতিৰ সভাপতি ডাঃ পি পি চেতিয়া (প্ৰবুদ্ধ প্ৰসাদ চেতিয়া), কাৰ্যকৰী সভাপতি খাইৰুদ্দিন আহমেদ, ড° বস্তি বৰগোহাঁই ভূঞা আৰু প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্তই আন্তৰিকতাৰে উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে।

# চকলেটৰ প্ৰলোভনেৰে ভাগিনীয়েকক অপহৰণ; ৬০ লাখ টকা মুক্তিপণ দাবী

মৰিয়নী আৰক্ষী আৰু সাংবাদিকৰ তৎপৰতাত নিশা উদ্ধাৰ ৯ বছৰীয়া শিশু, আটক দুজন

**অসম বাৰ্তা, মৰিয়নি, ৪ ছেপ্টেম্বৰ ঃ** টকাৰ বাবে নিজ ন (৯)-বছৰীয়া ভাগিনীয়েকক অপহৰণ কৰি ৬০ লাখ টকা মুক্তিপণ দাবী কৰাৰ এক চাঞ্চল্যকৰ ঘটনা মৰিয়নিত পোহৰলৈ আহিছে। ঘটনাৰ বিৱৰণ অনুসৰি, মৰিয়নী নগৰৰ ৮ নং ৱাৰ্ডৰ নিবাসী সুমেৰু ভৌমিক আৰু পূৰ্ণিমা ভৌমিকৰ ৯ বছৰীয়া কন্যা সন্তানক মঙলবাৰে অপহৰণ কৰা হয়। অভিযোগ অনুসৰি, সুমেৰু ভৌমিকৰ খুলখালি তথা শিশুটিৰ মোমায়েক সাগৰ ঘোষ ওৰফে টাৰজেন আৰু মামীয়েক মনীষা ঘোষে মঙলবাৰে শিশুটিৰ ঘৰত উপস্থিত হয়। নাগালেণ্ডৰ উখাত ব্যৱসায় কৰা সাগৰ আৰু মনীষাই দুপৰীয়া ভাত-পানী খোৱাৰ পিছত চকলেট দিয়াৰ চলেৰে শিশুটিক ঘৰৰ পৰা ফুচলাই লৈ যায় বহু সময় ধৰি কন্যা সন্তানটি ঘৰলৈ উভতি নহাত মাক পূৰ্ণিমা ভৌমিকে ভাতৃ সাগৰ ঘোষলৈ ফোন কৰে। কিন্তু সাগৰে ফোনৰ কোনো সঁহাৰি নিদিয়াত পৰিয়ালটোৰ মাজত হুৱাদুৱা লাগে। ইয়াৰ মাজতে সন্ধিয়া প্ৰায় ৫ বজাত সাগৰে ভিনিহিয়েক সুমেৰু ভৌমিকলৈ ফোন কৰি শিশুটিৰ মুক্তিৰ বিনিময়ত ৬০ লাখ টকা দাবী কৰে বুলি জানিব পৰা যায়। লগতে নিশা ৮ বজাৰ ভিতৰত বিচৰা ধন আদায় নিদিলে আৰু ঘটনাটো আৰক্ষীক অৱগত কৰিলে শিশুটিক হত্যা কৰাৰ ভাবুকিও দিয়া বুলি পৰিয়ালটোৱে অভিযোগ কৰে। পৰিস্থিতিৰ গুৰুত্ব অনুধাৱন কৰি শিশুটিৰ পিতৃ সুমেৰু ভৌমিকে স্থানীয় সাংবাদিকৰ সৈতে যোগাযোগ কৰাৰ লগতে মৰিয়নী আৰক্ষীক সমগ্ৰ ঘটনাৰ বিষয়ে অৱগত কৰে। ইয়াৰ পাছতে মৰিয়নী আৰক্ষী আৰু স্থানীয় সাংবাদিকৰ তৎপৰতাত শিশুটিক বিচাৰি অভিযান আৰম্ভ কৰা হয়। অৱশেষত পুৱতি নিশা প্ৰায় ২ বজাত দেৰগাঁৱৰ ইছলামপুৰ অঞ্চলৰ পৰা অপহৃত শিশুটিক সুৰক্ষিতভাৱে উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰক্ষী। আৰক্ষীয়ে ঘটনাৰে জড়িত দুজন লোককো আটক কৰে। আটকাধীন লোক দুজন হৈছে শিশুটিৰ মোমায়েক সাগৰ ঘোষ ওৰফে টাৰজেন আৰু ৰাছিম ৰহমান ওৰফে কনকাই। সাগৰ ঘোষক দেৰগাঁৱৰ কয়লাখাটৰ পৰা আৰু ৰাছিম ৰহমানক দেৰগাঁৱৰ ইছলামনগৰৰ পৰা আটক কৰা হয়। আৰক্ষীয়ে অপহৰণ কাণ্ডত ব্যৱহৃত বুলি সন্দেহ কৰা AS-05B-9917 আৰু AS-05W-4263 নম্বৰৰ দুখন স্কুটীও জব্দ কৰিছে। ইফালে, ঘটনাৰ সৈতে জড়িত বুলি অভিযোগ উঠা মামীয়েক মনীষা ঘোষ, ৰাহুল আলী আৰু ম'ন নামৰ আন তিনিজন লোক বৰ্তমানেও পলাতক হৈ আছে। আৰক্ষীৰ তথ্য অনুসৰি, ৰাহুল আলীৰ ঘৰ দেৰগাঁৱৰ ইছলাম নগৰত আৰু ম'নৰ ঘৰ দেৰগাঁৱৰ ফুকন নগৰত। আৰক্ষীৰ প্ৰাথমিক তদন্তত এই অপহৰণ কাণ্ডৰ পৰিকল্পনা পূৰ্বৰে পৰা কৰা হৈছিল বুলি সন্দেহ কৰা হৈছে। অভিযোগ অনুসৰি, মোমায়েক সাগৰ ঘোষ আৰু মামীয়েক মনীষা ঘোষে বিগত তিনিদিন ধৰি মৰিয়নীৰ লোকনাথ ভৱনৰ ১০৯ নং কোঠাত বাহৰ পাতি অপহৰণৰ পৰিকল্পনা কৰিছিল। সেই পৰিকল্পনা অনুসৰিয়েই মঙলবাৰে শিশুটিৰ ঘৰত উপস্থিত হৈ কৌশলেৰে শিশুটিক লগত লৈ যোৱা হয় বুলি আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে। বৰ্তমান মৰিয়নী আৰক্ষীয়ে ঘটনাৰ সৈতে জড়িত পলাতক আন তিনিজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ অভিযান তীব্ৰতৰ কৰি তুলিছে। সমগ্ৰ ঘটনাক কেন্দ্ৰ কৰি মৰিয়নিত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।

# খেৰাজখাত সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ “শৰযাত্ৰা” কাৰ্যসূচী ৰূপায়ণ




**অসম বাৰ্তা, বান্দৰদেৱা, ৪ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত আৰু লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সহযোগত জিলা খনৰ অন্তৰ্গত খেৰাজখাত সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাই আজি দিনৰ ভাগত অসম-অৰুণাচল সীমান্তৱৰ্তী ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে লাগি থকা পথালিপাহাৰৰ মাজ মজিয়াত সাম্প্ৰতিক অসমত খাদ্য বস্তুকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধিৰ প্ৰতিবাদ আৰু হ্ৰাস কৰাৰ দাবীত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ “শৰযাত্ৰা” কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হয়। উক্ত কাৰ্যসূচীত লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ একাংশ বিষয়ববীয়া, খেৰাজখাত সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলৰ লগতে স্থানীয় বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰে।

# চাওগুৰীত ফুটবল প্ৰতিযোগিতাৰ সফল সামৰণি



**অসম বাৰ্তা, পৰ্বতঝোৰা, ২ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলা ২নং গোমা সমষ্টিৰ অন্তৰ্গত চাউগুৰী খেলপথাৰত ফুটবল প্ৰতিযোগিতাৰ সফল সামৰণি পৰে। চাওগুৰি জনকল্যাণ NGOৰ সৌজন্যত যোৱা শুক্ৰবাৰৰ পৰা আৰম্ভ হৈছিল ফুটবল প্ৰতিযোগিতাখন। মুঠ ১৬টা দলে অংশগ্ৰহণ কৰিছিল প্ৰতিযোগিতাখনত। ছেমিফাইনেল খেলদুখন প্ৰথমে টুলুপাৰা ফুটবল ক্লাব আৰু কে কে ওৱান ষ্টাৰ ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হোৱা খেলখনত ২-০ গোলৰ ব্যৱধানত টুলুপাৰা ফুটবল ক্লাবে ফাইনেলত প্ৰৱেশ কৰে। আনখন ছেমিফাইনেল খেলত জনকল্যাণ ফুটবল ক্লাব আৰু খুদনামাৰি ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হোৱা খেলখনত ১-০ ব্যৱধানত ফাইনেলত প্ৰৱেশ কৰে। ফাইনেল খেলখন টুলুপাৰা ফুটবল ক্লাব আৰু খুদনামাৰি ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হোৱা খেলখনত টুলুপাৰা ফুটবল ক্লাবে ০-১ গোলৰ ব্যৱধানত বিজয়ী খিতাপ দখল কৰে। ফাইনেল খেলখনত উপস্থিত থাকে ২নং গোমা সমষ্টিৰ বিপিএফ দলৰ MCLA ইন্তাছ আলীয়ে। বিজয়ী দলক ট্ৰফীৰ লগতে নগদ ১৫ হাজাৰ টকা প্ৰদান কৰে পানবাৰী ভিছিভিছি সাধাৰণ সম্পাদক আব্দুৰ ৰসিদ সেখ। ৰানাৰ্ছ দল হিচাপে খুদনামাৰী ফুটবল ক্লাবে এটা ট্ৰফীৰ লগতে ১০ হাজাৰ টকা প্ৰদান কৰে পানবাৰী ভিছিভিছি TCLCC সদস্য আইয়ুব আলীয়ে। Men of the match বটা প্ৰদান কৰে জাকিৰ হুছেইনে। ইফালে খেলখনত উপস্থিত থাকি MCLA এন্তাছ আলীয়ে কয় যে খেল হ'ল শিক্ষাৰ এটা অংগ স্বাস্থ্যৰ কাৰণে ভাল নৱ প্ৰজন্মই যিদৰে আগুৱাই আহিছে এয়া শুভ লক্ষণ বুলি মন্তব্য কৰে।

মোবাইল এপৰ জৰিয়তে কৰিব লাগিব আবেদন

# শিৱসাগৰত সাৰ বিক্ৰীৰ ক্ষেত্ৰত নতুন ব্যৱস্থা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৪ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাত সাৰ বিক্ৰী আৰু বিতৰণ ব্যৱস্থাক অধিক স্বচ্ছ, বিজ্ঞানসন্মত আৰু নিয়মানুৱৰ্তী কৰাৰ লক্ষ্যৰে আজিৰে পৰা “ফ্ৰেমৱৰ্ক ফৰ ফাৰ্টিলাইজৰ ছেইল” (Framework for Fertilizer Sale- FFS) নামৰ নতুন প্ৰণালীগত সাৰ বিক্ৰী ব্যৱস্থাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই উপলক্ষে শিৱসাগৰ জিলা কৃষি বিষয়া কাৰ্যালয়ত কেন্দ্ৰীয়ভাৱে এক উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত জিলা কৃষি বিষয়া অমৃত শইকীয়া, কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° অৰুন্ধতী বৰদলৈৰ লগতে সহকাৰী কৃষি সঞ্চালকসকল, মহকুমা কৃষি বিষয়া আৰু কৃষি বিভাগৰ অন্যান্য বিষয়া- কৰ্মচাৰীসকল, সাৰৰ খুচুৰা বিক্ৰেতাসকল প্ৰমুখ্যে আমন্ত্ৰিত প্ৰগতিশীল কৃষকসকল উপস্থিত থাকে। অনুষ্ঠানত কোঁৱৰপুৰ কৃষি উন্নয়ন চক্ৰৰ ঋষিকেশ হাজৰিকাই উপস্থিত কৃষকসকলক FFS ব্যৱস্থাৰ অধীনত সাৰ ক্ৰয়ৰ বাবে প্ৰয়োজনীয় মোবাইল এপটোৰ ব্যৱহাৰ প্ৰক্ৰিয়াৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰে। উল্লেখযোগ্য যে, একেদিনাই জিলাখনৰ সমজিলা আৰু আটাইকেইটা স্থানীয় কৃষি উন্নয়ন চক্ৰতো এই নতুন ব্যৱস্থাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এইনতুন প্ৰণালীৰ জৰিয়তে কৃষিক্ষেত্ৰত সাৰৰ সুষম আৰু বৈজ্ঞানিক ব্যৱহাৰ নিশ্চিত কৰাৰ লগতে অতিৰিক্ত সাৰ প্ৰয়োগ আৰু অপচয় ৰোধ কৰাত সহায় হ'ব। ইয়াৰ ফলত মাটিৰ স্বাস্থ্য সংৰক্ষণ, কৃষি উৎপাদন বৃদ্ধি আৰু দীৰ্ঘম্যাদীভাৱে বহনক্ষম কৃষি ব্যৱস্থা গঢ়ি তোলাতো ইতিবাচক ভূমিকা পৰিব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰি, সাৰ বিতৰণ ব্যৱস্থাত অধিক স্বচ্ছতা, জবাবদিহিতা আৰু নিয়মানুৱৰ্তিতা নিশ্চিত কৰাৰ ক্ষেত্ৰতো FFS ব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি জিলা কৃষি বিভাগে আশা প্ৰকাশ কৰিছে। জিলা কৃষি বিষয়া অমৃত শইকীয়াই অনুষ্ঠানটিত জিলাখনৰ সমূহ কৃষকক নতুন ব্যৱস্থাটোৰ সৈতে সহযোগিতাৰে আগবাঢ়ি আহি FFS মোবাইল এপৰ জৰিয়তে সাৰ ক্ৰয়ৰ বাবে আবেদন কৰিবলৈ আহ্বান জনায় আৰু আনুষ্ঠানিক ভাৱে এপটোৰ শুভ উদ্বোধন কৰে।

# গোসাঁইগাঁৱৰ হাৰাফুটাত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, গোসাঁইগাঁও, ৪ ছেপ্টেম্বৰ ঃ** গোসাঁইগাঁৱৰ হাৰাফুটাত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। বাঁহ কড়িয়াই নিয়া এখন কণ্টেইনাৰ ট্ৰাক দুৰ্ঘটনাগ্ৰস্ত হোৱাত ট্ৰাকখনত থকা এজন শ্ৰমিক গুৰুতৰভাৱে আহত হয়। আহত শ্ৰমিকজন গোসাঁইগাঁও মহকুমাৰ এক নং ভোমৰাবিল গাঁৱৰ বাসিন্দা নিতাই বৰ্মন বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, MP 07 HB 4151 নম্বৰৰ বাঁহ কড়িয়াই নিয়া কণ্টেইনাৰ ট্ৰাকখন হাৰাফুটা মিচনৰ সমীপত উপস্থিত হোৱাৰ সময়তে সংঘটিত হয় এই দুৰ্ঘটনা। স্থানীয় সূত্ৰ অনুসৰি, হাৰাফুটা মিচনৰ ওচৰত থকা স্পিড বেকাৰত এখন বাহনে হঠাৎ ব্ৰেক মৰাত পিছফালৰ পৰা আহি থকা কণ্টেইনাৰ ট্ৰাকখনে বাহনখনত খুন্দা মাৰে। ফলত ট্ৰাকখন দুৰ্ঘটনাগ্ৰস্ত হয় আৰু ট্ৰাকখনৰ ভিতৰত থকা নিতাই বৰ্মন গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাৰ খবৰ লাভ কৰাৰ পাছতে ঘটনাস্থলীত শিমলটাপু আৰক্ষী উপস্থিত হয় আৰু আহত নিতাই বৰ্মনক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি গোসাঁইগাঁও আৰ এন বি অসামৰিক চিকিৎসালয়লৈ লৈ যায়। পৰৱৰ্তী সময়ত আহত নিতাই বৰ্মনৰ অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে তেওঁক পশ্চিমবংগলৈ প্ৰেৰণ কৰা হয়।

‘অধ্যৱসায়েই সফলতাৰ বীজমন্ত্ৰ’ ঃ ড° দেৱজিৎ শইকীয়া

# মাজুলী মহাবিদ্যালয় ছাত্ৰী নিৱাসৰ নৱাগত আদৰণী সভা

**অসম বাৰ্তা, উজনী মাজুলী, ২ ছেপ্টেম্বৰ ঃ** মাজুলী মহাবিদ্যালয় ছাত্ৰী নিৱাসৰ ২০২৬ বৰ্ষৰ নৱাগতা আৱাসীসকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ উদ্দেশ্য আজি বিয়লি মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত এখনি বিশেষ আদৰণী সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে ধূপ-দীপ আৰু কপালত চন্দনৰ তিলক পিন্ধাই নৱাগতা আৱাসীসকলক ছাত্ৰী নিৱাসৰ মুখ্য অধীক্ষক ডঃ ৰূপজ্যোতি বৰা, ছাত্ৰী নিৱাসৰ মেণ্টৰ অৰুণি কলিতা হাজৰিকা, মণিটৰ হীৰামণি দলে, জানমণি নৰহ, জ্যেষ্ঠা আৱাসী ৰেখা ভূঞা, অণিমা হাজৰিকা প্ৰমুখ্য পুৰণি আৱাসীসকলে আনুষ্ঠানিকভাৱে আদৰণি জনায়। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰম্ভ হয় ন-পুৰণি আৱাসীসকলৰ দ্বাৰা পৰিৱেশিত সমৱেত সংগীতেৰে। আয়োজক সমিতিৰ আহ্বায়ক জানমণি নৰহে আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পূৰ্ণিমা কুলিয়ে। সভাপতিৰ মন্তব্যত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, ‘‘কঠোৰ অধ্যৱসায়েই সফলতাৰ বীজমন্ত্ৰ। জীৱনত সফলকাম হ'বলৈ কঠোৰ সাধনাৰ প্ৰয়োজন। একেদিনাই নহয়, দীৰ্ঘদিনীয়া সাধনা আৰু একাগ্ৰতাইহে জীৱন যুঁজত জয়ী হোৱাৰ প্ৰকৃত বীজমন্ত্ৰ।’’ প্ৰতিযোগিতাৰ যুগত নিজকে খাপ খুৱাই আগ বঢ়াই নিবলৈ শিক্ষাৰ্থীসকল অনুসন্ধিৎসু মনৰ অধিকাৰী হ'ব লাগিব বুলিও তেওঁ উল্লেখ কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি তথা অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ডঃ ব্ৰজেন চন্দ্ৰ নেওগে হোষ্টেলীয়া জীৱনে ভৱিষ্যত গঢ়াত কেনেকৈ সহায় কৰে তাক উল্লেখ কৰি জীৱন গঢ়াৰ প্ৰকৃত সময় এই ছাত্ৰ-কালছোৱাৰ সঠিক ব্যৱহাৰেৰে শিক্ষাৰ্থীসকলক আগবাঢ়ি যাবলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নিৱাসৰ মুখ্য অধীক্ষক তথা অধ্যাপিকা ড° ৰূপজ্যোতি বৰা, মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়া, অৱসৰপ্ৰাপ্ত স্নাতকোত্তৰ শিক্ষক দিগন্ত বৰা, ছাত্ৰী নিৱাসৰ অধীক্ষক অধ্যাপক দীনেশ পেগু, ছাত্ৰাৱাসৰ অধীক্ষক অধ্যাপক আচাৰ্য মোহন দাস, অধ্যাপক ক্ৰমে বিজয় টিমুং, ড° সুদৰ্শনা ফুকন, প্ৰজ্ঞা পাৰমিতা কৌশিক, মিলন পেগু, গড়মূৰ পীতাম্বৰদেৱ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষয়িত্ৰী দুলুমণি শইকীয়া প্ৰমুখ্য লোকসকল উপস্থিত থাকে। অনুষ্ঠানত শিক্ষাৰ্থী ক্ৰমে মঞ্জিতা দলেৰ বিহু নৃত্য প্ৰদৰ্শন, ৰাজশ্ৰী দাস, সেউজী মিলি, পলী সেনাপতি, তৃষ্ণা দলে, প্ৰিয়াক্ষী সেনাপতিৰ সংগীত আৰু টিনা মিলিৰ আধুনিক নৃত্য প্ৰদৰ্শনে সকলোকে মোহিত কৰে। সভাত ৰেখা পায়েং, মাধৱী হলদাৰ, দীপা হলদাৰ, বাতাসী হলদাৰ, কল্পনা পায়েং, মাণিক ৰেগন, অনন্ত পায়েং, দীপক দাসকে মুখ্য কৰি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# বিহালীৰ চিৰাজুলীত কাৰ্বি কল্যাণ স্বায়ত্ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° চাৰছিং ইংতি কাথাৰক আনুষ্ঠানিক সম্বৰ্দ্ধনা

**অসম বাৰ্তা, জিনজিয়া, ২ ছেপ্টেম্বৰ ঃ** বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত চিৰাজুলীত বিশ্বনাথ জিলা কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত আৰু অবিভক্ত গহপুৰ কাৰ্বি সমাজৰ সহযোগত কাৰ্বি কল্যাণ স্বায়ত্ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° চাৰছিং ইংতি কাথাৰক আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ উদ্দেশ্যে এখনি ৰাজহুৱা সভা আয়োজন কৰে। ৰাইজে বিশাল বাইকৰেলী বাহিৰ কৰি চন্দামাৰীৰ পৰা মুখ্য কাৰ্যবাহী সদস্য ড° চাৰছিং ইংতিক সভাস্থলীলৈ উষ্ম আদৰণি কৰি লৈ যায়। বিশ্বনাথ জিলা কাৰ্বি সাংস্কৃতিক সমাজৰ সাধাৰণ সম্পাদক মনছিং ছেংনাৰে উদ্দেশ্যে



ব্যাখ্যা কৰা সভাখনৰ সভাপতিত্ব কৰে বিশ্বনাথ জিলা কাৰ্বি সাংস্কৃতিক সমাজৰ সভাপতি যোগেন তেৰণে। মুখ্য কাৰ্যবাহী সদস্য ড° চাৰছিং ইংতি কাথাৰক বিশ্বনাথ জিলা কাৰ্বি সাংস্কৃতিক সমাজ আৰু অবিভক্ত গহপুৰ কাৰ্বি সমাজৰ তৰফৰ পৰা কাৰ্বি প'হ', প্ৰশংসা পত্ৰ প্ৰদানেৰে আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। ইয়াৰ উপৰিও উপস্থিত ৰাইজে নিজাববীয়াকৈ কাৰ্বি প'হ'ৰে মুখ্য সদস্যগৰাকীক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। চিৰাজুলীত অনুষ্ঠিত এই সম্বৰ্দ্ধনা সভাত পৰিষদৰ অধ্যক্ষ কৃষ্ণ তেৰাং, উপাধ্যক্ষ ৰাজীৱ পাটৰ, কাৰ্যবাহী সদস্য ক্ৰমে-বালিৰাম ৰংফাৰ, ননিতা ৰংহাংপী, টিকেন বাংঠাই, সঞ্জয় ৰংপী লগতে ললিত কুমাৰ তিমুং, বিনংকিৰি ইংতি, মনচিং ক্ৰ', নিদুল পাটগিৰি আদি সদস্য সকলেও পৰম্পৰাগত কাৰ্বি প'হ'ৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। সভাত বিশ্বনাথ জিলা কাৰ্বি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নিৰ্মল তেৰণ, জিলা কাৰ্বি লাম্মেত আমেইৰ সভাপতি সুৰেন ফাংচু, জিলা ৰংকেৰ ৰং-আজে সমিতিৰ সভাপতি ৰাজেশ্বৰ বে', জিলা কাৰ্বি যুৱ ছাত্ৰ সন্থাৰ সভাপতি বিজেন ৰংপিৰ লগতে বিশ্বনাথ জিলা কাৰ্বি সাংস্কৃতিক সমাজৰ বিষয়ববীয়া-সদস্যসকল, স্থানীয় গণ্য-মান্য ব্যক্তিসকল আৰু স্থানীয় ৰাইজৰ উপস্থিতিত সম্বৰ্দ্ধনা সভাখন অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি এইবৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক বিশ্বনাথ জিলা কাৰ্বি সাংস্কৃতিক সমাজৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰা হয়। ভৈয়ামত বাস কৰা আঠখন জিলাৰ কাৰ্বি ছাত্ৰ-ছাত্ৰীসকলৰ কথা চিন্তা কৰি আগন্তুক হ'ব লগা ADRE-ৰ কাৰণে বিনামূলীয়া প্ৰশিক্ষণ কেন্দ্ৰৰ উন্মোচন কৰা হ'ব বুলি মুখ্য কাৰ্যবাহী সদস্য গৰাকীয়ে জানিবলৈ দিয়ে লগতে অতি শীঘ্ৰে বিভিন্ন উন্নয়নমূলক কাম হাতত ল'ব বুলিও জানিবলৈ দিয়ে।

ধুবুৰী মেডিকেল কলেজত জীৱন-মৰণৰ সৈতে যুঁজি আছে ভুক্তভোগী

# গোলকগঞ্জত ১৪ বছৰীয়া কিশোৰীক যৌন নিৰ্যাতনৰ অভিযোগত ৫৫ বছৰীয়া ব্যক্তিক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, গোলকগঞ্জ, ২ ছেপ্টেম্বৰ ঃ** ধুবুৰীৰ গোলকগঞ্জত এগৰাকী ১৪ বছৰীয়া কিশোৰীক যৌন নিৰ্যাতন চলোৱাৰ এক জঘন্য ঘটনা পোহৰলৈ আহিছে। উক্ত ঘটনাটো একাংশ শম্ভু সাংবাদিকে গাপ দিয়াৰো চেষ্টা চলাইছে। অভিযোগ অনুসৰি গোলকগঞ্জ আৰক্ষী থানাৰ অন্তৰ্গত ঢেপঢেপী খেকশিয়ালীৰ আব্দুল বাৰি শেখ (৫৫) নামৰ ব্যক্তিজনে নিজৰ সম্পৰ্কীয় ভতিজীক ভয়-ভাবুকি আৰু প্ৰলোভনেৰে শাৰীৰিক সম্পৰ্ক স্থাপন কৰিছিল। ইয়াৰ পিছতে কিশোৰী গৰাকী হঠাৎ অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে তাইক ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰায়। বৰ্তমান কিশোৰী গৰাকী চিকিৎসাধীন হৈ আছেবুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত চিকিৎসালয় কৰ্তৃপক্ষই গোলকগঞ্জ আৰক্ষীক খবৰ দিয়ে। পিছত ভুক্তভোগীৰ পৰিয়ালে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত গোলকগঞ্জ আৰক্ষীয়ে অভিযান চলাই অভিযুক্ত আব্দুল বাৰি শেখক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ১৯৭/২০২৬ নম্বৰত গোচৰ পঞ্জীয়ন কৰি U/S-65(1)/351(2) BNS R/W Sec 6 of POCSO Act ৰ অধীনত তদন্ত অব্যাহত ৰাখিছে।

দিনদুপৰতে চুৰি কৰিবলৈ আহি গৃহস্থৰ হাতত ধৰা পৰাৰ পিছত পলায়ন; আৰক্ষীৰ তৎপৰতাত আটক

# নলবাৰীত চুৰিৰ অভিযোগত আটক জয়মঙ্গলাৰ ছাইদুল আলী

**অসম বাৰ্তা, নলবাৰী, ৪ ছেপ্টেম্বৰ ঃ** নলবাৰী সদৰ থানাৰ পিছফালে ১১নং ৱাৰ্ডৰ বিবেকানন্দ ভট্টাচাৰ্যৰ বাসগৃহত দিনদুপৰতে চুৰিৰ চেষ্টা চলোৱাৰ অভিযোগত এজন যুৱকক আৰক্ষীয়ে আটক কৰে। আটকাধীন যুৱকজন জয়মঙ্গলাৰ ছাইদুল আলী ওৰফে ধন বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, গৃহস্থ ঘৰত নথকাৰ সুযোগ লৈ চুৰি কৰিবলৈ দুজন লোক আহিছিল। এজন লোকক ঘৰৰ বাহিৰত ৰখাই আনজন ঘৰৰ ভিতৰত প্ৰৱেশ কৰে। কিন্তু তেওঁলোকৰ অজ্ঞাতে ঘৰৰ ভিতৰত আছিল বিবেকানন্দ ভট্টাচাৰ্যৰ পত্নী নমিতা ভট্টাচাৰ্য। ঘৰৰ ভিতৰত প্ৰৱেশ কৰা লোকজনে ফেন, মটৰ, লো আদি সামগ্ৰী বস্তাত ভৰাই লৈ ওলাই যাবলৈ লোৱাৰ সময়তে নমিতা ভট্টাচাৰ্যই হুৱাদুৱা লগায়। ইয়াৰ পিছতে লোকজন ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ঘটনাৰ খবৰ লাভ কৰাৰ পিছত ওচৰ-চুবুৰীয়া লোক ঘটনাস্থলীত উপস্থিত হয়। নলবাৰী সদৰ থানাৰ টাউন দাৰোগা গীতাৰ্থ চৌধুৰীক যোগাযোগ কৰে পৰিয়ালে। লগে লগে আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। ঘটনাস্থলীৰ চিচি টিভি কেমেৰাত সমগ্ৰ ঘটনা বন্দী হোৱা বুলি জানিব পৰা গৈছে। চিচি টিভি ফুটেজৰ ভিত্তিত আৰক্ষীয়ে তৎপৰতা অৱলম্বন কৰি মাত্ৰ কিছু সময়ৰ ভিতৰতে জয়মঙ্গলাৰ ছাইদুল আলী ওৰফে ধনক আটক কৰি সদৰ থানালৈ লৈ



আহে। আৰক্ষীৰ জেৰাত আটকাধীন ছাইদুল আলীয়ে ঘটনাৰ সৈতে জড়িত থকাৰ কথা স্বীকাৰ কৰা বুলি জানিব পৰা গৈছে। নিচাজাতীয় সামগ্ৰী সেৱনৰ বাবে ধনৰ অভাৱত এনে কাম কৰিবলৈ বাধ্য হোৱা বুলি আৰক্ষীৰ আগত প্ৰকাশ কৰা বুলিও জানিব পৰা গৈছে। উল্লেখ্য যে, ছাইদুল আলী ওৰফে ধন কিছুদিন পূৰ্বেহে কাৰাগাৰৰ পৰা ওলাই আহিছিল বুলি জানিব পৰা যায়। পূৰ্বেও বিভিন্ন সময়ত আৰক্ষীৰ হাতত আটক হোৱা ব্যক্তিজন পুনৰ এনে ঘটনাত জড়িত হোৱাৰ অভিযোগে সমগ্ৰ বিষয়টোক লৈ চিন্তাৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত নলবাৰী সদৰ আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে।

# বৰ্ণাঢ্য কাৰ্যসূচীৰে দিনজোৰা অনুষ্ঠান; হিতাধিকাৰীৰ মাজত চেক বিতৰণ

## মন্ত্ৰী, বিধায়কসহ বিশিষ্ট ব্যক্তিৰ অংশগ্ৰহণ



**অসম বাৰ্তা, অভয়াপুৰী, ৪ ছেপ্টেম্বৰ ঃ** কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ ষষ্ঠ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উত্তৰ শালমাৰাস্থিত কে এ চিৰ সচিবালয় প্ৰাংগণত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত পৰিষদৰ বিষয়ববীয়া, জনপ্ৰতিনিধি, সমাজকৰ্মী, হিতাধিকাৰী আৰু স্থানীয় ৰাইজৰ ব্যাপক উপস্থিতি পৰিলক্ষিত হয়। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি পুৱা বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ আৰু শ্বহীদ বেদীত মাল্যাৰ্পণেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন কৰে অভয়াপুৰী বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন ৰায়ে। জাতীয় সংগীত পৰিৱেশনৰ পাছত অনুষ্ঠিত সভাত আদৰণি ভাষণ প্ৰদান কৰে কে এ চিৰ মুখ্য সচিব ৰাজীৱ কুমাৰ দাসে। অনুষ্ঠানৰ অংশ হিচাপে বিভিন্ন উন্নয়নমূলক আঁচনিৰ অধীনত নিৰ্বাচিত হিতাধিকাৰীৰ মাজত চেক বিতৰণ কৰা হয়। হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰে অসম চৰকাৰৰ বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে ভাষণ প্ৰদান কৰে। ভাষণত তেওঁ পৰিষদৰ প্ৰতিষ্ঠা দিৱসৰ তাৎপৰ্যৰ লগতে অঞ্চলটোৰ উন্নয়ন আৰু জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত পৰিষদৰ ভূমিকা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত কে এ চিৰ মুখ্য কাৰ্যবাহী পাৰিষদ জীৱেশ ৰায়, অভয়াপুৰী বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন ৰায়, সমাজকৰ্মী উজ্জ্বল কান্তি ৰায়কে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তেওঁলোকেও সভাত বক্তব্য প্ৰদান কৰি প্ৰতিষ্ঠা দিৱসৰ তাৎপৰ্য আৰু পৰিষদৰ বিভিন্ন কাম-কাজৰ ওপৰত আলোকপাত কৰে। দিনজোৰা কাৰ্যসূচীৰ অন্তিম পৰ্যায়ত কে এ চিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মণে শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানত উপস্থিত থকা সকলো অতিথি, বিষয়ববীয়া, হিতাধিকাৰী আৰু ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ ষষ্ঠ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ বৰ্ণাঢ্য কাৰ্যসূচীৰ সফল সামৰণি পৰে।

# ধিঙৰ প্ৰাক্তন বিধায়ক হাজী মোবাৰক আলী পাঠানৰ জানাজা সম্পন্ন

**অসম বাৰ্তা, বটদ্ৰৱা, ৪ ছেপ্টেম্বৰ ঃ** অগণন লোকৰ উপস্থিতিত ২ নং কান্ধুলিমাৰী মাঠখলা খেলপথাৰত জানাজা সম্পন্ন। ধিং সমষ্টিৰ প্ৰাক্তন বিধায়ক হাজী মোবাৰক আলী পাঠানৰ জানাজা আজি দিনৰ ২ বজাত ২ নং কান্ধুলিমাৰী মাঠখলা বজাৰ খেলপথাৰত সম্পন্ন হয়। নগাঁও জিলাৰ দ্বীনিতালিমী ব'ৰ্ডৰ সভাপতি মৌলানা আতাবুৰ ৰহমানৰ ইমামতিত্বত অনুষ্ঠিত জানাজাত অগণন লোকৰ উপস্থিতিত খেলপথাৰখন জনসমুদ্ৰত পৰিণত হয়। উল্লেখ্য, যোৱা ২ ছেপ্টেম্বৰত নগাঁও চহৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত পাঠানৰ মৃত্যু হৈছিল। তেওঁ ধিং সমষ্টিৰ বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি বেছামাৰী জিলা পৰিষদৰ সদস্য আৰু বিলটিয়া সমবায় সমিতিৰ সভাপতি আছিল। লগতে খৈৰামাৰী আনৱাৰুল উলুম মাদ্ৰাছাকে ধৰি ধিং সমষ্টিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে তেওঁ জড়িত আছিল। জানাজাৰ পাছত খৈৰামাৰী আনৱাৰুল উলুম মাদ্ৰাছাৰ চৌহদত তেওঁৰ মৃতদেহ কবৰস্থ কৰা হয়। পাঠানৰ মৃত্যুত বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। এ আই ইউ ডি এফৰ কেন্দ্ৰীয় আৰু জিলা সমিতিৰ একাংশ বিষয়ববীয়ায়ো তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত পাঠানে পত্নী, এগৰাকী পুত্ৰ আৰু দুগৰাকী কন্যাৰ লগতে অগণন আত্মীয়-স্বজনক এৰি থৈ যায়। তেওঁৰ মৃত্যুত ধিং সমষ্টিত শোকৰ ছাঁ পৰিছে।

# কাকপথাৰত অভীৰুচি ক্ৰীড়া দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ ছেপ্টেম্বৰ ঃ** অসম ক্ৰীড়া ক্ষেত্ৰৰ এক অন্যতম ভোটাতৰা অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিনটো আজি সমগ্ৰ অসমৰ লগতে কাকপথাৰ কাঠবস্তিত শদিয়া জিলা মাষ্টাৰ্চ এথলেটিক্‌ছ সংস্থাৰ উদ্যোগত ৪৩ সংখ্যক অভীৰুচি ক্ৰীড়া দিৱস হিচাপে উদযাপন কৰা হয়। এই উপলক্ষে স্থানীয় ১০খন বিদ্যালয়ৰ ২০৪ গৰাকী ছাত্ৰ-ছাত্ৰীকলৈ দিনজোৰা কাৰ্যসূচীৰে বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে কেইবাগৰাকীও প্ৰবীণ ক্ৰীড়াবিদ আৰু ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনোৱা হয়। ক্ৰীড়া প্ৰতিযোগিতাসমূহ পৰিচালনা কৰে মাষ্টাৰ্চ এথলীটসকলে। কেইগৰাকীমান ন-পুৰণি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় খেলুৱৈক সম্বৰ্ধনা জনায় সংস্থাৰ সভাপতি হেমন্ত বৰাই। এই কাৰ্যসূচীত সংগঠনটোৰ সদস্য-সদস্যাসকলে সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। প্ৰতিযোগিতাৰ বিজয়ীসকলৰ মাজত পুৰস্কাৰ বিতৰণ কৰে জ্যোতিৰ্ময় মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অলক্ষি মৰাণ আৰু বিদ্যালয়খনৰ আন দুগৰাকী শিক্ষকে। শদিয়া জিলা মাষ্টাৰ্চ এথলেটিকছ সংস্থাৰ সম্পাদক অনিল কুমাৰ বৰাই সমগ্ৰ কাৰ্যসূচীৰ আঁত ধৰে।

## অভিলাষী আঁচনিৰে নেঘেৰিটিং শিৱদৌলৰ সামগ্ৰিক উন্নয়নৰ আশ্বাস

# নেঘেৰিটিং শিৱদৌল পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



**অসম বাৰ্তা, দেৰগাঁও, ৪ ছেপ্টেম্বৰ ঃ** অসমৰ অন্যতম প্ৰাচীন ঐতিহাসিক কীৰ্তিচিহ্ন তথা প্ৰসিদ্ধ শিৱদৌল নেঘেৰিটিং শিৱদৌলৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে এক বৃহৎ অভিলাষী আঁচনি গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তিনিদিনীয়া কাৰ্যসূচীৰে দেৰগাঁৱত উপস্থিত থকা মুখ্যমন্ত্ৰীগৰাকীয়ে বৃহস্পতিবাৰে সন্ধিয়া ঐতিহাসিক নেঘেৰিটিং শিৱদৌলত উপস্থিত হৈ মহাদেৱৰ শ্ৰীচৰণত পূজা-অৰ্চনা কৰে। ইয়াৰ পিছতে জিলা প্ৰশাসন, পুৰাতত্ত্ব বিভাগ আৰু বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে শিৱদৌলৰ আন্তঃগাঁথনি আৰু সামগ্ৰিক উন্নয়ন সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে নেঘেৰিটিং শিৱদৌল অসমৰ ঐতিহ্য আৰু ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অংশ। আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দ্বাৰা নিৰ্মিত এই ঐতিহাসিক শিৱদৌলৰ গুৰুত্ব অপৰিসীম বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে নেঘেৰিটিং শিৱদৌলক কেৱল ধৰ্মীয় স্থান হিচাপে নহয়, এক গুৰুত্বপূৰ্ণ পৰ্যটনস্থলী হিচাপেও গঢ়ি তোলাৰ বাবে নিৰ্বাচনৰ পূৰ্বে তেওঁ প্ৰতিশ্ৰুতি দিছিল। মুখ্যমন্ত্ৰীগৰাকীৰ মতে, প্ৰস্তাৱিত আঁচনিৰ অধীনত শিৱদৌল চৌহদৰ আধুনিকীকৰণ, পৰ্যটকৰ বাবে অতিথিশালা নিৰ্মাণ, উন্নত পথ যোগাযোগ ব্যৱস্থা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সৌন্দৰ্যবৰ্ধনৰ কাম হাতত লোৱা হ'ব। ইয়াৰ লগতে নেঘেৰিটিং বান্দৰ সংৰক্ষিত বনাঞ্চলক সামৰি এক আকৰ্ষণীয় ইক'-পৰ্যটন প্ৰকল্প গঢ়ি তোলাৰ পৰিকল্পনাও কৰা হৈছে। মুখ্যমন্ত্ৰীৰ এই ঘোষণাই দেৰগাঁৱৰ লগতে সমগ্ৰ অঞ্চলটোৰ ৰাইজৰ মাজত উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰিছে। ঐতিহাসিক নেঘেৰিটিং শিৱদৌলৰ উন্নয়নৰ জৰিয়তে ধৰ্মীয় পৰ্যটনৰ লগতে অঞ্চলটোৰ পৰ্যটন সম্ভাৱনাই নতুন গতি লাভ কৰিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ নেঘেৰিটিং শিৱদৌল পৰিদৰ্শনৰ সময়ত নেঘেৰিটিং শিৱদৌল পূজা পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলেও তেওঁৰ সৈতে শিৱদৌলৰ উন্নয়ন সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰে। এই আলোচনাত অশ্বিনী বৰঠাকুৰ, তাৰাপ্ৰসাদ বৰঠাকুৰ, অনাদি কুমাৰ বৰঠাকুৰ, অঞ্জন বৰঠাকুৰ প্ৰাণজিত বৰঠাকুৰ (গণেশ মন্দিৰ) আদিয়ে অংশগ্ৰহণ কৰে।

## সামৰণি অনুষ্ঠানত উল্লেখনীয় ভূমিকা পালন কৰা বিষয়া, কৰ্মচাৰী, অংগনৱাড়ী কৰ্মী, আশা কৰ্মী আদিক পুৰস্কাৰ প্ৰদান

# গোৱালপাৰা জিলা প্ৰশাসনৰ "সম্পুৰ্ণতা অভিযান ২.০"ৰ সফল সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৪ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলা প্ৰশাসনে আজি আকাংক্ষিত জিলা আৰু আকাংক্ষিত উন্নয়ন খণ্ড কাৰ্যসূচীৰ অধীনত গ্ৰহণ কৰা "সম্পূৰ্ণতা অভিযান-২.০"ৰ সামৰণি অনুষ্ঠান সফলতাৰে সম্পন্ন কৰে। নটসূৰ্য ফণী শৰ্মা ভৱনত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা অনুষ্ঠানটো বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুংয়ে। অনুষ্ঠানটোৰ কাৰ্যসূচী অনুসৰি আদৰণি ভাষণ প্ৰদান কৰে জিলা উন্নয়ন আয়ুক্ত তথা আকাংক্ষিত জিলা আৰু উন্নয়ন খণ্ডৰ Nodal Officer প্ৰণৱ ক্যামাৰ বৰাই। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি জিলা আয়ুক্তই প্ৰদান কৰা ভাষণত গোৱালপাৰা জিলাত আকাংক্ষিত জিলা কাৰ্যসূচী আৰু লক্ষ্মীপুৰ আকাংক্ষিত উন্নয়ন খণ্ডত জিলা প্ৰশাসনে কি দৰে কাম কৰি আহিছে সেই বিষয়ে উল্লেখ কৰে। ভাৰত চৰকাৰৰ নিটি আয়োগৰ নীতি -নিৰ্দেশনা অনুসৰি স্বাস্থ্য, পুষ্টি, শিক্ষা, কৃষি, সামাজিক উন্নয়ন আৰু আন্তঃগাঁথনিৰ দৰে গুৰুত্বপূৰ্ণ দিশসমূহক দেশৰ উন্নত জিলা আৰু উন্নয়ন খণ্ডৰ



সমপৰ্যায়লৈ লৈ যোৱাটো এক প্ৰত্যাহ্বান আছিল বুলি উল্লেখ কৰি জিলা আয়ুক্ত মহোদয়ে কয় যে- গোৱালপাৰা জিলা প্ৰশাসনে সংশ্লিষ্ট বিভাগৰ বিষয়া, পঞ্চায়ত প্ৰতিনিধি, অংগনৱাড়ী কৰ্মী, আত্মসহায়ক গোট আৰু সমাজ কৰ্মীসকলৰ সহযোগিতাত আকাংক্ষিত জিলা কাৰ্যসূচী আৰু আকাংক্ষিত উন্নয়ন খণ্ড কাৰ্যসূচীত ভাল ফল লাভ কৰিবলৈ সক্ষম হৈছে। তেখেতে সকলকে আৰু অধিক সক্ৰিয়ভাৱে তথা নিপুনতাৰে কাম কৰি গোৱালপাৰা জিলাক আকাংক্ষিত জিলাৰ পৰা অনুকৰণীয় জিলালৈ ৰূপান্তৰ কৰাৰ বাবে আহ্বান জনায়। আজিৰ অনুষ্ঠানটোত স্বাস্থ্য সেৱা, পশুপালন, শিক্ষা, সামাজিক উন্নয়ন তথা আন্তঃগাথনি উন্নীত কৰাৰ ক্ষেত্ৰত যিসকল বিষয়া-কৰ্মচাৰী, আশা কৰ্মী, অংগনৱাড়ী কৰ্মী আদিয়ে উল্লেখনীয় ভূমিকা পালন কৰিছে তেওঁলোকক পুৰস্কাৰ প্ৰদান কৰা হয়। ভাৰত চৰকাৰৰ নিটি আয়োগে দেশৰ পিছপৰা ১১২খন জিলা আৰু ৫১৩টা উন্নয়ন খণ্ডৰ দ্ৰুত আৰু সামগ্ৰিক উন্নয়নৰ লক্ষ্যৰে Aspirational Districts Programme আৰু Aspirational Blocks Programme গ্ৰহণ কৰিছে। সেই কাৰ্যসূচীত আমাৰ গোৱালপাৰা জিলাখন আৰু লক্ষ্মীপুৰ উন্নয়ন খণ্ডটো অন্তৰ্ভুক্ত হৈ আছে। এই কাৰ্যসূচী অনুসৰি ক্ষেত্ৰসমূহ দেশৰ অন্য উন্নত জিলা বা উন্নয়ন খণ্ডৰ সৈতে থকা ব্যৱধানসমূহ দূৰ কৰিব লাগে। উন্নয়নৰ গতি অধিক খৰতকীয়া আৰু নিশ্চিত কৰি সমাজৰ শেষ ব্যক্তিজনকো যাতে এই উন্নয়নৰ কাৰ্যসূচীয়ে স্পৰ্শ কৰিব পাৰে বা শেষৰজন মানুহেও যাতে সুফল লাভ কৰে তাৰ বাবে এই সম্পূৰ্ণতা অভিযান ২.০ আৰম্ভ কৰা হৈছিল। ইয়াৰে প্ৰথম পৰ্যায় শেষ হোৱাৰ পিছত - এই বছৰৰে ২৮ জানুৱাৰীৰ পৰা ১৪ এপ্ৰিল তাৰিখলৈ এই অভিযান ৰূপায়ণ কৰা হৈছিল। সম্পূৰ্ণতাা অভিযান ২.০ত গোৱালপাৰা জিলা প্ৰশাসনে সংশি-ষ্ট বিভাগসমূহক লগত লৈ এক Mission Mode -ত কাম কৰি আটাইকেইটা ক্ষেত্ৰতে বহুখিনি সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। আজিৰ অনুষ্ঠানটোত কেবাটাও সাংস্কৃতিক কাৰ্যসূচীৰে বৰ্ণাঢ্য কৰি তোলা হয়।

# অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ দাবীত গোৰেশ্বৰৰ মহৰিপাৰাত আছুৰ শৱযাত্ৰা




**অসম বাৰ্তা, গোৰেশ্বৰ, ৪ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি তামোলপুৰ জিলাৰ গোৰেশ্বৰতো অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিৰ প্ৰতিবাদত সদৌ অসম ছাত্ৰ সন্থাই শৱযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰে। জানিব পৰা মতে, সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে জিলাখনৰ মহৰিপাৰাত উত্তৰ বেতনা আঞ্চলিক ছাত্ৰ সন্থা, পুব ডেফেলী আঞ্চলিক ছাত্ৰ সন্থা আৰু গোৰেশ্বৰ আঞ্চলিক ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উত্তৰ বেতনা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ পৰা খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ প্ৰতীকী শৱদেহ লৈ প্ৰতিবাদকাৰীসকলে মহৰিপাৰাৰ ৰাজপথেৰে শৱযাত্ৰা উলিয়াই পৰিক্ৰমা কৰে। ৰাজ্যত খাদ্যবস্তুৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ ধাৰাবাহিক মূল্যবৃদ্ধি ৰোধ কৰি জনসাধাৰণক সকাহ দিয়াৰ দাবী জনাই প্ৰতিবাদকাৰীসকলে হাতে হাতে বেনাৰ-পোষ্টাৰ আৰু আছুৰ পতাকা লৈ প্ৰতিবাদকাৰীসকলে 'মূল্যবৃদ্ধি ৰোধ কৰক', 'যোগান বিভাগ হায় হায়', 'কৌশিক ৰায় মুৰ্দাবাদ', 'অসম চৰকাৰ হুঁচিয়াৰ' আদি বিভিন্ন চৰকাৰ বিৰোধী শ্লোগানেৰে মহৰিপাৰাৰ আকাশ-বতাহ কঁপাই তোলে। ইপিনে, প্ৰতিবাদী কাৰ্যসূচীত ছাত্ৰ সন্থাৰ নেতৃবৰ্গই কয় যে, ৰাজ্যত অত্যাৱশ্যকীয় সামগ্ৰীৰ ক্ৰমাগত মূল্যবৃদ্ধিয়ে সাধাৰণ ৰাইজক বিপৰ্যস্ত কৰি তুলিছে। বিশেষকৈ নিত্যব্যৱহাৰ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ ফলত নিম্ন আৰু মধ্যবিত্ত পৰিয়ালসমূহে দৈনন্দিন জীৱন নিৰ্বাহত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত পৰিয়াল পোহপাল দিয়াটো সাধাৰণ লোকৰ বাবে কঠিন হৈ পৰিছে বুলি তেওঁলোকে মন্তব্য কৰে। ছাত্ৰ সন্থাৰ নেতৃবৰ্গই অভিযোগ কৰে যে, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ৰাজ্যৰ যোগান বিভাগ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। বিভাগীয় মন্ত্ৰী কৌশিক ৰায়ে যদি মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰি সাধাৰণ ৰাইজক সকাহ দিব নোৱাৰে, তেন্তে তেওঁ নৈতিক দায়িত্ব স্বীকাৰ কৰি পদত্যাগ কৰা উচিত বুলিও তেওঁলোকে দাবী জনায়। এনে গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব এজন অকৰ্মণ্য মন্ত্ৰীক দিয়াটো চৰকাৰৰ চূড়ান্ত গাফিলতি বুলিও আছুৰ নেতৃবৰ্গই অভিযোগ কৰে। ইফালে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো সমালোচনা কৰি আছুৰ নেতৃবৰ্গই কয় যে, যোগান বিভাগৰ ব্যৰ্থতাৰ দায়িত্ব এৰাই মুখ্যমন্ত্ৰীগৰাকীয়ে কেৱল দায়সৰা মন্তব্য কৰি আহিছে। চৰকাৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰি ৰাইজক সকাহ দিয়াৰ ক্ষেত্ৰত নিজৰ দায়িত্ব পালন কৰিব লাগে। অন্যথা মূল্যবৃদ্ধি ৰোধ কৰিব নোৱাৰিলে বিভাগীয় মন্ত্ৰী তথা বিজেপি নেতৃত্বাধীন চৰকাৰখনে নৈতিক দায়িত্ব স্বীকাৰ কৰি পদত্যাগ কৰা উচিত বুলি তেওঁলোকে দাবী জনায়। আছুৰ নেতৃবৰ্গই লগতে অভিযোগ কৰে যে, ৰাইজে বিজেপিক বিশ্বাস কৰি বিপুল জনাদেশ প্ৰদান কৰাৰ পাছতো বৰ্তমান মূল্যবৃদ্ধিৰ বোজা সাধাৰণ জনতাৰ ওপৰত জাপি দিয়া হৈছে। চৰকাৰে 'ৰাইজক চামুচেৰে দি বেলচাৰে কাঢ়ি লৈছে' বুলি কটাক্ষ কৰি তেওঁলোকে কয় যে, মূল্যবৃদ্ধিৰ জৰিয়তে চৰকাৰে জনসাধাৰণক হাৰাশাস্তিৰ সন্মুখীন কৰিছে। চৰকাৰে শীঘ্ৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰিলে ইয়াতকৈও বৃহৎ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি অসম চৰকাৰ আৰু যোগান বিভাগক সকীয়াই দিয়ে ছাত্ৰ সন্থাৰ নেতৃবৰ্গই।

# আদ্যশ্ৰাদ্ধত শিক্ষাবিদ নৰনাথ হাজৰিকাৰ স্মৃতিচাৰণ সভা সম্পন্ন

## "গুণী শিক্ষকে সমাজখনকে পোহৰাই তোলে"— ড° দেৱজিৎ শইকীয়া

**অসম বাৰ্তা, উজনী মাজুলী, ৪ ছেপ্টেম্বৰ ঃ** মাজুলীৰ প্ৰবীণ শিক্ষাবিদ, মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক, কেশৰৰাম বৰা ন্যাস সমিতিৰ অধ্যক্ষ, সমাজ সংগঠক, বিভিন্ন অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত নৰনাথ হাজৰিকাৰ আদ্যশ্ৰাদ্ধৰ দিনটোত তেওঁৰ ওপৰকাটনী গাঁৱৰ নিজা বাসগৃহত আজি অনুষ্ঠিত হয় 'নমস্য নৰ হাজৰিকা' শীৰ্ষক এক ব্যতিক্ৰমী স্মৃতিচাৰণ অনুষ্ঠান। যোৱা ২৪ আগষ্টত প্ৰায় ৮০ বছৰ বয়সত বিয়োগ ঘটা নিৰ্ভীক, স্পষ্টবাদী তথা আপোচবিহীন শিক্ষাবিদগৰাকীৰ আজি আদ্যশ্ৰাদ্ধ দিৱসত পাৰলৌকিক মাংগলিক কৰ্মানুষ্ঠানৰ পৰিসমাপ্তিৰ পাছত দিনৰ ২ বজাৰ পৰা প্ৰাক্তন শিক্ষাৰ্থীসকলৰ উদ্যোগত অনুষ্ঠিত হয় বিশেষ স্মৃতিচাৰণ সভাখনি। আৰম্ভণিতে হাজৰিকাৰ সহধৰ্মিণী অৰুণা হাজৰিকাই নৰনাথ হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ পাছতে শিক্ষাবিদগৰাকীৰ পৰিয়ালৰ জ্যেষ্ঠ ব্যক্তি, শিক্ষাবিদ ভোলা বৰা, একালৰ ছাত্ৰ তথা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ কৰুণা বৰা, ৰামধনু শতদল শাখা সাহিত্য সভাৰ সভাপতি ডিম্বেশ্বৰ দত্ত প্ৰমুখ্যে সমৱেত ৰাইজে প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। পৰিয়ালবৰ্গৰ হৈ প্ৰাক্তন ছাত্ৰী, সমাজসেৱিকা ৰুবী বৰা সভাপতিত্বে আঁত ধৰা স্মৃতিচাৰণ সভাত প্ৰয়াত শিক্ষাবিদগৰাকীৰ



স্মৃতিচাৰণ কৰি অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয়, "গুণী শিক্ষকে সমাজখনকে পোহৰাই তোলে। তেনে এগৰাকী গুণী শিক্ষক নৰনাথ হাজৰিকা আছিল প্ৰকৃততেই মহাজীৱনৰ পথপ্ৰদৰ্শক। দৰিদ্ৰতাত একাষৰীয়াকৈ থৈ কেনেকৈ জীৱনটো গঢ়ি তুলিব পাৰি সেইটো সফল অভিভাৱক হাজৰিকাই হাতে-কামে দেখুৱাই থৈ গ'ল।" অনুষ্ঠানত মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, শিক্ষাবিদ কৰুণা বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক লোহিত বৰা, ভৰত শইকীয়া, শিক্ষক ডিম্বেশ্বৰ ভূঞা আদিয়ে শিক্ষাব্ৰতী নৰনাথ হাজৰিকাৰ ব্যক্তিত্ব আৰু সমাজহিতৈষণা সম্পৰ্কে আলোকপাত কৰে। সভাৰ আৰম্ভণিতে প্ৰয়াত শিক্ষাবিদ গৰাকীৰ বিদেহ আত্মাৰ সদগতিৰ বাবে মৌন প্ৰাৰ্থনা জনোৱা হয়। বিশিষ্ট ব্যক্তি সুৰেন হাজৰিকা, ৰাধা কলিতা, ড° গোবিন শইকীয়া, ডিম্বেশ্বৰ দত্ত, প্ৰশান্ত শইকীয়া, অজিত কুমাৰ শইকীয়া, তুলসী ৰাজখোৱা, দ্বীজেন শইকীয়া, জয়ন্ত শইকীয়া, ৰেণু কলিতা, প্ৰভাত হাজৰিকা, প্ৰণীতা ৰাজখোৱা, বৰ্ণালী বৰা ভূঞা, আৰাধনা শইকীয়া, অৰ্চনা বৰা, গোবিন কলিতা, শান্তনু বৰা ভাস্কৰ বৰা, বিনীতা বৰা, প্ৰাতস প্ৰতিম প্ৰতীক্ষা, প্ৰত্যুষ প্ৰতিম বৰা প্ৰমুখ্যে দ্বিশতাধিক লোক উপস্থিত থকা স্মৃতিচাৰণ সভাখনিৰ শেষত উপস্থিত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে হাজৰিকাৰ দুইপুত্ৰ অভিজিত হাজৰিকা আৰু দেৱজিৎ হাজৰিকাই।

# মূল্যবৃদ্ধিৰ বিৰুদ্ধে মেৰাপানীত আছুৰ তীব্ৰ প্ৰতিবাদ; যোগান বিভাগৰ শৱদেহ লৈ প্ৰতিবাদ সাব্যস্ত

**অসম বাৰ্তা, মেৰাপানী, ৪ ছেপ্টেম্বৰ ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ ধাৰাবাহিক আৰু অত্যধিক মূল্যবৃদ্ধিৰ বিৰুদ্ধে আজি মেৰাপানীত সৰৱ হৈ পৰে সদৌ অসম ছাত্ৰ সন্থা। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত মেৰাপানী নগৰত ৰূপায়ণ কৰা হয় এক প্ৰতিবাদী কাৰ্যসূচী। মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰ আৰু যোগান বিভাগে যথোচিত পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰি সংগঠনটোৱে এই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে যোগান বিভাগৰ প্ৰতীকী শৱদেহ লৈ মেৰাপানী নগৰত প্ৰায় এক কিলোমিটাৰ পথ পদযাত্ৰা কৰি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদৰ সময়ছোৱাত 'অসম চৰকাৰ গ' বেক, যোগান বিভাগ হায় হায়, অসম চৰকাৰ হায় হায়' আদি বিভিন্ন শ্লোগানেৰে মেৰাপানী নগৰ উত্তাল কৰি তোলে ছাত্ৰ-কৰ্মীসকলে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰা মতে, বৰ্তমান সময়ত সাধাৰণ লোকৰ দৈনন্দিন জীৱনত ব্যৱহৃত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। জীৱনদায়িনী ঔষধৰ পৰা আৰম্ভ কৰি ৰন্ধন গেছ, পেট্ৰলজাত সামগ্ৰী, চাউল, দাইল, চেনি আদিৰ উপৰিও বহুতো অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সাধাৰণ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকক বাৰুকৈয়ে জুৰুলা কৰিছে। বজাৰত সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যোগান বিভাগ ব্যৰ্থ হোৱা বুলিও প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে। মূল্যবৃদ্ধিৰ ফলত পৰিয়ালৰ দৈনন্দিন ব্যয় বৃদ্ধি পোৱাৰ লগতে সীমিত আয়ৰ লোকসকলৰ জীৱন-যাপন ক্ৰমাৎ কঠিন হৈ পৰিছে বুলি উল্লেখ কৰি




আছুৱে চৰকাৰক এই বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰিবলৈ দাবী জনায়। বজাৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ কৰা, কৃত্ৰিম মূল্যবৃদ্ধি আৰু অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা তথা সাধাৰণ ৰাইজক মূল্যবৃদ্ধিৰ পৰা সকাহ দিয়াৰ বাবে শীঘ্ৰে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায় দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাই। ইফালে, প্ৰতিবাদী কাৰ্যসূচীত গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জীৱ সোণোৱাল, দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চৈনক চক্ৰৱৰ্তীকে ধৰি শতাধিক ছাত্ৰই অংশগ্ৰহণ কৰে। সংগঠনটোৱে স্পষ্ট কৰি দিয়ে যে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰি সাধাৰণ ৰাইজক সকাহ দিয়াৰ ক্ষেত্ৰত চৰকাৰে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ নকৰিলে অনাগত দিনত আন্দোলন অধিক তীব্ৰতৰ কৰা হ'ব।

## পাঁচ মাহেও নাপালে ৰাজ্য চৰকাৰৰ ধন

# ধানৰ সমৰ্থন মূল্যৰ ২০০ টকা বিচাৰি কৃষক হাহাকাৰ

**অসম বাৰ্তা, চেলেংহাট,** অসমৰ কৃষকৰ পৰা খাৰিফ বিপণন বৰ্ষ ২০২৫-২৬ত ক্ৰয় কৰা ধানৰ সমৰ্থন মূল্যক লৈ ৰাজ্যত সৃষ্টি হৈছে নতুন বিতৰ্ক। কেন্দ্ৰীয় চৰকাৰে প্ৰতি কুইণ্টল ধানৰ বাবে ২৩৬৯ টকা সমৰ্থন মূল্য নিৰ্ধাৰণ কৰাৰ বিপৰীতে অসম চৰকাৰে ইয়াৰ ওপৰত অতিৰিক্ত ২০০ টকা প্ৰদান কৰাৰ কথা ঘোষণা কৰিছিল। সেই অনুসৰি অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অনুমোদিত ধান ক্ৰয় কেন্দ্ৰৰ জৰিয়তে কৃষকৰ পৰা ধান ক্ৰয় কৰে। কিন্তু অভিযোগ অনুসৰি, চলিত বৰ্ষৰ ৩১ মাৰ্চৰ পিছত চৰকাৰী ক্ৰয় কেন্দ্ৰত ধান বিক্ৰী কৰা বহু কৃষকে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্ধাৰিত ২৩৬৯ টকা লাভ কৰিলেও অসম চৰকাৰৰ অতিৰিক্ত ২০০ টকা এতিয়াও লাভ কৰা নাই। কৃষকসকলৰ অভিযোগ অনুসৰি, ৩১ মাৰ্চলৈকে ধান বিক্ৰী কৰা কৃষকে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দুয়োটা অংশৰ ধন সময়মতে লাভ কৰিছিল। কিন্তু ৩১ মাৰ্চৰ পিছত ধান বিক্ৰী কৰা কৃষকৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ অতিৰিক্ত ২০০ টকা প্ৰদানত দেখা দিছে অনিশ্চয়তা। ইতিমধ্যে পাঁচ মাহতকৈ অধিক সময় ধৰি প্ৰাপ্য ধন লাভ নকৰাত ক্ষোভিত হৈ পৰিছে কৃষক ৰাইজ। কৃষকসকলে চৰকাৰৰ ওচৰত শীঘ্ৰে বাকী থকা ধনৰাশি মুকলি কৰি দিয়াৰ দাবী জনাইছে। লগতে এই বিষয়টোত মুখ্যমন্ত্ৰী আৰু কৃষিমন্ত্ৰীৰ ব্যক্তিগত হস্তক্ষেপ কামনা কৰিছে কৃষক ৰাইজে। চৰকাৰে বিষয়টো গুৰুত্বসহকাৰে লৈ শীঘ্ৰে প্ৰাপ্য অতিৰিক্ত ২০০ টকা কৃষকৰ একাউণ্টত জমা দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি কৃষক ৰাইজে দাবী জনাইছে।

# জন্মাষ্টমী ভক্তি, সত্ৰীয়া সংস্কৃতি আৰু অসমীয়া সমাজ



হিমাংশু ৰঞ্জন ভূঞা

সনাতন হিন্দু ধৰ্মৰ এক অত্যন্ত পৱিত্ৰ আৰু তাৎপৰ্যপূৰ্ণ উৎসৱ হৈছে শ্ৰীকৃষ্ণ জন্মাষ্টমী। হিন্দু ধৰ্মীয় বিশ্বাস অনুসৰি ভাদ মাহৰ কৃষ্ণ পক্ষৰ অষ্টমী তিথিত ভগৱান বিষ্ণুৰ অষ্টম অৱতাৰ শ্ৰীকৃষ্ণৰ জন্ম হৈছিল। সেয়েহে এই পৱিত্ৰ তিথি 'শ্ৰীকৃষ্ণ জন্মাষ্টমী' হিচাপে সমগ্ৰ দেশতে ভক্তি, শ্ৰদ্ধা আৰু উৎসাহেৰে পালন কৰা হয়। কিন্তু জন্মাষ্টমী কেৱল শ্ৰীকৃষ্ণৰ জন্মস্মৰণৰ এক ধৰ্মীয় উৎসৱ নহয়। ইয়াৰ অন্তৰালত নিহিত হৈ আছে ধৰ্ম, সত্য, ন্যায়, কৰ্তব্য, প্ৰেম আৰু মানৱীয়তাৰ এক গভীৰ জীৱনবোধ।

শ্ৰীকৃষ্ণৰ জীৱন আৰু শ্ৰীমদ্ভগৱদ্‌গীতাৰ অমৰ বাণীয়ে যুগে যুগে মানুহক সত্য আৰু ন্যায়ৰ পথত আগুৱাই যাবলৈ অনুপ্ৰেৰণা যোগাই আহিছে। ধৰ্মৰ অৱনতি আৰু অধৰ্মৰ উত্থান ঘটিলে ধৰ্মৰ প্ৰতিষ্ঠাৰ বাবে ঈশ্বৰৰ অৱতাৰৰ কথা গীতাত ঘোষণা কৰা হৈছে-

'য়দা য়দা হি ধৰ্মসগ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজাম্যহম্।।
-শ্ৰীমদ্ভগৱদ্‌গীতা, ৪/ ৭

অৰ্থাৎ 'হে ভাৰত সন্ততি, যেতিয়াই ধৰ্মৰ হানি বা অধৰ্মৰ বৃদ্ধি হয়, তেতিয়াই মই অৱতাৰ হৈ নিজকে প্ৰকাশ কৰো।' এই দৃষ্টিৰে চালে শ্ৰীকৃষ্ণৰ জন্ম কেৱল এক পৌৰাণিক ঘটনা নহয়। ই অন্যায়ৰ বিৰুদ্ধে ন্যায়, অধৰ্মৰ বিৰুদ্ধে ধৰ্ম আৰু অসত্যৰ বিৰুদ্ধে সত্যৰ জয়ৰ এক চিৰন্তন প্ৰতীক। সেইবাবেই জন্মাষ্টমীৰ প্ৰাসংগিকতা কেৱল ধৰ্মীয় বিশ্বাসৰ মাজতে সীমাবদ্ধ নহয়। ই মানুহৰ নৈতিক আৰু সামাজিক জীৱনতো গভীৰ তাৎপৰ্য বহন কৰে। শ্ৰীকৃষ্ণই কৰ্তব্যৰ প্ৰতি নিষ্ঠা আৰু কৰ্মফলৰ প্ৰতি আসক্তিহীনতাৰ শিক্ষা দি কৈছে-

'কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচন।
মা কৰ্মফলহেতুৰ্ভূৰ্ মা তে সঙ্গোহস্ত্বকৰ্মণি।।
-শ্ৰীমদ্ভগৱদ্‌গীতা, ২/৪৭

অৰ্থাৎ কৰ্ম কৰিবলৈহে তোমাৰ অধিকাৰ আছে। কিন্তু কৰ্মফলত তোমাৰ অধিকাৰ নাই। কৰ্মফলৰ দাতা ঈশ্বৰ। সেইগুণে ফলাকাঙ্ক্ষা কৰি কৰ্মত প্ৰবৃত্ত নহ'বা। সেইবুলি আকৌ নিষ্কৰ্মা হ'বলৈকো তুমি হেঁপাহ নকৰিবা। কৰ্মৰ ফলৰ প্ৰতি অতিৰিক্ত আসক্তি নথকাই এই শিক্ষাৰ মূল কথা। সত্যৰ পক্ষত থিয় দিয়া, অন্যায়ৰ বিৰুদ্ধে সাহসী হোৱা, অহংকাৰ ত্যাগ কৰা আৰু নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰা-এই মূল্যবোধসমূহেই জন্মাষ্টমীৰ অন্তৰ্নিহিত শিক্ষাক জীৱন্ত কৰি তোলে।

অসমীয়া সমাজ-জীৱনত জন্মাষ্টমীৰ তাৎপৰ্য বিশেষভাৱে গভীৰ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে একশৰণ নামধৰ্মৰ জৰিয়তে ভক্তিৰ এক সহজ-সৰল পথ সাধাৰণ মানুহৰ মাজলৈ লৈ আহিছিল। নাম, কীৰ্তন, গীত, নাট আৰু নৃত্যক ভক্তিৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰি তেওঁ ধৰ্মীয় সাধনা আৰু কলা-সংস্কৃতিৰ মাজত এক সুদৃঢ় সম্পৰ্ক গঢ়ি তুলিছিল। পৰৱৰ্তী সময়ত মহাপুৰুষ মাধৱদেৱ আৰু আন বৈষ্ণৱ সাধকসকলৰ সাধনা আৰু সৃষ্টিকৰ্মই এই পৰম্পৰাক অধিক বিস্তাৰ আৰু সুদৃঢ় কৰি তোলে। এই বৈষ্ণৱ ভাৱধাৰাৰ প্ৰভাৱতে অসমৰ সত্ৰ আৰু নামঘৰসমূহ কেৱল উপাসনাৰ স্থান হৈ নাথাকি ধৰ্ম, সাহিত্য, সংগীত, নাট্য, নৃত্য আৰু সামূহিক জীৱনৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে বিকশিত হয়।

শ্ৰীকৃষ্ণক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এই ভক্তি-পৰম্পৰাই অসমীয়া সমাজৰ সাংস্কৃতিক পৰিচয়ক এক স্বকীয় ৰূপ প্ৰদান কৰিছে। সেয়েহে অসমৰ পৰিপ্ৰেক্ষিতত জন্মাষ্টমী ধৰ্মীয় উৎসৱৰ লগতে এক সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰো উৎসৱ হিচাপে প্ৰতিফলিত হৈছে।

জন্মাষ্টমীৰ দিনা অসমৰ সত্ৰ, নামঘৰ আৰু বহু পৰিয়ালত নাম-প্ৰসংগ, নাম-কীৰ্তন, ভক্তিমূলক সংগীত আৰু খোল-তালৰ মধুৰ ছন্দই এক ভক্তিময় পৰিৱেশৰ সৃষ্টি কৰে। বহু ভক্তই উপবাস পালন কৰি, শ্ৰীকৃষ্ণৰ নাম স্মৰণ কৰি, সামূহিক প্ৰাৰ্থনা আৰু নাম-কীৰ্তনত অংশগ্ৰহণ কৰি দিনটো আধ্যাত্মিক সাধনা আৰু ভক্তিৰ মাজেৰে অতিবাহিত কৰে। নিশা কৃষ্ণৰ জন্মক্ষণত নাম-কীৰ্তন, প্ৰাৰ্থনা আৰু অন্যান্য ভক্তিমূলক অনুষ্ঠানৰ মাজেৰে উৎসৱৰ পৰম্পৰাই পূৰ্ণতা লাভ কৰে। অসমীয়া বৈষ্ণৱ সংস্কৃতিৰ অমূল্য সম্পদ হ'ল বৰগীত। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীতত ঈশ্বৰৰ প্ৰতি ভক্তি, আত্মসমৰ্পণ আৰু গভীৰ আধ্যাত্মিক অনুভূতি প্ৰকাশ পাইছে। জন্মাষ্টমীৰ বিভিন্ন অনুষ্ঠানত বৰগীতৰ সুৰ, খোল-তালৰ ছন্দ আৰু ভক্তিমূলক সংগীতে পৰিৱেশক এক বিশেষ আধ্যাত্মিক আৱেশেৰে ভৰাই তোলে। সেয়ে বৰগীতৰ চৰ্চা আৰু সংৰক্ষণ কেৱল এক সংগীত-পৰম্পৰাৰ সংৰক্ষণ নহয়। বৰঞ্চ অসমীয়া বৈষ্ণৱ সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ ধাৰা জীয়াই ৰখাৰো প্ৰয়াস।

জন্মাষ্টমী উপলক্ষে অসমৰ বিভিন্ন নামঘৰ, সত্ৰ আৰু মন্দিৰত নাম-প্ৰসংগৰ লগতে বৰগীত আৰু ঘোষা পৰিৱেশন, সত্ৰীয়া নৃত্য-গীত আৰু অংকীয়া নাটৰ ভাওনা আদি সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। শিশুৰ পৰা যুৱপ্ৰজন্মলৈকে বহুতে এই অনুষ্ঠানসমূহত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। ফলত জন্মাষ্টমীৰ ধৰ্মীয় পৰিৱেশ একে সময়তে সাংস্কৃতিক শিক্ষাৰো এক জীৱন্ত ক্ষেত্ৰত পৰিণত হয়। মহাপুৰুষ শংকৰদেৱৰ অংকীয়া নাটৰ পৰম্পৰাৰ সৈতে ভাওনাৰ বিকাশ গভীৰভাৱে জড়িত। পৌৰাণিক আৰু বৈষ্ণৱ ধৰ্মীয় আখ্যানৰ নাট্যৰূপ ভাওনাই দৰ্শকক মনোৰঞ্জন দিয়াৰ লগতে কাহিনীৰ অন্তৰ্নিহিত নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ সৈতেও পৰিচিত কৰায়। সত্ৰীয়া নৃত্য আৰু গীতেও বৈষ্ণৱ ভাৱধাৰা আৰু পৌৰাণিক আখ্যানৰ ভক্তি-অনুভূতিক নান্দনিক ৰূপত প্ৰকাশ কৰে। ইয়াতেই সত্ৰীয়া সংস্কৃতিৰ এক অনন্য শক্তি নিহিত হৈ আছে, যিয়ে ধৰ্ম, শিক্ষা, শিল্প আৰু মনোৰঞ্জনক পৰস্পৰৰ সৈতে সংযুক্ত কৰি মানুহৰ মাজলৈ মূল্যবোধৰ বাণী কঢ়িয়াই নিয়ে। জন্মাষ্টমীৰ সাংস্কৃতিক অনুষ্ঠানসমূহে এই ঐতিহ্যক জনজীৱনৰ সৈতে পুনৰ সংযোগ ঘটোৱাৰ এক সুন্দৰ সুযোগ সৃষ্টি কৰে।

অসমৰ বৈষ্ণৱ সত্ৰ আৰু নামঘৰৰ সমান্তৰালভাৱে মঠ-মন্দিৰসমূহতো জন্মাষ্টমী নিজা ধৰ্মীয় পৰম্পৰা আৰু আচাৰ-পদ্ধতিৰে পালন কৰা হয়। পৰম্পৰাগত পূজা-পাঠ, মন্ত্ৰোচ্চাৰণ, হোম-যজ্ঞ, বেদমন্ত্ৰ পাঠ আদি বিভিন্ন অনুষ্ঠানৰ জৰিয়তে ভক্তসকলে এই পৱিত্ৰ তিথি উদযাপন কৰে। বহু ভক্তই উপবাস পালন কৰি শ্ৰীকৃষ্ণৰ নাম স্মৰণ আৰু আৰাধনাত দিনটো অতিবাহিত কৰে। নিশা কৃষ্ণৰ জন্মক্ষণত বিশেষ পূজা, অভিষেক, আৰতি আৰু প্ৰসাদ বিতৰণৰ আয়োজন কৰা হয়। ঘণ্টা, শঙ্খ আৰু মন্ত্ৰধ্বনিৰে মন্দিৰৰ পৰিৱেশ ভক্তিৰসেৰে মুখৰিত হৈ উঠে। এই ধৰ্মীয় আচাৰ-অনুষ্ঠানসমূহে জন্মাষ্টমীৰ আধ্যাত্মিক দিশটোক অধিক সমৃদ্ধ কৰে।



অসমীয়া সমাজত নামঘৰৰ ভূমিকা ধৰ্মীয় উপাসনাতে সীমাবদ্ধ নহয়। বিশেষকৈ গ্ৰাম্য সমাজত নামঘৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ। নাম-প্ৰসংগৰ লগতে সামাজিক মত-বিনিময়, সামূহিক অংশগ্ৰহণ, পৰস্পৰৰ সহযোগিতা আৰু সামাজিক সম্প্ৰীতি গঢ়ি তোলাত নামঘৰৰ উল্লেখযোগ্য ভূমিকা আছে। জন্মাষ্টমীৰ দিনা এই সামূহিক চেতনাই অধিক স্পষ্ট ৰূপ লাভ কৰে। শিশু, যুৱক-যুৱতী আৰু বয়োজ্যেষ্ঠ-সকলোৱে নিজৰ সামৰ্থ্য্য অনুসৰি উৎসৱৰ সৈতে জড়িত হয়। কোনোবাই নাম গায়, কোনোবাই খোল-তাল বজায়, কোনোবাই বৰগীত পৰিৱেশন কৰে, কোনোবাই সত্ৰীয়া নৃত্য বা ভাওনাত অংশগ্ৰহণ কৰে আৰু কোনোবাই অনুষ্ঠানৰ ব্যৱস্থাপনাত সহযোগ কৰে। এই সমৱেত অংশগ্ৰহণে সামাজিক সম্পৰ্ক দৃঢ় কৰাৰ লগতে পৰস্পৰৰ প্ৰতি সহযোগিতা, সন্মান আৰু সহমৰ্মিতাৰ ভাৱ বৃদ্ধি কৰে। সেয়েহে জন্মাষ্টমী সামাজিক ঐক্য আৰু সম্প্ৰীতিৰো এক বিশেষ উপলক্ষ হৈ পৰিছে।

আজিৰ আধুনিক ব্যৱস্থাত এই সমৃদ্ধ সাংস্কৃতিক পৰম্পৰাক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাটো আমাৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব। কেৱল উৎসৱৰ দিনা অনুষ্ঠান অনুষ্ঠিত কৰিলেই এই দায়িত্ব শেষ নহয়। শিশুসকল আৰু যুৱপ্ৰজন্মক সত্ৰীয়া নৃত্য, বৰগীত, ভাওনা, খোল-তাল আৰু নাম-প্ৰসংগৰ ইতিহাস, তাৎপৰ্য আৰু অন্তৰ্নিহিত মূল্যবোধৰ সৈতে পৰিচিত কৰাব লাগিব। শিক্ষানুষ্ঠান, সত্ৰ, নামঘৰ, মন্দিৰ আৰু সামাজিক-সাংস্কৃতিক সংগঠনসমূহে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। নিয়মিত প্ৰশিক্ষণ, সাংস্কৃতিক কৰ্মশালা, ভাওনা আৰু বৰগীতৰ অনুষ্ঠান, সত্ৰীয়া নৃত্যৰ চৰ্চা আৰু পৰম্পৰাগত বাদ্যযন্ত্ৰৰ শিক্ষাৰ জৰিয়তে নতুন প্ৰজন্মক এই কলাধাৰাসমূহৰ সৈতে জড়িত কৰিব পাৰি। শিশুসকলক সৰুৰে পৰা নিজৰ সংস্কৃতিৰ সৈতে পৰিচিত কৰালে তেওঁলোকে আনন্দৰ মাজেৰে নিজৰ ঐতিহ্য শিকাৰ সুযোগ লাভ কৰিব। তেতিয়াহে সত্ৰীয়া সংস্কৃতি কেৱল অতীতৰ ঐতিহ্য হৈ নাথাকি নতুন প্ৰজন্মৰ জীৱনৰ সৈতে সংপৃক্ত এক জীৱন্ত পৰম্পৰা হৈ পৰিব।

অসমত আধুনিকতাৰ লগে লগে উৎসৱৰ পালনৰ পদ্ধতিও সলনি হৈছে। প্ৰযুক্তি আৰু সামাজিক মাধ্যমৰ প্ৰভাৱে উৎসৱসমূহক অধিক দৃশ্যমান আৰু ব্যাপক কৰি তুলিছে। কিন্তু কেতিয়াবা ধৰ্মীয় উৎসৱ বাহ্যিক আড়ম্বৰ, প্ৰতিযোগিতা আৰু প্ৰদৰ্শনৰ মাজত সীমাবদ্ধ হৈ পৰাৰ আশংকাও থাকে। জন্মাষ্টমীৰ ক্ষেত্ৰতো এই দিশটোৰ প্ৰতি সজাগ হোৱা প্ৰয়োজন। ধৰ্মীয় উৎসৱৰ প্ৰকৃত সৌন্দৰ্য অতিৰিক্ত ব্যয় বা বাহ্যিক জাকজমকতাত নহয়। ভক্তিৰ গভীৰতা, শৃংখলা, মানৱীয়তা, পৰস্পৰৰ প্ৰতি সন্মান আৰু নৈতিক মূল্যবোধৰ অনুশীলনতেই ইয়াৰ প্ৰকৃত সাৰ্থকতা নিহিত হৈ থাকে। শ্ৰীকৃষ্ণৰ শিক্ষা যদি আমাৰ দৈনন্দিন আচৰণত প্ৰতিফলিত নহয়, তেন্তে কেৱল বাহ্যিক উৎসৱ পালনে জন্মাষ্টমীৰ প্ৰকৃত উদ্দেশ্য পূৰণ কৰিব নোৱাৰে।

পৰিশেষত ক'ব পাৰি যে, জন্মাষ্টমী কেৱল শ্ৰীকৃষ্ণৰ জন্মস্মৃতিৰ উৎসৱ নহয়। ই জীৱনদৰ্শনৰো উৎসৱ। শ্ৰীকৃষ্ণৰ কৰ্মযোগ, সত্য আৰু ন্যায়ৰ শিক্ষা মানুহৰ আচৰণত প্ৰতিফলিত হ'লেহে ভক্তিৰ প্ৰকৃত অৰ্থ উপলব্ধি হ'ব। আনৰ প্ৰতি সন্মান, দুৰ্বলৰ প্ৰতি সহায়, সমাজৰ প্ৰতি দায়িত্ব আৰু সত্যৰ প্ৰতি নিষ্ঠাই হ'ব পাৰে সেই ভক্তিৰ জীৱন্ত প্ৰকাশ। অসমৰ জন্মাষ্টমীৰ বিশেষত্ব হ'ল- ই কৃষ্ণভক্তিক অসমৰ নিজা বৈষ্ণৱ আৰু সত্ৰীয়া সাংস্কৃতিক পৰম্পৰাৰ সৈতে একাত্ম কৰি তুলিছে। মঠ-মন্দিৰৰ পূজা-অৰ্চনা, নামঘৰৰ নাম-প্ৰসংগ, সত্ৰৰ আধ্যাত্মিক পৰিৱেশ, বৰগীতৰ সুৰ, খোল-তালৰ ছন্দ, ভাওনাৰ নাট্যৰূপ আৰু সত্ৰীয়া নৃত্যৰ নান্দনিকতা মিলি অসমীয়া সমাজত কৃষ্ণভক্তিক এক স্বকীয় সাংস্কৃতিক ৰূপ প্ৰদান কৰিছে। ইয়াত ধৰ্ম আছে, কিন্তু ধৰ্মৰ সৈতে সংলগ্ন হৈ আছে সংগীত। ভক্তি আছে, কিন্তু ভক্তিৰ সৈতে জড়িত হৈ আছে নাট্য আৰু নৃত্য। পূজা আছে, কিন্তু পূজাৰ লগতে আছে সামাজিক সম্প্ৰীতি আৰু সামূহিক অংশগ্ৰহণ। অৰ্থাৎ জন্মাষ্টমী অসমত কেৱল এটা ধৰ্মীয় তিথি নহয়- ই ভক্তি, সংস্কৃতি, নৈতিকতা আৰু সামাজিক ঐক্যৰ এক জীৱন্ত উৎসৱ। এই ঐতিহ্য আমাৰ কেৱল অতীতৰ গৌৰৱ নহয়। ই আমাৰ সাংস্কৃতিক পৰিচয় আৰু মূল্যবোধৰ এক জীৱন্ত আধাৰ। সেয়ে জন্মাষ্টমীৰ অন্তৰ্নিহিত ভক্তি, কৰ্তব্যবোধ আৰু মানৱীয় মূল্যবোধক হৃদয়েৰে গ্ৰহণ কৰি বৰগীত, ভাওনা, সত্ৰীয়া নৃত্য-গীত, নাম-প্ৰসংগ আৰু অন্যান্য বৈষ্ণৱ ধৰ্মীয় পৰম্পৰাৰ এই চহকী ঐতিহ্যক নতুন প্ৰজন্মৰ মাজত জীয়াই ৰখাটোৱেই হ'ব জন্মাষ্টমী উদ্‌যাপনৰ প্ৰকৃত সাৰ্থকতা।

# জন্মাষ্টমীৰ গুহ্যতম আধ্যাত্মিক ৰহস্য

দিলীপ কুমাৰ ৰয়

ভাদ মাহৰ কৃষ্ণপক্ষৰ ৰোহিনী নক্ষত্ৰযুক্ত অষ্টমী তিথি ভাৰতৰ ধৰ্ম বুৰঞ্জীত অতি শুভ, মঙ্গলময় আৰু শাশ্বতিক তিথি। এই অষ্টমী তিথি সাধাৰণ তিথি নহয়, ই সনাতন হিন্দুধৰ্মৰ অন্যতম গুৰুত্বপূৰ্ণ তিথি। সনাতন ধৰ্মৰ বৈদিক উৎসৱ হিচাপে বছৰটোৰ উৎসৱৰ ঋতু আৰম্ভ হয় জন্মাষ্টমীৰেই আৰু শেষ হয় দীপাৱলীত। অনন্তকোটি ব্ৰহ্মাণ্ড-নায়ক যিজনে ঈশ্বৰ আত্মাক জন্ম আৰু মৃত্যুৰ চক্ৰৰ পৰা উদ্ধাৰ কৰে, যি জনাৰ প্ৰেৰণাত জগত বাসী অন্তৰ্মুখী হৈ সকলো বিষয়তে উৎকৰ্ষ সাধন কৰি জীৱন চৰিতাৰ্থ কৰিব লাগিছে, সেই জনা ভগৱন্ত শ্ৰীকৃষ্ণৰ আজি জন্মতিথি। দ্বাপৰ যুগৰ শেষৰ ফালে সপ্তম মনু বৈৱস্বত মন্বন্তৰৰ চতুৰ্যুগ ২৮ত ভগৱান শ্ৰীকৃষ্ণ বিষ্ণুৰ অষ্টম অৱতাৰ হিচাপে জন্ম লৈছিল। পূৰ্বজন্মত ভগৱান বিষ্ণুৰ ওচৰত দেৱকী (দৈৱকী নহয় )য়ে বৰ প্ৰাৰ্থনা কৰিছিল যে ভগবানক যেন তেওঁ সন্তানৰূপে লাভ কৰিব পাৰে আৰু যাতে তেওঁৰ প্ৰতি মাতৃস্নেহ উজাৰি দিব পাৰে। সেই অনুসৰি বিষ্ণু কাৰাগৃহত উপস্থিত হৈ দেৱকী আৰু বসুদেবকে দৰ্শন দিয়ে আৰু তেওঁলোকৰ পূৰ্বজন্মৰ তপস্যা সম্পৰ্কে জ্ঞাত কৰে। সেই তপস্যাৰ পুণ্যফলত দেৱকী আৰু বসুদেৱৰ ওচৰলৈ তিনি বাৰ অৱতাৰ লোৱাৰ প্ৰতিশ্ৰুতি দি বিষ্ণুৱে দেৱকীক কৈছিল যে প্ৰথম জন্মত পৃষ্ণীগৰ্ভ ৰূপে, দ্বিতীয় জন্মত বিষ্ণু নিজেই দেৱকী দেৱমাতা অদিতিৰ স্বামীৰূপে থাকি পুত্ৰ উপেন্দ্ৰৰ জন্ম আৰু তৃতীয় জন্মত বামন অৱতাৰ লৈছিল। পূৰ্বজন্মৰ সেই স্মৃতিৰ বিস্মৃতি হোৱা নাছিল দেৱকীৰ। শ্ৰীমদ্ভাগৱত অনুসাৰে ভগৱান বিষ্ণু চতুৰ্ভূজৰূপে শঙ্খ, চক্ৰ, গদা ও পদ্ম ধাৰণ কৰি বসুদেৱ আৰু দেৱকীক দৰ্শন দিয়াত দেৱকী বুজিব পাৰিলে যে তেওঁৰ আসন্ন সন্তান স্বয়ং ভগবান বিষ্ণু। দেৱকীয়ে ভগৱানৰ প্ৰতি স্তুতি আৰম্ভ কৰিলে। দেৱকী বাৎসল্যভাৱে ভগবানকব ভক্তি কৰিলে। দেৱকী ভগবান বিষ্ণুক জিজ্ঞাস কৰিলে যে এনেহেন চতুৰ্ভূজ স্বৰূপ দেখালে তেওঁ কেনেদৰে তেওঁক (ভগৱানক) নিজৰ সন্তান হিচাপে গ্ৰহণ কৰিব বাৰু! ভগৱানৰ ঐশ্বৰ্যময় ৰূপ দেখুৱালে কেনেকৈ তেওঁ নিৰ্মল সন্তান-স্নেহ দেখুৱাব, কেনেকৈ পুত্ৰ হিচাপে শাসন কৰিব? ভগৱানে ভক্তৰ মনৰ ভাৱ বুজি পাই তেওঁৰ যোগমায়া শক্তি ব্যৱহাৰ কৰিলে। যোগমায়াই দেৱকীক ভগৱানৰ দিব্য জন্মৰ কথা পাহৰাই দি শিশু কৃষ্ণৰূপত দেখুৱালে। যোগমায়াই ভগৱানকো পাহৰাই দিলে তেওঁ যে ভগবান আৰু যাতে তেওঁ অন্যান্য শিশুৰ দৰেই মাকৰ ওচৰত অসহায়ভাৱে আত্মসমৰ্পণ কৰি অনাবিল মাতৃস্নেহ অনুভৱ কৰিব পাৰে। শংকৰদেৱে কীৰ্তনৰ শিশুলীলাত কৈছে -

'কৃষ্ণৰূপে দৈৱকীত ভৈল। অৱতাৰ / শঙ্খ চক্ৰ গদা পদ্ম কৰত তোমাৰ/" যেতিয়া অষ্টম মুহূৰ্ত উপস্থিত হৈছিল তেতিয়া মধ্যৰাতি সৰ্বাধিক শুভ লগ্নত কৃষ্ণৰ জন্ম হৈছিল। সেই লগ্নত কেৱল শুভ গ্ৰহৰ দৃষ্টি আছিল। সেই সময়ত ৰোহিণী নক্ষত্ৰ আৰু অষ্টমী তিথিৰ সংযোগত ধৰ্ম আৰু ন্যায় প্ৰতিষ্ঠাৰ বাবে আটাইতকৈ অলৌকিক আৰু শুভ মুহূৰ্ত জয়ন্তী যোগত ৰাতি ঠিক ১২ টাত শূন্যকালত শ্ৰীকৃষ্ণৰ জন্ম হৈছিল। এনেদৰে অষ্টম গৰ্ভত দেৱকীৰ পুত্ৰ কৃষ্ণ হিচাপে মথুৰাৰ কাৰাগাৰত কংসৰ ভগ্নী আৰু বসুদেৱৰ পত্নী দেৱকীৰ উদৰত জন্মগ্ৰহণ কৰি সেই প্ৰতিশ্ৰুতি বিষ্ণুৱে পুৰণ কৰিলে।

আজিৰ পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগয়ে অসীম মহাবিশ্বৰ সৃষ্টকৰ্তা এই পৃথিৱীত মানৱৰূপে অৱতৰণ কৰিছিল আৰু দুৰ্দান্ত লীলাৰে আজিও সকলোকে আকৃষ্ট কৰি আহিছে। গাৱঁৰ ৰাখাল বালকৰ সৰলতাৰে এইহেন কৃষ্ণৰ জীৱন কিন্তু সহজ নাছিল, সহজ নাছিল জন্মকাহিনীও। এই জন্ম কাহিনী আছিল দিব্য ৰহস্যপূৰ্ণ। সেই পৰমপিতাই ভাদ মাহৰ কৃষ্ণপক্ষৰ অষ্টমী তিথিৰ মাজৰাতি ৰাজপুত্ৰ হৈয়ো ৰাজপ্ৰাসাদৰ পৰিৱৰ্তে মথুৰাৰ কংসৰ কাৰাগাৰত দেৱকীৰ গৰ্ভত আৱিৰ্ভাৱ হৈছিল শ্ৰীকৃষ্ণ ৰূপত। গভীৰ ৰাতি চাৰিওদিশ যেতিয়া অন্ধকাৰত শুই আছিল তেতিয়াই জন্মিছিল স্বয়ং ভগৱান কৃষ্ণ ৰূপত আৰু সেই সময়তেই জগতে বাল গোপালক আৰাধনা কৰে।

ভগবৎ পুৰাণ অনুসাৰে, দৈৱবাণী আছিল বসুদেব আৰু দেৱকীৰ অষ্টম সন্তানৰ হাততেই অত্যাচাৰী কংসৰ মৃত্যু হ'ব। এইকথা শুনাৰ পৰাই কংসই কাৰাবন্দী কৰি ৰাখিলে বসুদেৱ-দেৱকীক। ইতিমধ্যে দেৱকীৰ গৰ্ভজাত ছটিকৈ সন্তান বধ কৰিছিল কংস দুৰাচাৰীয়ে। সপ্তম পুত্ৰ বলৰাম যেতিয়া দেৱকীৰ গৰ্ভত স্থিতি হৈছিল তেতিয়া বসুদেৱৰ আন এগৰাকী পত্নী ৰোহিণীৰ গৰ্ভলৈ গৰ্ভসহিতে বলৰামক স্থানান্তৰিত কৰা হ'ল। তাৰ পাছত অষ্টম গৰ্ভৰ সন্তান কৃষ্ণৰ জন্ম হ'ল কংসৰ কাৰাগাৰত মধ্যৰাত্ৰি। হিন্দু ধৰ্ম অনুসাৰে মধ্যৰাত্ৰি হ'ল এনে এক সময় য'ত ধীৰে ধীৰে ৰাতিপুৱাৰ পোহৰৰ আগমন হয়। আন্ধাৰ গুছি নতুন পোহৰৰ সন্ধান দিয়ে। তেনেকৈ কংসৰ অত্যাচাৰৰ অন্ধকাৰ সময় শেষ কৰাৰ বাবে কৃষ্ণ ৰূপী পোহৰৰ আগমন। সমস্ত অন্ধকাৰ দূৰ হৈ পৃথিৱীত যেন নতুন পোহৰৰ ইঙ্গিত বহন কৰে এই কাহিনীয়ে। প্ৰশ্ন হয় পূৰ্ণ চৈতন্যময় ভগৱান শ্ৰীকৃষ্ণ কংস ৰজাৰ বন্দীশালত কঠোৰ কষ্টৰ মাজত জন্ম গ্ৰহণ কৰাৰ ৰহস্য কি? মানৱ জীৱনৰ তামসিক বৃত্তিৰ চৈতন্য প্ৰকাশৰ প্ৰতিবন্ধকসমূহৰ ভিতৰত বহু কষ্ট, বহু চিন্তা, বহু প্ৰলোভন, বহু মায়া, মোহ, ক্ৰোধ, আদিৰে পূৰ্ণ। এইবোৰ মানৱ হৃদয় কংসৰাজৰ বন্দীশালৰ স্বৰূপ। এই হৃদয় বন্দীশালতেই আত্ম-চৈতন্য জাগি উঠে আৰু এয়ে হৈছে বন্দীশালত কৃষ্ণৰ জন্ম ৰহস্য।

ভগৱান শ্ৰীকৃষ্ণ জন্মৰ পাছতেই গোকুললৈ যাব লগা হ'ল আৰু নন্দ-যশোদাৰ স্নেহৰ দুলাল হৈ পৰিল। শংকৰদেৱে কীৰ্তনক কৈছে - "প্ৰসন্ন বদন জ্বলে অলকা তিলক/ বসুদেৱে দেখিলন্ত অদ্ভুত বালক// পৰি দুয়ো প্ৰাণী পাছে কৰিলন্ত স্তুতি। /পিতৃত কহিলা প্ৰভু সমস্ত যুগুতি/ ভৈলা শিশুৰূপ তৈতে প্ৰভু নাৰায়ণ। / কোলে লৈয়া বসুদেৱে লৰিল তেখন/" স্বয়ং ভগৱান শ্ৰীকৃষ্ণ জন্মা মাত্ৰকে গোকুলৰ ৰজা নন্দৰ ঘৰত ৰখাৰ আৱশ্যকতা কি? কংস, কৃষ্ণৰ পৰম শত্ৰু বুলি বসুদেৱৰ বিশ্বাস হৈছিল। কংস শত্ৰুৱে শিশু কৃষ্ণৰ অনিষ্টপাত কৰিব বুলি ভয় হৈছিল পূৰ্বৰ অভিজ্ঞতা অনুসৰি। সেই কাৰণে বসুদেৱে অপত্য প্ৰেমত মুগ্ধ হৈ নন্দৰজাৰ ঘৰত থৈ আহে। কৃষ্ণ যদিও পূৰ্ণ চৈতন্য তথাপি মানৱ জাতিক শিক্ষা দিবৰ অভিপ্ৰায়ে লীলা ক্ৰমে নন্দ ৰজাৰ ঘৰত ডাঙৰ-দীঘল হ'বলৈ ধৰিলে। মানৱ হৃদয়ত যেতিয়া প্ৰথম চৈতন্য ভাৱ জাগে সেই চৈতন্য ভাৱ অতি কোমল আৰু সূক্ষ্ম অৱস্থাত থাকে। এই কোমল চৈতন্যক নানা প্ৰলোভনে অনিষ্ট কৰিবলৈ প্ৰয়াস কৰে। সেই কাৰণে আত্মবোধ হোৱা মাত্ৰকে নিৰাপদ, নিৰ্জন, নিষ্কণ্টক স্থানত ধ্যান, ধাৰণা, সাধনা আদি কৰিলে শিশু আত্মবোধ ক্ৰমে ক্ৰমে দৃঢ় হৈ আহে আৰু অৱশেষত পূৰ্ণত্ব লাভ কৰিবলৈ সমৰ্থ হয়। এয়ে হৈছে কৃষ্ণ নন্দৰজাৰ ঘৰত লালিত-পালিত হোৱাৰ ৰহস্য। সেই কাৰণতেই অনাদি অনন্ত ঈশ্বৰ যশোদাৰ মাতৃ প্ৰেমত বান্ধ খাই পৰিছিল একমাত্ৰ এই জগত উদ্ধাৰৰ নিমিত্তে।

'নামঘোষা'ত মাধৱদেৱে কৈছে - "মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো / ৰসময়ী মাগোহোঁ ভকতি/ সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য/ ভজো হেন দেব যদুপতি/" এই যদুপতি শ্ৰীকৃষ্ণ পূৰ্ণ আনন্দময়, পূৰ্ণ প্ৰেমময়। য়েই পৰা-ভক্তি আৰু এই পৰা-ভক্তিৰ অন্তৰ্নিহিত শক্তি-জাগৰণেই হৈছে শ্ৰীকৃষ্ণৰ জন্ম। প্ৰেম আৰু আনন্দ ভাৱ অন্তৰত জগাবৰ কাৰণেই জন্মাষ্টমী ব্ৰত। শ্ৰীকৃষ্ণৰ ভক্তি ৰহস্যই এনে ভকত সৃষ্টি কৰে বুলিয়েই মানৱ কৃষ্ণ-চৈতন্য জাগৰণ হেতু এই কৃষ্ণাষ্টমী ব্ৰত। শংকৰদেৱে কীৰ্তনতো কৈছে - কৃষ্ণ গোপাল কৰুণাময়, ৰাম ৰাম হৰি। । এয়ে হৈছে জন্মাষ্টমীৰ ধ্যান, ধাৰণা আৰু অৰ্চনা। পৰম ভক্তসকলে অন্তৰতম স্থানত কৃষ্ণ ভকতিৰ পৰমানন্দ উপলব্ধি কৰিবলৈ সমৰ্থ হোৱাই এই জন্মাষ্টমী এই কৃষ্ণাষ্টমী। বিশ্বত চৈতন্য জাগ্ৰত কৰিবলৈ জন্মাষ্টমী ব্ৰত। কৃষ্ণ জন্ম মানেই মানৱ অন্তৰত চৈতন্য সূৰ্য উদয় হোৱা।

ঘোৰ অন্ধকাৰ, বিজুলী-ঢেৰেকনিৰে মেঘাচ্ছন্ন আকাশ আৰু ধাৰাসাৰ বৰষুণৰ প্ৰাকৃতিক পৰিৱেশত ভগৱান শ্ৰীকৃষ্ণৰ জন্ম হৈছিল। কৃষ্ণ চৈতন্যময়, জ্যোতিৰ্ময়। এই জ্যোতিৰ্ময় ভাৱৰ প্ৰকাশ হোৱাৰ সময়ত অৰ্থাৎ ভগৱান কৃষ্ণ জন্মৰ সময়ত জগত মেঘাচ্ছন্ন অন্ধকাৰ হোৱাৰ ৰহস্য কি? জ্যোতি অৰ্থাৎ চমক প্ৰকাশ কৰিব লাগিলে বিশেষ সংঘৰ্ষণৰ আৱশ্যক। বৈজ্ঞানিকসকলে নানান বস্তুৰ সংঘৰ্ষণতহে নানান দীপ্তিময় বস্তু আৱিষ্কাৰ কৰিব পাৰিছে। কলা মেঘে মেঘে ঘৰ্ষণ হ'লে হে বিজুলী চমক ঘটে, দুটা সমজাতীয় বস্তুৰ সংঘৰ্ষণ হ'লেহে অগ্নি স্ফুলিঙ্গ ওলায়। এইদৰে কংসৰ ৰাজ্য যেতিয়া ঘোৰ তামসিক গুণত আবৃত হ'ল, আকাশ মেঘেৰে ঘনীভূত হ'ল, প্ৰকৃত প্ৰেম, আনন্দ নোহোৱা হ'ল। কংসৰাজ্যত শিশুৰূপী নিৰ্মল আনন্দ লোপ পাব ধৰিলে। ফলত নানা ঘাত-প্ৰতিঘাত কংসৰাজ্যত ঘৰ্ষণ সংঘৰ্ষণ হ'ব ধৰিলে। ভীষণ আন্দোলন, আলোড়ন, স্পন্দন হ'ব ধৰিলে। আৰু অৱশেষত মেঘৰ মাজত বিজুলী চমক ওলোৱাদি চৈতন্যময় কৃষ্ণজ্যোতি প্ৰকাশ হ'ল। ঠিক এইদৰে মানৱ জীৱনো যেতিয়া ঘোৰ তম গুণত আবৃত থাকে, সৎ-অসৎ, ধৰ্ম- অধৰ্মৰ নিৰ্ণয় কৰা শক্তি নথকা হয়, তেতিয়া মানৱ অন্তৰত ভীষণ চিন্তাৰ আলোড়ন হয় আৰু হৃদয়ত স্পন্দন-প্ৰতিস্পন্দন হ'বলৈ ধৰে। পৰিণতিত সেই অন্ধকাৰ আঁতৰি পোহৰৰ প্ৰকাশ ঘটে। সেই কাৰণে কৃষ্ণ জন্মাৰ আগতে পৃথিৱীত কংসৰূপী জগতত বিৰাজ কৰি থকা অন্ধকাৰ বুজাবলৈ ঘোৰ অন্ধকাৰ, বিজুলী-ঢেৰেকনিৰে মেঘাচ্ছন্ন আকাশ আৰু ধাৰাসাৰ বৰষুণৰ পৰিৱেশৰ সৃষ্টি হৈছিল।

আন এক আধ্যাত্মিক তথা গুহ্যতম ৰহস্যৰ কথা হ'ল কংসৰজা কৃষ্ণৰ শত্ৰু হৈয়ো কৃষ্ণ কৃপা লাভ কৰাটো। । পৰাক্ৰমী কংস ৰজা হৈছে ঘোৰ তমগুণত মগ্ন থকা মানৱ জীৱনৰ প্ৰতিমূৰ্তি। তম বৃত্তিত কংস ইমান মগ্ন যে সংসাৰৰ ভোগ-বিলাস ত্যাগ কৰি কৃষ্ণৰ হাতত মৃত্যু হ'ব বুলি ভয় খাইছিল। মানুহ যেতিয়া অসাৰ অনিত্য ভোগ-বিলাসৰ আমোদ-প্ৰমোদত মগ্ন থাকে তেতিয়া মৃত্যুৰ কথা ক'লে ভয় খায়। আত্ম-বোধ জন্মিলেই ইন্দ্ৰিয় ভোগ-বিলাস ত্যাগৰ আশঙ্কাত মানৱ অন্তৰত ভয় জন্মে। কৃষ্ণ জন্ম হোৱাৰ বাতৰিয়ে কংসৰজাৰ মনত ভয় সোমাল আৰু তেতিয়াৰ পৰাই কৃষ্ণক শত্ৰু জ্ঞান কৰিবলৈ উঠি-পৰি লাগিল। কৃষ্ণক কেনেকৈ নাশ কৰিব তাৰে চিন্তাত কংস ব্যস্ত হৈ উঠিল। চৈতন্য ভাৱ জাগিবৰ সময়ত মানুহৰ অন্তৰত চয়তান পাপীৰ বিভীষিকাই দেখা দিয়ে। বুদ্ধদেৱে চিন্তাৰ চৰম স্থান পাওঁ পাওঁ হওঁতে, মনৰ মাজৰ চয়তানে নানা প্ৰলোভন দেখুৱাই ব্যাঘাত জন্মাব চেষ্টা কৰিছিল। এই চয়তানেই কংসকো পাইছিল আৰু কৃষ্ণৰ প্ৰতি শত্ৰুতা আচৰণ কৰিবলৈ আৰম্ভ কৰিছিল। জগতত ইপ্সিত বস্তু লাভ কৰাৰ দুটি উপায় আছে। এটি হৈছে অনুকূল আৰু আনটি হৈছে প্ৰতিকূল উপায়। অনুকূল ভাৱেৰে নানা তোষামোদৰ গুণত ইপ্সিত বস্তু লাভ কৰা যায়। প্ৰতিকূল ভাৱটি হৈছে শত্ৰু ভাৱ। শত্ৰুক শাস্তি দিবৰ বাবে শত্ৰুজনৰ চাল-চলন, কাৰ্য্য-কলাপ, গতি- মতি, চলন-ফুৰণ, শয়ন-ভোজন আদি সকলো বিষয়ে পুঙ্খানুপুঙ্খৰূপে অনুসন্ধান কৰে। অনুসন্ধানৰ ফলত শত্ৰুৰ প্ৰতি আকৃষ্ট হৈ শত্ৰুভাৱাপন্ন হয়। কংস ৰজাৰো এনে অৱস্থা হৈ শেষত কৃষ্ণ নাম উচ্চাৰণ কৰি অৱশেষত কৃষ্ণৰ হাতত ধ্বংস হ'ল। অৰ্থাৎ কংসৰূপী ধ্বংসাত্মৰূপক পৰম ব্ৰহ্ম কৃষ্ণই ধ্বংস কৰি জগত জ্যোতিৰ্ময় কৰিলে।

মুঠতে জন্মাষ্টমী উৎসৱ কেৱল ধৰ্মীয় দিশেৰে ভগৱান শ্ৰীকৃষ্ণৰ জন্মদিন হিচাপেই নহয়, তেওঁ শিকাই যোৱা শিক্ষা আৰু মূল্যবোধৰ উদযাপন হিচাপেও পালন কৰা হয়। শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত গীতা প্ৰচাৰ কৰিছিল মহাভাৰতৰ যুদ্ধত, যিটো কেৱল ধৰ্ম আৰু কৰ্তব্যৰ সাৰমৰ্মই নহয়, ই মানৱ জীৱনৰ সম্পূৰ্ণ দিশো শিকাইছিল। জন্মাষ্টমীৰ মূল আধ্যাত্মিক ৰহস্য হ'ল অশুভ শক্তি, অন্যায় আৰু অহংকাৰৰ বিনাশ কৰি মানৱ সমাজত প্ৰেম, সত্য আৰু ধৰ্ম স্থাপনৰ বাবে ভগবান শ্ৰীকৃষ্ণৰ ধৰ্মীয় আবিৰ্ভাৱ। জন্মাষ্টমী উৎসৱক ভগৱান শ্ৰীকৃষ্ণৰ জন্মদিন হিচাপে পালন কৰা হয় যদিও ই কেৱল ধৰ্মীয় উৎসৱ নহয়। এই উৎসৱে আমাক ধৰ্ম, কৰ্তব্য আৰু সত্যৰ পথ অনুসৰণ কৰিবলৈ অনুপ্ৰাণিত কৰে।

# জন্মাষ্টমীৰ আধ্যাত্মিকতা

নিবেদিতা হাজৰিকা

শ্ৰীকৃষ্ণ জন্মাষ্টমী সনাতন ধৰ্মৰ এক অন্যতম পৱিত্ৰ আৰু গুৰুত্বপূৰ্ণ উৎসৱ। অসমীয়া সমাজত জন্মাষ্টমীৰ এক সুকীয়া সাংস্কৃতিক মহত্ত্ব আছে। ব্ৰহ্মাণ্ডৰ ত্ৰাণকৰ্তা তথা জগতৰ অধিপতি বিষ্ণুৰ অৱতাৰ শ্ৰীকৃষ্ণৰ স্মৃতিত এই দিনটো অতি ভক্তি সহকাৰে উদ্‌যাপন কৰা হয়। হিন্দু শাস্ত্ৰ অনুসৰি, ভাদ মাহৰ কৃষ্ণ পক্ষৰ অষ্টমী তিথিত মথুৰাৰ কংসৰ কাৰাগাৰত ভগৱান বিষ্ণুৰ অষ্টম অৱতাৰ হিচাপে শ্ৰীকৃষ্ণৰ জন্ম হৈছিল।

যুগ যুগ ধৰি এই উৎসৱ বা দিনটো অত্যন্ত শ্ৰদ্ধা আৰু ভক্তিৰে পালন কৰি অহা হৈছে। জন্মাষ্টমী মানে এক নিভাজ আধ্যাত্মিক পৰিৱেশ। অসমৰ প্ৰতিখন গাৱঁৰ নামঘৰ আৰু সত্ৰ সমূহত তথা প্ৰতিখন ঘৰতে জন্মাষ্টমী পালন কৰা হয়। সেইদিনা সকলোতে এক অপূৰ্ব পৱিত্ৰ পৰিৱেশ বিৰাজ কৰে। । ব্ৰত, উপবাস, নাম -প্ৰসংগ আৰু ভাগৱত পাঠৰ এক পৱিত্ৰ পৰিৱেশ। জন্মাষ্টমী কেৱল এটা বন্ধৰ দিন বা আনন্দ কৰাৰ মাধ্যম নহয়, ই হ'ল অধৰ্মৰ বিৰুদ্ধে ধৰ্মৰ জয়ৰ প্ৰতীক। জন্মাষ্টমীৰ আত্মিকতাই আমাক অহংকাৰ ত্যাগ কৰি সৰলতা, প্ৰেম আৰু কৰুণাৰ পথত চলিবলৈ অনুপ্ৰাণিত কৰে। এই উৎসৱৰ লগত নিহিত হৈ থকা পৱিত্ৰ আধ্যাত্মিক বাৰ্তা তথা আনন্দময় উদ্‌যাপনে ইয়াক জনপ্ৰিয় কৰি তুলিছে। ই কেৱল এটা দিনৰ উৎসৱ নহয়, ই হ'ল নিজৰ অন্তৰাত্মাক পৱিত্ৰ কৰাৰ এক অনন্য সুযোগ। সমাজত একতা, প্ৰেম তথা ভাতৃত্ববোধৰ বাৰ্তা কঢ়িয়াই অনা এই উৎসৱৰ লগত সংগতি ৰাখি বহু ঠাইত ' দধি মন্থন', কৃষ্ণ নৃত্য আৰু শিশুসকলক সজাই -পৰাই 'কৃষ্ণ'ৰ ৰূপ দি শিশু কৃষ্ণৰ ৰূপ -লাৱণ্য ৰোমন্থন কৰা হয়। বহু ঠাইত কৃষ্ণ সজোৱা প্ৰতিযোগিতা আদিও অনুষ্ঠিত কৰা হয়। জন্মাষ্টমীৰ পিছৰ দিনটো 'নন্দোৎসৱ' হিচাপে পালন কৰা হয়। কৃষ্ণৰ জন্মৰ আনন্দত নন্দৰজাৰ ঘৰত হোৱা উল্লাসৰ প্ৰতীক হিচাপে এই উৎসৱ পালন কৰা এই উৎসৱে সকলোকে আনন্দ প্ৰদান কৰে।

জন্মাষ্টমী এক সাত্বিক আৰু অনাড়ম্বৰ ভাৱে পালন কৰা উৎসৱ, য'ত আধ্যাত্মিক ভাৱ অধিক ভাৱে যুক্ত হৈ থাকে। কিন্তু সময়ৰ লগে-লগে এই দিন বা উৎসৱটিত আধুনিকতাৰ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। আধুনিক আৰু জাকজমকতাই ইয়াত লাহে-লাহে স্থান আৰু গুৰুত্ব পাব ধৰিছে। আধুনিক কিছুমান সাধনৰ ফলত সাত্বিক ভাৱে পালন কৰা উৎসৱটিত অধিক আকৰ্ষণীয়, বিশ্বজনীন আৰু প্ৰাণৱন্ত হৈ পৰিছে। ইয়াৰ জৰিয়তে বিশ্বৰ যিকোনো প্ৰান্তত থকা অসমীয়াই নিজৰ সংস্কৃতিৰ সৈতে জড়িত হৈ থকাৰ সুবিধা পাইছে। কিন্তু ইয়াৰ সমান্তৰালকৈ পৰম্পৰাগত নাম-প্ৰসংগৰ যি সৰলতা, পৱিত্ৰতা আৰু আধ্যাত্মিক গভীৰতা আছিল সেয়া যেন আধুনিকতাৰ কৱলত আৰু ব্যৱসায়িকৰণৰ ফলত কিছু পৰিমাণে ম্লান পৰিব ধৰিছে। নতুন প্ৰজন্মৰ বহুলাংশই জন্মাষ্টমীৰ আধ্যাত্মিক তত্ত্ব বা গুৰুত্ব উপলব্ধি কৰাতকৈ ইয়াৰ বাহ্যিক জাকজমকতা আৰু আনন্দ-উল্লাসৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। আধ্যাত্মিক আত্ম শুদ্ধি বা ভক্তিৰ পৰিৱৰ্তে এই উৎসৱটিত বাহ্যিক জাকজমকতাই অধিক গুৰুত্ব পাব ধৰিছে। অসমীয়া সংস্কৃতিৰ আধ্যাত্মিক আৰু সম্প্ৰীতিৰ এক অনন্য সুন্দৰ নিদৰ্শন এই জন্মাষ্টমীৰ লগত যি আধ্যাত্মিকতা, লোকাচাৰ আদি জড়িত হৈ আছে সেই সমূহ অতিৰঞ্জিত কৰা উচিত নহয় বা অত্যধিক বাহ্যিকতাৰ প্ৰভাৱত বিকৃত কৰাও উচিত নহয়। কিয়নো, যুখ-যুগ ধৰি এই উৎসৱটি ভক্তসকলে অতি উলহ-মালহেৰে পালন কৰি আহিছে। কেৱল অসম বুলিয়ে নহয়, ভাৰতৰ অন্যতম প্ৰধান আৰু পৱিত্ৰ উৎসৱ শ্ৰীকৃষ্ণৰ জন্মাষ্টমীক লৈ সাম্প্ৰতিক সময়ত অভূতপূৰ্ব উৎসাহ আৰু আগ্ৰহ বৃদ্ধি পোৱা দেখা গৈছে। সামাজিক একতা, মানসিক শান্তি তথা আধ্যাত্মিক ভাৱ জাগ্ৰত কৰাৰ ক্ষেত্ৰত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী এক অন্যতম উৎসৱ, যিয়ে সমাজত ব্যাপক সুপ্ৰভাৱ পেলায়।

## তিনিচুকীয়াৰ গেলাপুখুৰীত কিষাণ সন্মান-সজাগতা অনুষ্ঠান সম্পন্ন

# যান্ত্ৰিকীকৰণে খেতিৰ উৎপাদনশীলতা আৰু লাভালাভ বৃদ্ধি কৰিব পাৰেঃ বিধায়ক পুলক গোহাঁই



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ ছেপ্টেম্বৰ ঃ** কৃষি খণ্ডত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ আৰু যান্ত্ৰিকীকৰণৰ জৰিয়তে খেতিয়কসকলক অধিক উৎপাদনশীলতা আৰু লাভজনকতাৰ দিশলৈ আগুৱাই নিয়াৰ উদ্দেশ্যে বুধবাৰে তিনিচুকীয়াৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত গেলাপুখুৰীত এক দিনজোৰা "কিষাণ সন্মান-তথা-সজাগতা অনুষ্ঠান" সম্পন্ন হৈ যায়। ষ্টিল ইণ্ডিয়া লিমিটেড (STIHL India Ltd) আৰু ভাৰত ইলেট্ৰ'ডছ লিমিটেডৰ পৃষ্ঠপোষকতাত তথা ষ্টিল ইণ্ডিয়াৰ শতবৰ্ষ উদযাপনৰ অংশ হিচাপে আয়োজিত এই কাৰ্যসূচীত কৃষি আৰু আনুষঙ্গিক খণ্ডত আধুনিক কৃষি যন্ত্ৰপাতিৰ ব্যৱহাৰ সম্পৰ্কে গুৰুত্বপূৰ্ণ সজাগতা সত্ৰ আৰু প্ৰদৰ্শন অনুষ্ঠিত কৰা হয়। যোৰহাটস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়ৰ তত্ত্বাৱধানত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি তিনিচুকীয়াৰ বিধায়ক পুলক গোহাঁয়ে খেতিয়কসকলৰ মাজত যান্ত্ৰিকীকৰণৰ প্ৰচলন ত্বৰান্বিত কৰিবলৈ ষ্টিল ইণ্ডিয়া লিমিটেডক গাঁও পৰ্যায়ত প্ৰদৰ্শনী আৰু সজাগতামূলক কাৰ্যসূচী হাতত ল'বলৈ আহ্বান জনায়। লগতে তেওঁ কৃষক সমাজৰ সৰ্বাংগীণ কল্যাণৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰ তিনিচুকীয়া আৰু সহযোগী প্ৰতিষ্ঠানসমূহৰ এই প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত আগবঢ়োৱা ভাষণত কে.ভি.কে. তিনিচুকীয়াৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ড° হেমচন্দ্ৰ শইকীয়াই কয় যে সময়োপযোগী আৰু উপযুক্ত যান্ত্ৰিকীকৰণে খেতিয়কসকলৰ উৎপাদন ব্যয় হ্ৰাস কৰাৰ লগতে উৎপাদনশীলতা আৰু আয় বৃদ্ধি কৰাত সহায় কৰিব। ইয়াৰ জৰিয়তে কৃষিকৰ্মক অধিক কাৰ্যক্ষম আৰু বাণিজ্যিকভাৱে লাভজনক কৰি তুলিব পাৰি বুলি তেওঁ মত প্ৰকাশ কৰে। কৃষি বিজ্ঞান কেন্দ্ৰৰ এই কাৰ্যসূচীত জিলা কৃষি বিষয়া ৰজিত দত্ত, মুখ্য বিজ্ঞানী ড° ৰাজকুমাৰ কাকতি, তিনিচুকীয়া আৰু মাকুমৰ বিধায়কদ্বয়ৰ প্ৰতিনিধি ক্ৰমে খগেন গগৈ আৰু নগেন কুমাৰ উপস্থিত থাকে। তদুপৰি ষ্টিল ইণ্ডিয়া লিমিটেডৰ আঞ্চলিক মুৰব্বী ধীৰাজ কুমাৰ সাৰিতা, মাণ্ডলিক মুৰব্বী মৃত্যুঞ্জয় দে, জ্যেষ্ঠ বিক্ৰী অভিযন্তা অনন্যা দত্ত আৰু ভাৰত ইলেট্ৰ'ডছৰ প্ৰতিনিধি ৰৌনক জৈইনেও অংশগ্ৰহণ কৰি কৃষকসকলক দিকনিৰ্দেশনা আগবঢ়ায়। অনুষ্ঠানৰ এক আকৰ্ষণীয় দিশ আছিল সফল কৃষকক সম্বৰ্ধনা। কৃষি আৰু আনুষঙ্গিক খণ্ডত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ পাঁচগৰাকী আদৰ্শ কৃষকক ফুলাম গামোচা আৰু প্ৰশংসা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৮৪ গৰাকী কৃষক আৰু অন্যান্য অংশীদাৰৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচী সফল কৰি তোলাত কে.ভি.কে. তিনিচুকীয়াৰ বিজ্ঞানী আৰু কৰ্মচাৰীসকলে বিশেষ ভূমিকা পালন কৰে।

# শোণিতপুৰত ডিজিটেল সাৰ বিতৰণ ব্যৱস্থা 'FFS' মুকলি

## এতিয়াৰে পৰা কৃষকৰ ম'বাইলতে হ'ব সাৰ বুকিং

**অসম বাৰ্তা, তেজপুৰ সদৰ, ৪ ছেপ্টেম্বৰ ঃ** কৃষকসকলৰ সুবিধাৰ্থে আৰু সাৰ বিতৰণ প্ৰক্ৰিয়া অধিক স্বচ্ছ, ক্ষিপ্ৰ তথা নিয়ন্ত্ৰিত কৰি তোলাৰ লক্ষ্যৰে শোণিতপুৰ জিলা প্ৰশাসনৰ সৌজন্যত আৰু জিলা কৃষি বিভাগৰ উদ্যোগত জিলাখনত আনুষ্ঠানিকভাৱে 'ফ্ৰেমৱৰ্ক ফৰ ফাৰ্টিলাইজাৰ চেল' (FFS) নামৰ ডিজিটেল ব্যৱস্থাটোৰ শুভাৰম্ভ কৰা হৈছে। আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত আয়োজিত এক কাৰ্যসূচীত শোণিতপুৰ জিলাৰ আয়ুক্ত আনন্দ কুমাৰ দাসে এই অভিলাষী প্ৰণালীটো আনুষ্ঠানিকভাৱে মুকলি কৰে। কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ দ্বাৰা বিকশিত এই বিশেষ ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে কৃষকসকলে নিজৰ ম'বাইল এপ্লি-কেচনৰ সহায়তে চৰকাৰী ৰাজসাহায্যযুক্ত সাৰৰ বাবে অগ্ৰিম বুকিং কৰিব পাৰিব। কৃষকসকলে ঘৰতে বহি নিজৰ পচন্দৰ বিক্ৰী কেন্দ্ৰ বা খুচুৰা দোকান নিৰ্বাচন কৰি সাৰ সংগ্ৰহ কৰাৰ অনন্য সুবিধা লাভ কৰিব, যাৰ ফলত দীঘলীয়া শাৰী পাতি থকাৰ সমস্যা দূৰ হ'ব আৰু সঠিক সময়ত সাৰৰ যোগান নিশ্চিত হ'ব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে কয় যে এই নতুন ডিজিটেল ব্যৱস্থাই জিলাখনৰ সাৰ বিতৰণ প্ৰক্ৰিয়াত ব্যাপক স্বচ্ছতা আনিব, কৃত্ৰিম নাটনি ৰোধ কৰাত প্ৰশাসনক সহায় কৰিব। ইয়াৰ লগতে তেওঁ সাৰ বিক্ৰেতাসকলক চৰকাৰী নিয়ম আৰু এফএফএছ (FFS)ৰ নীতি-নিৰ্দেশনা সঠিকভাৱে পালন কৰিবলৈ আহ্বান জনায়। এই প্ৰক্ৰিয়াত কৃষকসকলে পঞ্জীয়ন কৰাৰ পিছত তেওঁলোকৰ ম'বাইলত এটা সুকীয়া কিউআৰ (QR) ক'ড প্ৰস্তুত হ'ব। সেই ক'ডটো নিৰ্বাচিত বিক্ৰী কেন্দ্ৰত দেখুৱাই আধাৰভিত্তিক বায়'মেট্ৰিক প্ৰমাণীকৰণৰ জৰিয়তে কৃষকসকলে অতি নিৰাপদ আৰু সহজভাৱে সাৰ ক্ৰয় কৰিব পাৰিব। উক্ত শুভাৰম্ভণী অনুষ্ঠানত জিলাখনৰ বিধায়কসকলৰ প্ৰতিনিধিসকল উপস্থিত থাকি আঁচনিখন সফল কৰাত পূৰ্ণ সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। অনুষ্ঠানত জিলা কৃষি বিষয়া প্ৰদীপ তালুকদাৰ, জিলা তথ্য আৰু জনসংযোগ বিষয়া অংকিতা গগৈ, জিলা কৃষি বিভাগৰ অন্যান্য বিষয়ববীয়াসকলৰ লগতে, খুচুৰা আৰু পাইকাৰী সাৰ বিক্ৰেতা সন্থাৰ বিষয়ববীয়া আৰু স্থানীয় বিক্ৰেতাসকল, নিৰ্বাচিত কেইবাগৰাকীও কৃষক উপস্থিত থাকি কাৰ্যসূচীখন সফল কৰি তোলে। জিলা কৃষি বিভাগে জিলাখনৰ প্ৰতিগৰাকী কৃষকক এই ডিজিটেল সেৱাৰ সুফল গ্ৰহণ কৰিবলৈ আৰু নিজৰ নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে। আঁচনিখনৰ সবিশেষ তথ্য আৰু পঞ্জীয়ন প্ৰক্ৰিয়াৰ সহায়ৰ বাবে কৃষকসকলে নিজৰ অঞ্চলৰ কৃষি সম্প্ৰসাৰণ সহায়ক, কৃষি উন্নয়ন বিষয়াসকলৰ সৈতে যোগাযোগ কৰিব পাৰিব। লগতে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আৰু পুষ্টি অভিযান আৰু উত্তৰ-পূব আৰু হিমালয় অন্তৰ্গত ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান আঁচনিৰ জিলা পৰ্যায়ৰ পৰীক্ষণ সমিতিৰ বৈঠক অনুষ্ঠিত হয়।

## চোৰাং গৰু সৰবৰাহত ব্যৱহৃত কেণ্টাৰ বাহনসহ বহু গৰু উদ্ধাৰ; দুজনক আটক

# মিকিৰভেটা আৰক্ষীৰ বৃহৎ সফলতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষীয়ে চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ সফলতা লাভ কৰিছে। অভিযানকালত আৰক্ষীয়ে চোৰাং গৰু সৰবৰাহত ব্যৱহৃত এখন কেণ্টাৰ বাহনসহ বহু সংখ্যক গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, গোপন সূত্ৰৰ ভিত্তিত মিকিৰভেটা আৰক্ষীয়ে অভিযান চলাই AS 01 KC 0574 নম্বৰৰ বাহনখন জব্দ কৰে। বাহনখনত অবৈধভাৱে গৰু সৰবৰাহ কৰাৰ অভিযোগ উত্থাপিত হৈছে। অভিযানত বাহনখনৰ পৰা বহু সংখ্যক গৰু উদ্ধাৰ কৰাৰ লগতে ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত দুজন লোকক আৰক্ষীয়ে আটক কৰে। আটকাধীন দুজনক মিকিৰভেটা থানালৈ লৈ গৈ সোধা-পোছা অব্যাহত ৰাখিছে আৰক্ষীয়ে। গৰুসমূহ ক'ৰ পৰা অনা হৈছিল আৰু ক'লৈ সৰবৰাহ কৰাৰ পৰিকল্পনা কৰা হৈছিল, সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, মৰিগাঁও জিলাৰ বিভিন্ন পথেৰে দীৰ্ঘদিন ধৰি চোৰাংভাৱে গৰু সৰবৰাহ চলি থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। এনে অবৈধ সৰবৰাহৰ বিৰুদ্ধে মিকিৰভেটা আৰক্ষীৰ অভিযান অব্যাহত থাকিব বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে। আটকাধীন লোক দুজনৰ জেৰাৰ পিছত এই চক্ৰটোৰ সৈতে জড়িত আন লোকৰ সন্ধান ওলোৱাৰ সম্ভাৱনা আছে।

## হাউলীত আৰক্ষীৰ অভিযানত হীৰাৰ টুকুৰা জব্দ; পাঁচ যুৱকক আটক

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৪ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ হাউলীত আৰক্ষীয়ে অভিযান চলাই এটা সন্দেহজনক হীৰাৰ টুকুৰা জব্দ কৰাৰ লগতে পাঁচগৰাকী যুৱকক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, AS 01 TC 0939 নম্বৰৰ এখন অল্টো বাহনেৰে লখিমপুৰৰ পৰা হাউলীলৈ সন্দেহজনক হীৰাৰ টুকুৰাটো বিক্ৰীৰ উদ্দেশ্যে অনা হৈছিল বুলি আৰক্ষীৰ প্ৰাথমিক তদন্তত পোহৰলৈ আহিছে। গোপন সূত্ৰৰ ভিত্তিত হাউলী আৰক্ষীয়ে অভিযান চলাই বাহনখন ৰখাই তালাচী চলোৱাৰ সময়তে সন্দেহজনক হীৰাৰ টুকুৰাটো উদ্ধাৰ কৰে। এই ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে লখিমপুৰৰ হাফিজ উদ্দিন আৰু বাবুল ইছলাম, লগতে বৰপেটাৰ ভেল্লাৰ মোজাম্মিল মিয়া, শ্বফিকুল আলী আৰু ছানিদুৰ ৰহমান নামৰ পাঁচগৰাকী যুৱকক আটক কৰে। ইফালে, জব্দ কৰা হীৰাৰ টুকুৰাটো প্ৰকৃততে মূল্যৱান প্ৰাকৃতিক হীৰা নে নকল সামগ্ৰী, সেই বিষয়টো এতিয়াও নিশ্চিত হোৱা নাই। আৰক্ষীয়ে জব্দকৃত সামগ্ৰীৰ বৈজ্ঞানিক পৰীক্ষা তথা অন্যান্য আনুষ্ঠানিক তদন্তৰ জৰিয়তে ইয়াৰ প্ৰকৃত পৰিচয় নিৰ্ণয়ৰ চেষ্টা অব্যাহত ৰাখিছে। ঘটনাটোৰ আঁৰত কোনো বৃহৎ চক্ৰ জড়িত আছে নেকি, হীৰাৰ টুকুৰাটো ক'ৰ পৰা অনা হৈছিল আৰু ইয়াক কাক বিক্ৰী কৰাৰ উদ্দেশ্যে হাউলীলৈ অনা হৈছিল— এই সকলো দিশ সামৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে জব্দকৃত সামগ্ৰীটোৰ প্ৰকৃত মূল্য, উৎস আৰু ঘটনাটোৰ সৈতে জড়িত আন কোনো তথ্য স্পষ্ট হোৱাৰ সম্ভাৱনা আছে।

# ডুমডুমাত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ দাবীত শৱযাত্ৰা ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ

## যোগান মন্ত্ৰী কৌশিক ৰয়ৰ পদত্যাগৰ দাবী



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে ডুমডুমাতো ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাই খাদ্যবস্তুকে ধৰি অত্যাৱশকীয় সামগ্ৰীৰ দাম বৃদ্ধিৰ প্ৰতিবাদত আৰু দাম হ্ৰাস কৰাৰ দাবীত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ শৱযাত্ৰাৰে আজি এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ পৰা আৰম্ভ কৰা এই শৱযাত্ৰা চহৰখনৰ মাজমজিয়াত অৱস্থিত গান্ধীমূৰ্তিৰ সমীপৰ পৰা উভতি আহি অসম ৰাজ্যিক পৰিবহণ নিগম বাছ আস্থানৰ সন্মুখত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত প্ৰতীকী শৱটো দাহ কৰি প্ৰতিবাদ সামৰে। 'অসম চৰকাৰ হায় হায়', 'যোগান মন্ত্ৰীৰ কাম নাই', 'মূল্যবৃদ্ধি ৰোধ কৰক' ইত্যাদি একাধিক চৰকাৰ বিৰোধী শ্লোগান দি পৰিৱেশ উত্তাল কৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিৰাজ গোঁহাই আৰু সাধাৰণ সম্পাদক সমুজ্জ্বল বড়া সোণোৱাল কয় যে, বৰ্তমানৰ বিজেপি চৰকাৰখনে সমগ্ৰ ৰাজ্যখনকে পুঁজিপতিৰ হাতত গতাই দিছে। যাৰ পৰিণতিত ধনী শ্ৰেণী আৰু অধিক ধনী হৈ গৈছে আৰু দুখীয়া তথা মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ ক্ৰমান্বয়ে পানীত হাঁহ নচৰা এটা অৱস্থা হৈছে। খাদ্য সামগ্ৰী তথা অত্যাৱশ্যকীয় সামগ্ৰীৰ প্ৰতিদিনে হোৱা মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক একেবাৰে কোঙা কৰি পেলাইছে। বিজেপি দলে নিৰ্বাচনৰ সময়ত অসমত বিজেপিৰ নেতৃত্বত দুখীয়া ৰাইজৰ বাবে চিন্তা কৰা আৰু কাম কৰা এখন চৰকাৰ গঠন কৰিব বুলি কৈছিল। কিন্তু শাসনৰ গাদীত বহাৰ পাছত দেখা গৈছে যে, এইখন আচলতে বণিয়াৰ স্বাৰ্থত কথা কোৱা বা কাম কৰা এখন চৰকাৰ। দুখীয়া শ্ৰেণীৰ ৰাইজৰ মাজত কেৱল দুখনমান আঁচনি ঘোষণা কৰাতোকে দুখীয়াৰ কথা চিন্তা কৰা চৰকাৰ বুলি কেতিয়াও ক'ব নোৱাৰি। ৰাজ্যখনত এটা বিয়াগোম যোগান বিভাগ থকাৰ পাছতো এতিয়া খাদ্য সামগ্ৰী তথা অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ কৰে পুঁজিপতি গোষ্ঠীয়ে। সেয়ে অসম চৰকাৰৰ যোগান মন্ত্ৰী কৌশিক ৰয়ক এগৰাকী কাম নাইকিয়া মন্ত্ৰী বুলি অভিহিত কৰি অতিশীঘ্ৰে তেওঁৰ পদত্যাগ কৰা দাবী তোলে দুয়োগৰাকী নেতাই। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক অমৃত পাল সিঙকেপ্ৰমুখ্য কৰি ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া, আঞ্চলিকৰ অন্তৰ্গত শাখাসমূহৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে।

# অত্যাৱশ্যকীয় সামগ্ৰীৰ দামবৃদ্ধিৰ বিৰুদ্ধে ভূৰবন্ধাত আছুৰ প্ৰতিবাদ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৪ ছেপ্টেম্বৰ ঃ** খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ শৱযাত্ৰা কাৰ্যসূচী মৰিগাঁও জিলাৰ ভূৰবন্ধাতো অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে ভূৰবন্ধা আঞ্চলিক ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে বৃহস্পতিবাৰে ভূৰবন্ধা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত খাদ্যবস্তুৰ লগতে নিত্যব্যৱহাৰ্য অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত এক অভিনৱ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদকাৰীসকলে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ প্ৰতীকী শৱযাত্ৰা উলিয়াই মূল্যবৃদ্ধিৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। সাম্প্ৰতিক সময়ত চাউল, দাইল, শাক-পাচলি, তেল, মছলাকে ধৰি বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি পোৱাত সাধাৰণ ৰাইজ বিশেষকৈ নিম্ন আৰু মধ্যবিত্ত পৰিয়ালসমূহে যথেষ্ট সমস্যাৰ সন্মুখীন হোৱা বুলি ছাত্ৰ নেতাসকলে অভিযোগ কৰে। প্ৰতিবাদকাৰীসকলে চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য শীঘ্ৰে হ্ৰাস কৰাৰ দাবী উত্থাপন কৰে। লগতে বজাৰত সামগ্ৰীৰ কৃত্ৰিম মূল্যবৃদ্ধি ৰোধ কৰা, অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ দাবী জনায়। ভূৰবন্ধা আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বই কয় যে, মূল্যবৃদ্ধিৰ ফলত সাধাৰণ জনতাৰ জীৱন-জীৱিকা ক্ৰমাৎ কঠিন হৈ পৰিছে। চৰকাৰে বিষয়টো গুৰুত্বসহকাৰে লৈ শীঘ্ৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ নকৰিলে আগন্তুক দিনত অধিক গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে ছাত্ৰ সন্থাই।

# বকোৰ গামেৰীমূৰা আৰক্ষী পহৰা চকীত চাঞ্চল্যকৰ ঘটনা আৰক্ষীৰ গুলীত নিহত দুই সতীৰ্থ আৰক্ষী

**অসম বাৰ্তা, বকো, ৪ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ বকোত সংঘটিত ৰাজ্য জোঁকাৰি যোৱা চাঞ্চল্যকৰ ঘটনা। বকো আৰক্ষী থানাৰ অন্তৰ্গত গামেৰীমূৰা আৰক্ষী পহৰা চকীত সংঘটিত হয় এই ঘটনা। ঘটনাৰ বিৱৰণী অনুসৰি, আৰক্ষী জোৱান চিৰঞ্জীৱ চৌধুৰীয়ে গুলীয়াই হত্যা কৰে পহৰা চকীখনৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ দায়িত্বত থকা লেন্স নায়ক ইন্দ্ৰজিৎ বৰা আৰু বেটেলিয়ন হাবিলদাৰ ফজৰুল আলীক। পুৱা প্ৰায় ৫ বজাত আৰক্ষী চকীখনৰ চৰকাৰী আৱাসৰ দ্বিতীয় মহলাত সংঘটিত এই ভয়ংকৰ ঘটনা পোহৰলৈ অহাৰ পিছতে সমগ্ৰ অঞ্চলটোত বিৰাজ কৰে তীব্ৰ চাঞ্চল্য। জানিব পৰা মতে, ২৯ নং বেটেলিয়নৰ কৰ্মৰত চিৰঞ্জীৱ চৌধুৰী নামৰ জোৱানজনে এ কে চিৰিজৰ বন্দুকেৰে (ৰাইফল) গুলীচালনা সংঘটিত কৰা জোৱানজনক গ্ৰেপ্তাৰ কৰা হয়। ঘটনা সন্দৰ্ভত মৃতকৰ পৰিয়ালে কান্দি কান্দি ক্ষোভ উজাৰি কয় যে ঘটনাস্থলীত মদ বা সুৰাৰ বটল আৰু তাছ পাত সিচৰিত হৈ থকা দেখা পাইছে। ইফালে কি পৰিস্থিতিত বা কি কাৰণত এই ঘটনা সংঘটিত হ'ল, সেয়া এইপৰ্যন্ত জানিব পৰা হোৱা নাই। দুগৰাকী আৰক্ষীৰ এনে আকস্মিক হত্যাকাণ্ডত মৃত্যুৰে সমগ্ৰ মালাং গামেৰীমুৰা অঞ্চলত শংকা আৰু তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উচ্চ পৰ্যায়ৰ তদন্তৰ পিছতহে এই ঘটনাৰ আচল সত্য পোহৰলৈ আহিব। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষীৰ উচ্চপদস্থ বিষয়াই ঘটনাৰ বুজ লৈ আছে। প্ৰকাশ্য যে, ফৰেনছিক পৰীক্ষাৰ উপৰিও মৰণোত্তৰ পৰীক্ষাৰ পিছতহে হত্যাকাণ্ডৰ প্ৰকৃত ৰহস্য পোহৰলৈ আহিব বুলি আশা কৰিব পাৰি। আনহাতে আৰক্ষীৰ জনোৱা অনুসৰি নিহত আৰক্ষী বিষয়া ইন্দ্ৰজিৎ বৰাৰ ঘৰ কামৰূপ জিলাৰ চাংসাৰিত আৰু হাৱালদাৰ ফজৰুল আলীৰ ঘৰ বৰপেটা জিলাৰ কলগাছিয়াত। লগতে ঘাটক জোৱানজনৰ ঘৰ ধুবুৰীত। এই ঘটনাৰ পিছতে স্থানীয় ৰাইজে ক'বলৈ বাধ্য হৈছে যে আৰক্ষীৰ পহৰা চকীত খোদ আৰক্ষীয়ে সুৰক্ষিত নহয় সাধাৰণ লোকৰ সুৰক্ষা ক'ত বুলিও প্ৰশ্ন উত্থাপন কৰে।

# নৌকা এম্বুলেন্স'ৰ নামত

লৈছিল মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু দুৰ্যোগ ব্যৱস্থাপনা মাজুলী জিলা বিষয়া দিব্যজ্যোতি শইকীয়াই। প্ৰতিকূল বতৰ, ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁত আৰু দুৰূহ পৰিস্থিতিৰ মাজতো এছডিআৰএফৰ দলে পৰিয়ালৰ সহযোগত একেৰাহে চাৰিদিন ধৰি উদ্ধাৰ অভিযান চলাইছিল যদিও কোনো সফলতা লাভ কৰা নাছিল। অৱশেষত আজি এগৰাকী মাছমৰীয়াই মাজুলী-যোৰহাট সংযোগী দলংৰ চচ নং খুঁটাৰ ওচৰৰ এটা বালিচটত এটা মৃতদেহ লাগি থকা দেখা পাই খবৰ দিয়ে। ইয়াৰ পিছতে এছডিআৰএফৰ দল পৰিয়ালৰ লোক সহ ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। পিছত মাধৱ দাসৰ কনিষ্ঠ ভাতৃয়ে মৃতদেহটো চিনাক্ত কৰে। ইয়াৰ পিছতে মৃতদেহ গড়মূৰস্থিত পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। মৰণোত্তৰ পৰীক্ষাৰ আনুষ্ঠানিকতা সম্পন্ন হোৱাৰ পিছত মৃতদেহ শদিয়াস্থিত নিজ গৃহলৈ নিয়া হ'ব বুলি জানিব পৰা গৈছে। মাধৱ দাসৰ অকাল মৃত্যুত তেওঁৰ পৰিয়ালৈ গভীৰ শোক নামি আহিছে। তেওঁ পত্নী, এগৰাকী পুত্ৰ আৰু এগৰাকী কন্যাক এৰি থৈ গৈছে।

**নৌকা এম্বুলেন্স নে মাজি নাও?**

এই মৰ্মান্তিক ঘটনাৰ পিছতে ১০৮ নৌকা এম্বুলেন্স সেৱাৰ বাস্তৱ ছবিখন পুনৰ পোহৰলৈ আহিছে। স্থানীয় লোক আৰু মৃতকৰ পৰিয়ালৰ অভিযোগ অনুসৰি, অত্যাধুনিক নৌকা এম্বুলেন্সৰ পৰিৱৰ্তে এখন সাধাৰণ মাজি নাওত ৰোগী কঢ়িয়াই নিয়াৰ ব্যৱস্থা কৰি অহা হৈছিল। পৰিয়ালৰ দাবী, প্ৰায়৩০ বছৰৰ অভিজ্ঞতাসম্পন্ন এজন দক্ষ নাওচালকক এনেধৰণৰ বিপদসংকুল পৰিৱেশত কৰ্তব্য পালন কৰিবলৈ বাধ্য কৰা হৈছিল। মাধৱ দাসৰ মৃত্যুৰ ঘটনাই মাজুলীৰ তথাকথিত 'নৌকা এম্বুলেন্স' সেৱাৰ ফোঁপোলা বাস্তৱতাক উন্মোচন কৰিলে বুলি ব্যাপক চৰ্চা আৰম্ভ হৈছে। মাজুলীৰ দৰে নদীবেষ্টিত জিলাত উন্নত আৰু সুৰক্ষিত নৌকা এম্বুলেন্সৰ ব্যৱস্থা কৰাৰ পৰিৱৰ্তে সাধাৰণ মাজি নাওৰে স্বাস্থ্য সেৱা আগবঢ়োৱাৰ অভিযোগে এতিয়া নতুনকৈ চৰ্চা লাভ কৰিছে।

# বিজেপি-বিপিএফৰ গুৰুত্বপূৰ্ণ

বিটিচি উপ-নিৰ্বাচনক লৈ বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠক শেষত সাংবাদিকসকলৰ সৈতে কথা পাতে হাগ্ৰামা মহিলাৰীয়ে। তেওঁ স্পষ্টভাৱে ঘোষণা কৰে যে, বিটিচিৰ উপ-নিৰ্বাচনত বৰ্তমান বিজেপিৰ দখলত থকা সমষ্টিসমূহত বিজেপিৰ প্ৰাৰ্থী থাকিব। এই প্ৰসঙ্গত তেওঁ বিজেপিৰ সৈতে থকা মিত্ৰতাৰ ধাৰাবাহিকতা অটুট ৰখাৰ প্ৰতিশ্ৰুতি পুনৰব্যক্ত কৰে। ইফালে, ইউ পি পি এলৰ তৰফৰ পৰা বিপিএফৰ 'ছিণ্ডিকেট' আৰু 'অৰুণোদয়' আঁচনিৰ দুৰ্নীতি সম্পৰ্কে উত্থাপিত অভিযোগ সম্পূৰ্ণৰূপে অস্বীকাৰ কৰে মহিলাৰীয়ে। তেওঁ কয় যে, এই অভিযোগসমূহ সম্পূৰ্ণৰূপে ভিত্তিহীন আৰু ৰাইজৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰাৰ উদ্দেশ্যে প্ৰচাৰ কৰা হৈছে। ইয়াৰ লগতে ইউ পি পি এলক লক্ষ্য কৰি মহিলাৰীয়ে কটাক্ষপূৰ্ণ ভাষাত কয়, তেওঁলোকে 'ন' বড়োলেণ্ড ন' ৰেষ্ট' আৰু 'ডিভাইড আছাম ফিফটি ফিফটি'ৰ দৰে শ্লোগান দি থাকিব পাৰে, কিন্তু ৰাইজে এইবোৰৰ সাৰ বস্তু বুজি পাইছে আৰু সেয়া কোনো ফলপ্ৰসূ নহ'ব।

# মহাপুৰুষ মাধৱদেৱৰ তিৰোভাৱ তিথি; বটদ্ৰৱা থানত হৰি-নাম কীৰ্ত্তন

**অসম বাৰ্তা, বেবেজীয়া, ৪ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰপন্ন শিষ্য, বঢ়াৰ পো মহাপুৰুষ মাধৱদেৱৰ তিৰোভাৱ তিথি মংগলবাৰে উদযাপন হয়। মাধৱদেৱৰ তিৰোভাৱ তিথি উপলক্ষ্যে জগত গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানত 'মাধৱদেৱ গুৰুজনাৰ কীৰ্তন' হিচাপে সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে সোমবাৰৰ পৰা আৰম্ভ হয়। ঘোষা কীৰ্তন, গন্ধ গোৱা অনুষ্ঠান আদি বিভিন্ন অনুষ্ঠানৰ পাছত পুৱা 'তাল কোবোৱা' প্ৰসংগ, মঞ্জিৰা নাম, আইসকলৰ নাম আদি বিভিন্ন পৰম্পৰাগত অনুষ্ঠানৰ আয়োজন কৰা হয়। লগতে বটদ্ৰৱা থানৰ ভকত বৈষ্ণৱে কীৰ্তন ঘৰৰ পিৰালিত বহি "অ হৰি মোৰ বান্ধৱ" শীৰ্ষক নিৰক্ষৰী ঘোষা গাই "নাম ডাকা" কাৰ্যসূচীৰে মুখৰিত কৰি তুলিছে। মাধৱদেৱৰ তিথি উপলক্ষে পুৱাৰে পৰা দ্বিতীয় বৈকুণ্ঠ বটদ্ৰৱাত হৰি নামৰ অমল ধ্বনিৰে মুখৰিত হৈ পৰিছে। মাধৱদেৱৰ তিথি উপলক্ষ্যত বটদ্ৰৱা থানত পৰম্পৰাগত ভাৱে আইসকলৰ নামত ন-ঘোষা গোৱা হয়। মাধৱদেৱৰ তিথিৰ দিনটোত অসমৰ বিভিন্ন প্ৰান্তৰ কেই বা সহস্ৰাধিক তীৰ্থযাত্ৰীয়ে ভক্তিৰ নান্দনিক পৰিৱেশৰ সূচনা কৰে। বিভিন্ন পৰম্পৰাগত কাৰ্যসূচীৰ পাছত বিয়লি কণকণ শিশুৰ অভিনয়েৰে নাটঘৰ প্ৰাঙ্গনত অনুষ্ঠিত হয় "দধিমথন" ভাওনা।

# ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ত ৰেডক্ৰছ ছ'চাইটিৰ সজাগতা সভা আৰু স্বেচ্ছামূলক ৰক্তদান শিবিৰ সম্পন্ন




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয় প্ৰাংগণত আজি ৰক্তদানৰ সজাগতা সভা আৰু স্বেচ্ছামূলক ৰক্তদান শিবিৰ ডিব্ৰু মহাবিদ্যালয় আৰু ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ উদ্যোগত লগতে অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰক্ত সঞ্চয় বিভাগৰ সহযোগত আয়োজন কৰা হয়। ছাত্ৰ-ছাত্ৰী মাজত স্বেচ্ছামূলক ৰক্তদানৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টি কৰা আৰু মানৱ সেৱাৰ মানসিকতা গঢ়ি তোলাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল। সজাগতা সভাৰ আৰম্ভণিতে সমন্বয়ক বিষয়া (নডেল অফিচাৰ) ড: কৰুণা চামৰিয়াই উপস্থিত সকলোকে শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ যুৱ প্ৰজন্মৰ মাজত ৰক্তদান সম্পৰ্কে সজাগতা সৃষ্টিৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক এই মানৱীয় কাৰ্যৰ সৈতে জড়িত হ'বলৈ অনুৰোধ কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই সকলোকে আদৰণি জনায় আৰু এই মহান কাৰ্যত ব্ৰতী হোৱাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। ডিব্ৰুগড় ৰেডক্ৰছ ছ'চাইটিৰ সভাপতি ডঃ পঙ্কজ কুমাৰ শ্ৰুতিকৰে তেওঁৰ বক্তব্যত কয় যে ৰক্তদান মানৱীয় সেৱাৰ অন্যতম সহজ অথচ অতি মূল্যৱান কাৰ্য। তেওঁ উল্লেখ কৰে যে ৰক্ত কৃত্ৰিমভাৱে প্ৰস্তুত কৰিব নোৱাৰি আৰু এজনৰ ৰক্তদানে একোটা মানৱ জীৱন ৰক্ষা কৰে। ড° শ্ৰুতিকৰে লগতে কয় যে ৰেডক্ৰছ ছ'চাইটিৰ দুৰ্দশাগ্ৰস্ত লোকক সহায় কৰাৰ এক দীৰ্ঘদিনীয়া মানৱীয় দায়বদ্ধতা আছে আৰু স্বেচ্ছামূলক ৰক্তদানৰ প্ৰসাৰ এই দায়বদ্ধতাৰ এক গুৰুত্বপূৰ্ণ অংশ। অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰক্ত সঞ্চয় বিভাগৰ চিকিৎসক বিষয়া ডাঃ জাহ্নৱী চেতিয়াই ৰক্তদানৰ বিভিন্ন দিশৰ বিষয়ে বিতংভাৱে ব্যাখ্যা কৰে। তেওঁ উপযুক্ত চিকিৎসা পৰ্যবেক্ষণৰ অধীনত ৰক্তদান এক নিৰাপদ প্ৰক্ৰিয়া বুলি স্পষ্ট কৰাৰ লগতে সম্ভাব্য ৰক্তদাতাসকলৰ মনত থকা বিভিন্ন সন্দেহ আৰু ভুল ধাৰণাও দূৰ কৰে। ছ'চাইটিৰ উপ-সভাপতি ড: মহেশ কুমাৰ জৈনে মানৱীয় কাৰ্যসূচীসমূহত জনসাধাৰণৰ অংশগ্ৰহণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু সাধাৰণ ৰাইজক স্বেচ্ছামূলক ৰক্তদানৰ বিভিন্ন কাৰ্যসূচীত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। মুকলি প্ৰশ্নোত্তৰ শিতানত ছাত্ৰ-ছাত্ৰী সকলৰ লগতে উপস্থিত সকলে ৰক্তদান সম্পৰ্কে বিভিন্ন প্ৰশ্ন উত্থাপন কৰে আৰু বক্তাসকলে তেওঁলোকৰ প্ৰশ্নসমূহৰ উত্তৰ দি সন্দেহ দূৰ কৰাৰ লগতে স্বেচ্ছামূলক ৰক্তদানৰ বাৰ্তা পৰিয়াল, বন্ধু-বান্ধৱ আৰু সমাজৰ মাজত প্ৰচাৰ কৰিবলৈ উৎসাহিত কৰে। এই ৰক্তদান শিবিৰত সৰ্বমুঠ ২৫ ইউনিট ৰক্ত সংগ্ৰহ কৰি ৰক্ত সঞ্চয় বিভাগৰ তত্ত্বাৱধানত জমা দিয়া হয়। ইয়াৰে ২০জন ছাত্ৰ আৰু ৫ গৰাকী ছাত্ৰী আছিল। ৰেডক্ৰছ ছ'চাইটি আৰু ডিব্ৰু মহাবিদ্যালয়ৰ যুটীয়া উদ্যোগত আয়োজন কৰা এই শিবিৰত সমীৰ শৰ্মা, কল্যাণী বৰুৱা, প্ৰদীপ দেৱগোস্বামী, আনন্দ কেজৰিৱাল আৰু জ্যোতি প্ৰসাদ ভট্টাচাৰ্য ও উপস্থিত থাকে।

## আদৰ্শগত দৃঢ়তা নাই কংগ্ৰেছৰ

নেতাসকলে উল্লেখ কৰে যে, কংগ্ৰেছ হৈছে এখন ৰাষ্ট্ৰীয়তাবাদী তথা 'নমনীয় সাম্প্ৰদায়িক' (Soft Communal) দল। আনহাতে ৰাইজৰ দল সদায় অসমৰ স্বাৰ্থৰ বাবে কণ্ঠস্বৰ উত্থাপন কৰা এখন আঞ্চলিকতাবাদী, সমাজবাদী আৰু জাতীয়তাবাদী দল। সেয়েহে আদৰ্শগত বৈপৰীত্যৰ বাবে এই দুয়োটা দল চিৰদিনৰ বাবে একেলগে থাকিব নোৱাৰে বুলি তেওঁলোকে মন্তব্য কৰে। মাত্ৰ সাম্প্ৰদায়িক ফাচিবাদী বিজেপিক পৰাভূত কৰাৰ সাময়িক স্বাৰ্থতহে ৰাইজৰ দলে কংগ্ৰেছৰ সৈতে মিত্ৰতা গঢ়িছিল বুলি স্পষ্ট কৰি দলে কয় যে, কংগ্ৰেছৰ আদৰ্শগত দৃঢ়তাৰ অভাৱেই এই সম্পৰ্ক ছিন্ন হোৱাত মুখ্য ভূমিকা পালন কৰিছে। ইতিহাসৰ প্ৰসংগ উল্লেখ কৰি ৰাইজৰ দলৰ নেতাসকলে কয়, অতীতত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা কংগ্ৰেছে স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে যেনেকৈ দৃঢ় স্থিতি লোৱা উচিত আছিল, সেয়া তেওঁলোকে কৰা নাই। সাম্প্ৰদায়িকতাৰ বিৰুদ্ধেও কংগ্ৰেছৰ স্থিতি সদায় আপত্তিজনক বুলি অভিযোগ উত্থাপন কৰা হয়। লগতে তেওঁলোকে কয় যে, কংগ্ৰেছ দলৰ নিৰ্বাচিত প্ৰতিনিধিসকল বিজেপি চৰকাৰ আৰু 'অতি-বিচাৰিক হত্যা'ৰ বাবে সমালোচিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সজাগ নহয়। অসম বিধানসভাত কংগ্ৰেছে গণতন্ত্ৰ ৰক্ষাৰ যুঁজখন কেতিয়াও শক্তিশালীভাৱে নচলোৱা বুলি দাবী কৰে নেতাসকলে। বিধানসভাৰ ঘটনাৱলী উল্লেখ কৰি তেওঁলোকে কয়, যেতিয়া ৰাইজৰ দলৰ সভাপতি অখিল গগৈ আৰু ধিং সমষ্টিৰ বিধায়ক মেহবুব মুক্তাৰে চৰকাৰৰ বিৰুদ্ধে সুদৃঢ় আৰু আক্ৰমণাত্মক স্থিতি গ্ৰহণ কৰে, সেই সময়ত কংগ্ৰেছৰ বিধায়কসকল নিস্তব্ধ আৰু মৌনব্ৰত ধাৰণ কৰে। বিজেপি চৰকাৰে সংখ্যালঘুসকলক অন্যায়ভাৱে উচ্ছেদ কৰি ৰাজ্যত মেৰুবিভাজন (Polarisation) তীব্ৰ কৰি তোলাৰ সময়তো কংগ্ৰেছৰ বিধায়কসকল লক্ষণীয়ভাৱে নিষ্ক্ৰিয় আছিল বুলি তেওঁলোকে অভিযোগ উত্থাপন কৰে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হিচাপে ৰাইজৰ দলৰ নেতাসকলে কংগ্ৰেছ দলৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ 'বিশ্বাসঘাটকতা'ৰ কথা উল্লেখ কৰে। তেওঁলোকে কয় যে, ৰিপুণ বৰাক ৰাজ্যসভালৈ প্ৰেৰণ কৰা নিৰ্বাচনত ৪ গৰাকী কংগ্ৰেছী বিধায়কে বিজেপিক ভোটদান কৰিছিল। আনহাতে, ৰাষ্ট্ৰপতি নিৰ্বাচনত ইউপিএ মনোনীত প্ৰাৰ্থী যশৱন্ত সিনহাক বাদ দি এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক ১২ গৰাকী কংগ্ৰেছী বিধায়কে ভোটদান কৰা বুলি স্পষ্ট কৰে দলটোৱে। এই উদাহৰণসমূহে কংগ্ৰেছৰ বিধায়কসকলৰ দলীয় অনুশাসনৰ অভাৱ স্পষ্টভাৱে প্ৰমাণ কৰে বুলি অভিমত প্ৰকাশ কৰে নেতাসকলে। বানপানীৰ প্ৰসংগত ৰাইজৰ দলে সাংসদ গৌৰৱ গগৈক নিৰুত্তৰ কৰে। তেওঁলোকে কয়, ১৯ জুলাইৰ দুৰ্যোগত যোৰহাট লোকসভা সমষ্টি সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ যোৱা সত্ত্বেও গৌৰৱ গগৈয়ে প্ৰয়োজনীয় সক্ৰিয়তা প্ৰদৰ্শন কৰা নাই। যদিও প্ৰাক্তন বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই নাজিৰাত সক্ৰিয়ভাৱে কাম কৰিছে, গৌৰৱ গগৈৰ ভূমিকা নামমাত্ৰ আৰু কেৱল 'দেখুৱাবলৈ' কৰা বুলি দলটোৱে অভিযোগ তোলে। নিজৰ লোকসভা সমষ্টি ধ্বংস হৈ যোৱাৰ পিছতো তেওঁ সংসদত জাতীয় দুৰ্যোগ ঘোষণা আৰু বাস্তৱিক ক্ষতিপূৰণৰ দাবী তুলিবলৈ ব্যৰ্থ হৈছে। লগতে তেওঁ শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈৰ সৈতে যোগাযোগ কৰি পৰিস্থিতিৰ বুজ লোৱাটোও এৰি দিয়া বুলি তেওঁলোকে গুৰুত্ব আৰোপ কৰে। নেতাসকলে কয়, "অসমৰ মানুহে গৌৰৱ গগৈক সন্মান কৰে দিল্লীত মাত মাতিব পাৰে বাবে, কিন্তু দুৰ্ভাগ্যজনকভাৱে নিজ সমষ্টি বিধ্বস্ত হৈ যোৱাৰ পাছতো তেওঁ প্ৰকৃত ক্ষতিপূৰণ আৰু ৰাষ্ট্ৰীয় দুৰ্যোগৰ দাবী তুলিবলৈ সক্ষম নহ'ল।" এই সকলো ঘটনাই প্ৰমাণ কৰে যে, কংগ্ৰেছে বিজেপি চৰকাৰৰ লগত এনেকুৱা এক বুজাবুজিৰ মাধ্যমেৰে চলি আছে, যি আপোচ তেওঁলোকে জনমানসৰ পৰা লুকুৱাবলৈ আন বিৰোধী দলৰ ওপৰত বোকা ছটিয়াই থকাটোহে মুখ্য কাম বুলি অভিযোগ উত্থাপন কৰে ৰাইজৰ দলে। সামৰণিত ৰাইজৰ দলৰ নেতাসকলে কয়, ঐক্যবদ্ধ হৈ থাকিলে যুঁজখনত সৎ আৰু বিশ্বস্ত হৈ থাকিব লাগে। বাহিৰত ডাঙৰ ডাঙৰ বক্তৃতা দি লোকসভা আৰু বিধানসভাত মূৰ পোতা (নিস্তব্ধ) মাৰিলে সেই ঐক্য অৰ্থহীন বুলি তেওঁলোকে স্পষ্ট ভাষাত ইংগিত দিয়ে। কংগ্ৰেছৰ আপোচকামী আৰু পুতৌজনক স্থিতিৰ বাবেই বিজেপি চৰকাৰ লাভান্বিত হৈ আছে বুলি দাবী কৰি ৰাইজৰ দলে ভৱিষ্যতে স্বতন্ত্ৰভাৱে অসমৰ স্বাৰ্থত সংগ্ৰাম চলাই যোৱাৰ প্ৰতিশ্ৰুতি পুনৰব্যক্ত কৰে।

## মিত্ৰতা ভংগ কংগ্ৰেছ-ৰাইজৰ দলৰ

নিৰ্বাচনৰ সময়ত সাম্প্ৰদায়িক শক্তিসমূহৰ বিৰুদ্ধে ঐক্যবদ্ধ প্ৰতিৰোধ গঢ়ি তোলাৰ বাবে ৰাইজৰ দলকে ধৰি কেইবাখনো আঞ্চলিক আৰু বাঁওপন্থী দলক একত্ৰিত কৰি নিৰ্বাচনী মিত্ৰজোঁট গঠন কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত ৰাইজৰ দলৰ নেতৃত্বই মিত্ৰতাৰ মৌলিক নীতি-নিয়ম আৰু শিষ্টাচাৰ বাৰে বাৰে অগ্ৰাহ্য কৰে। লগতে অভিযোগ উত্থাপন কৰা হয় যে, ৰাইজৰ দলে কংগ্ৰেছ দলৰ বিৰুদ্ধে একাধিকবাৰ ভিত্তিহীন অপপ্ৰচাৰ আৰু চৰিত্ৰহণনৰ পথ অৱলম্বন কৰাৰ লগতে মিত্ৰজোঁটৰ অন্যান্য অংশীদাৰ দলসমূহৰ শীৰ্ষ নেতৃবৰ্গৰ প্ৰতিও অশালীন আৰু অসন্মানজনক মন্তব্য কৰি ৰাজনৈতিক মৰ্যাদা ক্ষুণ্ণ কৰে। এনে পৰিস্থিতিত মিত্ৰজোঁটৰ স্বাৰ্থ আৰু সহাৱস্থান ভৱিষ্যতে সম্ভৱপৰ নহয় বুলি কংগ্ৰেছে নিশ্চয়তা প্ৰদান কৰে। মিত্ৰতা বিচ্ছেদৰ কথা ঘোষণা কৰিলেও কংগ্ৰেছে নিজৰ আদৰ্শ আৰু সংগ্ৰামৰ পথ পৰিত্যাগ নকৰে বুলি স্পষ্ট কৰি দিয়ে। সাধাৰণ ৰাইজৰ জ্বলন্ত সমস্যা, মূল্যবৃদ্ধি, বেকাৰিত্ব আৰু ৰাজ্যৰ বিজেপি চৰকাৰৰ জনবিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে কংগ্ৰেছে আগৰ দৰেই কঠোৰ গণতান্ত্ৰিক যুঁজ অব্যাহত ৰাখিব বুলি উল্লেখ কৰা হৈছে। উল্লেখ্য যে, মাত্ৰ কেইদিনমান পূৰ্বে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে কংগ্ৰেছক 'ভ্ৰষ্টাচাৰী দল' বুলি সমালোচনা কৰি ৰাজহুৱাভাৱে তীব্ৰ ভাষা প্ৰয়োগ কৰিছিল। অখিল গগৈৰ সেই কটাক্ষময় মন্তব্যৰ পিছতেই কংগ্ৰেছৰ এই সিদ্ধান্তক ৰাজনৈতিক মহলে প্ৰতিশোধমূলক পদক্ষেপ বুলিও অভিহিত কৰিছে।

## দেৰগাঁৱত জ্যেষ্ঠ আৰক্ষী

একাডেমী'ত জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সন্মিলনত অংশ লৈ বিশেষ ভংগিমাত আৱিৰ্ভাৱ হয়। সামাজিক মাধ্যমত এই ফটো প্ৰকাশ পোৱাৰ লগে লগে ৰাইজৰ মাজত চৰ্চা-সমালোচনাৰ সৃষ্টি হয়। সামাজিক মাধ্যমযোগে প্ৰকাশিত পোষ্টটোত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ন্যায় ব্যৱস্থাৰ উন্নতি সম্পৰ্কে গুৰুত্বপূৰ্ণ তথ্য সদৰি কৰে। তেওঁ উল্লেখ কৰে যে, ২০২৪ চনৰ ৰ জুলাইত কাৰ্যকৰী হোৱা নতুন ন্যায় সংহিতাসমূহ ৰূপায়ণৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰতে এক উল্লেখযোগ্য স্থান অধিকাৰ কৰিছে। ৰাজ্যখনৰ কৃতিত্বৰ হাৰ বৰ্তমান ৯২.১৬ শতাংশলৈ উন্নীত হৈছে, যিটো ৰাষ্ট্ৰীয় গড় ৭৪.৮৬ শতাংশতকৈ যথেষ্ট বেছি বুলি তেওঁ গৌৰৱান্বিত হয়। এই সফলতাৰ বাবে নতুন আইনসমূহৰ সুচাৰু প্ৰয়োগ, আদৰ্শ বিধি কঠোৰভাৱে মানি চলা, আৰু বিভিন্ন অপৰাধ নিয়ন্ত্ৰণ সংস্থাৰ মাজত তথ্যৰ দ্ৰুত বিনিময়ক দায়ী কৰে মুখ্যমন্ত্ৰীয়ে। উল্লেখ্য যে, কেন্দ্ৰীয় চৰকাৰে বৃটিছ শাসন কালৰ পৰা বলৱৎ হৈ অহা পুৰণি ভাৰতীয় দণ্ডবিধি আইন (১৮৬০), ফৌজদাৰী কাৰ্যবিধি আইন (১৯৭৩) আৰু ভাৰতীয় প্ৰমাণ আইন (১৮৭২) বাতিল কৰি ২০২৩ চনতে ক্ৰমে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম প্ৰণয়ন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই দাবী কৰে যে, প্ৰযুক্তিৰ সঠিক ব্যৱহাৰ, আধুনিক তদন্ত পদ্ধতি আৰু সুসংহত সমন্বয়ৰ বলত অসমে এই নতুন আইনসমূহ শতভাগ কাৰ্যকৰী কৰাত সফল হৈছে, যাৰ ফলত ন্যায় প্ৰদান প্ৰক্ৰিয়া অধিক গতিশীল আৰু জনমুখী হৈ পৰিছে। বুধবাৰে আৰম্ভ হোৱা এই বিশেষ সন্মিলনখন ড° শৰ্মাৰ অধ্যক্ষতাত দুদিনীয়াকৈ অনুষ্ঠিত হৈ চলিছে। ৰাজ্যৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ লগত এই বৈঠকত অপৰাধ নিয়ন্ত্ৰণ, মহিলা আৰু শিশুৰ সুৰক্ষা, চাইবাৰ অপৰাধ দমন, ড্ৰাগছৰ বিৰুদ্ধে অভিযান জাৰি ৰখা, আধুনিক প্ৰযুক্তিৰ ফলপ্ৰসূ ব্যৱহাৰ, আৰু নাগৰিকক কেন্দ্ৰ কৰি অধিক সঁহাৰিমূলক আৰক্ষী ব্যৱস্থা গঢ়ি তোলাৰ দিশত বিশদভাৱে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে স্পষ্টকৈ কয় যে, অসম আৰক্ষীয়ে দুৰ্নীতি আৰু অপৰাধৰ ক্ষেত্ৰত 'শূন্য সহনশীলতা' নীতিৰে আগবাঢ়িছে। মহিলাসকলৰ বাবে সুৰক্ষিত পৰিৱেশ প্ৰদানৰ বাবে বাল্য বিবাহ আৰু বহুবিবাহ ৰোধত আৰক্ষী বাহিনীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি থকা বুলি তেওঁ বিশেষভাৱে উল্লেখ কৰে। ইফালে, লাচিত বৰফুকন আৰক্ষী একাডেমীৰ সামাজিক মাধ্যমৰ পৃষ্ঠাই উল্লেখ কৰা মতে, এই সন্মিলনখন ৰাজ্যৰ আইন-শৃংখলা উন্নত কৰা, অত্যাধুনিক আৰক্ষীক afters strategie, আৰু বিভিন্ন সংস্থাৰ মাজত সমন্বয় স্থাপনৰ বাবে এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰিছে। বৈঠকত আধুনিক আৰক্ষী প্ৰণালী প্ৰৱৰ্তন, প্ৰযুক্তিৰ যথোপযুক্ত ব্যৱহাৰ, আৰু দ্ৰুতগতিত সঁহাৰি দিব পৰা নাগৰিককেন্দ্ৰিক সেৱাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ এই পদক্ষেপ আৰু নিৰ্দেশনাই অসমক অপৰাধমুক্ত আৰু সুশাসিত ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰতি চৰকাৰৰ দৃঢ়তা পুনৰব্যক্ত কৰিছে বুলি ৰাজনৈতিক মহলে মত প্ৰকাশ কৰিছে।

## কলকাতাত তৃণমূল কাৰ্যালয়ত

ঘটনাস্থলীত আৰক্ষী উপস্থিত হ'বলৈ প্ৰায় দুঘণ্টা সময় লোৱাৰ বাবে আৰক্ষীৰ ভূমিকাক লৈ তৃণমূল কংগ্ৰেছ মহলে প্ৰশ্ন উত্থাপন কৰিছে। ঘটনাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি দলটোৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা ডায়মণ্ড হাৰ্বাৰৰ সাংসদ অভিষেক বেনাৰ্জীয়ে সামাজিক মাধ্যমযোগে তীব্ৰ ভাষা প্ৰয়োগ কৰি বিজেপিৰ বিৰুদ্ধে প্ৰত্যক্ষ অভিযোগ উত্থাপন কৰে। তেওঁ লিখিছে যে, "আজি পুৱা কামাক ষ্ট্ৰীটত যি ঘটনা সংঘটিত হৈছে, সেয়া আইনৰ শাসনৰ ওপৰত এটা লজ্জাজনক আঘাত। বিজেপিৰ ভেৰোণীয়া গুণ্ডাবাহিনীয়ে অস্ত্ৰ-শস্ত্ৰ লৈ আমাৰ কাৰ্যালয়ত সোমাই কৰ্মীসকলক আক্ৰমণ কৰে।" বেনাৰ্জীয়ে আৰক্ষী আৰু প্ৰশাসনৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰি কয়, "আমাৰ কৰ্মী আৰু অধিবক্তাসকলে বাৰে বাৰে ফোন আৰু ই-মেইলযোগে আৰক্ষীক অৱগত কৰাৰ পিছতো দুঘণ্টা পৰ্যন্ত কোনো সঁহাৰি পোৱা নগৈছিল। কলকাতা আৰক্ষী ক'ত আছিল? এই পূৰ্বপৰিকল্পিত আক্ৰমণৰ আঁৰৰ মূল চক্ৰটো বিচাৰি উলিয়াই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।" তেওঁ লগতে কয়, "পুৱা ৪.৩০ বজাতে সশস্ত্ৰ দল এখন ৰাজনৈতিক কাৰ্যালয়ত সোমাই ধ্বংসলীলা চলাব পাৰে আৰু আৰক্ষী নিৰ্বাক হৈ থাকিব- তেন্তে পশ্চিমবংগত আইনৰ শাসন বুলি কাক কয়? দোষীসকলক তৎক্ষণাত গ্ৰেপ্তাৰ কৰক।" মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীৰ প্ৰতি লক্ষ্য ৰাখি বেনাৰ্জীয়ে কয়, "তেওঁ তৃণমূল কংগ্ৰেছক ইমান ভয় কৰে কিয়? হিংসাৰ আশ্ৰয় লৈ বিৰোধী দলক ভয় খুওৱাৰ এই চেষ্টা সফল হ'ব নিদিওঁ। অধিকাৰীৰ মুখ্যমন্ত্ৰী হিচাপে থাকিবলৈ কোনো নৈতিক অধিকাৰ নাই, তেওঁ পদত্যাগ কৰক।" ইফালে, তৃণমূল কংগ্ৰেছে আনুষ্ঠানিকভাৱে এই আক্ৰমণ পূৰ্বপৰিকল্পিত বুলি অভিযোগ উত্থাপন কৰে। দলটোৰ তৰফৰ পৰা কোৱা হয়, "আমি জানিছিলো যে অভিষেক বেনাৰ্জী চহৰত নাই, তেওঁ আগৰ নিশা নতুন দিল্লীলৈ গৈছিল। সেই সুযোগকে লৈ বিজেপিৰ গুণ্ডাবাহিনীয়ে আক্ৰমণ চলায়।" দলটোৱে লগতে কয়, "এয়া কেৱল কাৰ্যালয় আক্ৰমণ নহয়, ই পশ্চিমবংগৰ গণতন্ত্ৰ আৰু আইন-শৃংখলাৰ সম্পূৰ্ণ স্খলনৰ পৰিচয়। এনেধৰণৰ গুণ্ডাগিৰিৰে তেওঁলোক কিমান দূৰলৈ যাব? আদালত আৰু গণতন্ত্ৰ কিমান দিন মৌন হৈ থাকিব?" উল্লেখ্য যে, ঘটনাটোৰ পিছত কলকাতা আৰক্ষীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰি তদন্ত আৰম্ভ কৰিছে যদিও এতিয়ালৈকে কোনো গ্ৰেপ্তাৰী খবৰ পোৱা নাই। তৃণমূল কংগ্ৰেছে দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰ হস্তক্ষেপ দাবী জনাইছে। ৰাজ্যখনত এই ঘটনাই বিৰোধী শিবিৰত নতুন উত্তাপৰ সৃষ্টি কৰাৰ লগতে আসন্ন পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক গতিবিধি অধিক তীব্ৰ হৈ উঠাৰ ইংগিত দিছে।

## অভীৰুচি ক্ৰীড়া দিৱসত মুখ্যমন্ত্ৰীৰ

ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ যোগেদি ৰাজ্যবাসীক অভীৰুচি ক্ৰীড়া দিৱসৰ শুভেচ্ছা জনোৱাৰ লগতে অসমৰ ক্ৰীড়াক্ষেত্ৰত আগবঢ়োৱা বিকাশৰ চমু পৰ্যালোচনা আগবঢ়ায়। তেওঁ নিজা এক্স (পূৰ্বৰ টুইটাৰ) পোষ্টত উল্লেখ কৰে যে, ভোগেশ্বৰ বৰুৱাই অসমক ভাৰতৰ ক্ৰীড়া মানচিত্ৰত স্থান দিয়াত অগ্ৰণী ভূমিকা পালন কৰিছিল, আৰু আজি সেই ক্ৰীড়া-মনোভাৱ আগতকৈও শক্তিশালী হৈ পৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই পোষ্টটোত লগতে কয়, 'আমাৰ খেলুৱৈসকলে বিবিধ ক্ৰীড়াত অসামান্য প্ৰদৰ্শন দি অহা দেখা গৈছে। সমান্তৰালভাৱে, ৰাজ্যৰ বিভিন্ন ঠাইত বিশ্বমানৰ ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণৰ কাম আগবাঢ়িছে। এই জন্মদিনত আমি তেখেতৰ অৱদানক স্মৰণ কৰোঁ, যি অসমক আজি ক্ৰীড়াৰ এক শক্তিশালী গন্তব্য হিচাপে প্ৰতিষ্ঠা কৰিছে।' উল্লেখনীয় যে, বিগত বৰ্ষত ৰাজ্য চৰকাৰে সৰুসজাইস্থিত ইন্দিৰা গান্ধী ষ্টেডিয়ামৰ নাম পুনৰ্নামকৰণ কৰি 'অৰ্জুন ভোগেশ্বৰ বৰুৱা স্প'ৰ্টছ কমপ্লেক্স' ৰূপে ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত নামফলক উন্মোচন কৰে অৰ্জুন বিজেতা গৰাকীয়ে নিজেই। একেখন অনুষ্ঠানতে ভোগেশ্বৰ বৰুৱাৰ জীৱন আধাৰিত এখন তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হৈছিল। ৰাজ্য চৰকাৰে প্ৰতি বছৰে এই দিনটো ক্ৰীড়া দিৱস হিচাপে পালন কৰি অহাৰ লগতে প্ৰতিভাবান খেলুৱৈসকলক উৎসাহিত কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আছে। অসমৰ ক্ৰীড়া জগতলৈ ভোগেশ্বৰ বৰুৱাৰ অৱদান আৰু তেওঁৰ আদৰ্শই যুৱ প্ৰজন্মক প্ৰেৰণা যোগাই আহিছে বুলি মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। আজিৰ অভীৰুচি ক্ৰীড়া দিৱসে ৰাজ্যৰ ক্ৰীড়া সংস্কৃতিক আৰু সুদৃঢ় কৰাৰ লগতে ভৱিষ্যতৰ প্ৰতিভা বিকাশৰ প্ৰতি চৰকাৰৰ দৃঢ়তা প্ৰকাশ কৰে বুলি ক্ৰীড়া মহলৰ লোকসকলে মত প্ৰকাশ কৰিছে।

## নগাঁৱৰ জিলা আয়ুক্ত পদৰ পৰা

গ্ৰহণ কৰি অনুমোদন জনায়। সামাজিক মাধ্যমত এই খবৰ বনজুইৰ দৰে বিয়পি পৰাৰ লগে লগে দেৱাশিস শৰ্মাৰ নাম নগাঁও লোকসভা সমষ্টিৰ আগন্তুক উপ-নিৰ্বাচনৰ সম্ভাব্য বিজেপি প্ৰাৰ্থী হিচাপে চৰ্চালৈ আহে। উল্লেখ্য যে, নগাঁও সমষ্টিৰ পৰা পূৰ্বে কংগ্ৰেছৰ সাংসদ হৈ থকা প্ৰদ্যুৎ বৰদলৈয়ে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে দলত্যাগ কৰি বিজেপিত যোগদান কৰে আৰু দিছপুৰ সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হয়। তাৰ পিছতেই নগাঁও লোকসভা সমষ্টিখন উপ-নিৰ্বাচনৰ বাবে মুক্ত হয়। ইতিমধ্যে শাসকীয় আৰু বিৰোধী উভয় দলেই এই উপ-নিৰ্বাচনক লৈ তৎপৰতা আৰম্ভ কৰিছে। এনেকুৱা সময়তে দেৱাশিস শৰ্মাই স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰি ৰাজনৈতিক পথাৰত ভৰি দিয়াৰ ইংগিত দিয়ে। তেওঁ কয়, "জিলা আয়ুক্ত হিচাপে মই কোনো ৰাজনৈতিক দলৰ হৈ কাম কৰিব নোৱাৰো। মোৰ নাম বিজেপিৰ প্ৰাৰ্থিত্বৰ দাবীদাৰ হিচাপে চৰ্চা আৰম্ভ হোৱাৰ পাছত, জিলা আয়ুক্তৰ চকীত বহি থকাৰ নৈতিকতা নাই বুলি অনুভৱ কৰি অৱসৰৰ সিদ্ধান্ত লৈছো।" দেৱাশিস শৰ্মাই লগতে কয়, "মৰিগাঁও আৰু নগাঁৱৰ ৰাইজে মোক সাংসদ হিচাপে বিচাৰে বুলি বহুতে জনাইছে। সেয়ে ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰিলো। বিজেপি দলে মোক প্ৰাৰ্থিত্ব দিলে নিশ্চয় নিৰ্বাচনত অৱতীৰ্ণ হ'ম।" উল্লেখ্য যে, প্ৰশাসনিক দক্ষতাৰ উপৰিও সমাজসেৱা আৰু সাংস্কৃতিক প্ৰতিভাৰ বাবেও পৰিচিত দেৱাশিস শৰ্মা। হাতত গীটাৰ লৈ গীত পৰিৱেশন কৰা আৰু সামাজিক মাধ্যমত ৰাইজক সজাগ কৰি থকা এই বিষয়া ইতিমধ্যেই নগাঁও আৰু মৰিগাঁও জিলাৰ ৰাইজৰ মাজত জনপ্ৰিয়। নগাঁও লোকসভা সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ পাছত সমষ্টিখনৰ গঠন সলনি হৈছে। বৰ্তমান এই সমষ্টিৰ অধীনত থকা বিধানসভা সমষ্টিসমূহ হৈছে- জাগীৰোড, মৰিগাঁও, লাহৰীঘাট, ৰহা, নগাঁও-বটদ্ৰৱা, ধিং, ৰূপহীহাট আৰু চামগুৰি। ইয়াৰ ভিতৰত বেছিভাগ সমষ্টিতে সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা পালন কৰে। সামাজিক মাধ্যমৰ একাংশই মত পোষণ কৰিছে যে, সংখ্যালঘু ৰাইজৰ মাজতো দেৱাশিস শৰ্মাৰ যথেষ্ট জনপ্ৰিয়তা আছে, যাৰ বাবে বিজেপিয়ে তেওঁক প্ৰাৰ্থী কৰাৰ সম্ভাৱনা প্ৰবল। অৱশ্যে এতিয়ালৈকে বিজেপি দলৰ তৰফৰ পৰা কোনো আনুষ্ঠানিক ঘোষণা পোৱা নাই।

## ভাৰত-বেলজিয়াম সম্পৰ্কৰ নতুন

দিছে। তেওঁ উল্লেখ কৰে যে বিশ্বৰ দুখন বৃহৎ গণতান্ত্ৰিক শক্তিৰ মাজত এই অভূতপূৰ্ব সহযোগিতাই বিশ্ব স্থিতিশীলতা, বিকাশ আৰু সামূহিক সমৃদ্ধিৰ পথ প্ৰশস্ত কৰিব। মোদীয়ে জানিবলৈ দিয়ে যে, নতুন অৰ্থনৈতিক সুযোগসমূহক বাস্তৱত পৰিণত কৰিবলৈ দুয়োখন দেশে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত বেলজিয়ামৰ কোম্পানীসমূহৰ বাবে ভাৰতত বিনিয়োগৰ ফাষ্ট-ট্ৰেক প্ৰণালী স্থাপন, 'ভাৰত-বেলজিয়াম ব্যৱসায়িক মঞ্চ'ক নিয়মীয়া অঙ্গ হিচাপে গঢ়ি তোলা, আৰু দুয়ো দেশৰ বিত্তীয়, ফিনটেক আৰু পৰিৱৰ্তনশীল প্ৰতিষ্ঠানসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰা- এই সকলোবোৰৰ যোগেদি অহা পাঁচ বছৰত দ্বিপাক্ষিক বাণিজ্য দুগুণ কৰাৰ লক্ষ্য স্পষ্ট কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰিসংখ্যা অনুসৰি, ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰত-বেলজিয়াম বাণিজ্যৰ পৰিমাণ আছিল প্ৰায় ৰৃ.স্তুৰ বিলিয়ন আমেৰিকান ডলাৰ। একেদৰে, ২০০০ চনৰ এপ্ৰিলৰ পৰা ২০২৫ চনৰ ডিচেম্বৰলৈকে বেলজিয়ামৰ পৰা ভাৰতলৈ সঞ্চিত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ আছিল প্ৰায় ৪.২ বিলিয়ন ডলাৰ। এই পটভূমিতে বাণিজ্য দুগুণ কৰাৰ লক্ষ্যই নতুন সম্ভাৱনাৰ ইংগিত দিয়ে। বৈঠকৰ অন্তত প্ৰধানমন্ত্ৰী মোদীয়ে ঘোষণা কৰে যে, ভাৰতে বেলজিয়ামৰ সৈতে প্ৰব্ৰজন আৰু পৰিৱৰ্তনশীল অংশীদাৰিত্ব চুক্তি স্বাক্ষৰ কৰিবলৈ সাজু হৈছে, যাৰ দ্বাৰা দুয়ো দেশৰ প্ৰতিভাৰ আদান-প্ৰদান অধিক সুগম হ'ব। পৰম্পৰাগত খণ্ডৰ বাহিৰেও প্ৰতিৰক্ষা, সামুদ্ৰিক খণ্ড, ষ্টাৰ্টআপ, বিশ্ববিদ্যালয় আৰু গৱেষণা ক্ষেত্ৰত সহযোগিতা সম্প্ৰসাৰণৰ কথাও উল্লেখ কৰে মোদীয়ে। প্ৰধানমন্ত্ৰীয়ে কয়, "আমি সামৰিক আদান-প্ৰদান আৰু প্ৰশিক্ষণ সহযোগিতা বৃদ্ধি কৰাৰ লগতে চোৰাংচোৱা তথ্য বিনিময় আৰু অপৰাধ দমনত সহযোগিতা আৰু শক্তিশালী কৰিম। নৱীকৰণযোগ্য শক্তি, জটিল খনিজ পদাৰ্থৰ প্ৰক্ৰিয়াকৰণ আৰু পুনঃব্যৱহাৰৰ ক্ষেত্ৰতো আমি একেলগে কাম কৰিম। অৰ্ধপৰিবাহী খণ্ডত বেলজিয়ামৰ আইএমইচি ইনষ্টিটিউটৰ বিশেষজ্ঞতা আৰু ভাৰতৰ স্কেল- ইটোৱে সিটোৰ পৰিপূৰক।" ইউক্ৰেইন আৰু পশ্চিম এছিয়াৰ প্ৰসংগত মোদীয়ে কয় যে, ভাৰত আৰু বেলজিয়াম দুয়োখনেই আইন, আলোচনা আৰু কূটনীতিত বিশ্বাসী। সন্ত্ৰাসবাদ নিৰ্মূল কৰাটোও দুয়োৰে প্ৰতিশ্ৰুতি বুলি তেওঁ স্পষ্ট কৰে। বেলজিয়ামৰ প্ৰধানমন্ত্ৰী ডি ৱেভাৰে নিজৰ ভাষণত কৌতুকপূৰ্ণভাৱে উল্লেখ কৰে যে, তেওঁ প্ৰধানমন্ত্ৰী মোদীক বেলজিয়ামৰ চকলেটেৰে নিৰ্মিত ইণ্ডিয়া গেটৰ প্ৰতিৰূপ উপহাৰ দিবলৈ বিচাৰিছিল, কিন্তু যাত্ৰাপথত চকলেট বিকৃত হোৱাত সেই সম্ভৱ নহ'ল। তথাপি বেলজিয়ামত বেকআপ থকা বাবে শীঘ্ৰেই নিৰাপদে সেই উপহাৰ প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰা হ'ব বুলি আশ্বাস দিয়ে। বেলজিয়ামৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, ২০ বছৰৰ পিছত তেৰেঁই প্ৰথম বেলজিয়ামীয় প্ৰধানমন্ত্ৰী হিচাপে ভাৰত ভ্ৰমণ কৰিছে। এই সময়ছোৱাত ভাৰতৰ অভূতপূৰ্ব পৰিৱৰ্তন, বিশেষকৈ প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত শক্তিশালী ৰাষ্ট্ৰ হিচাপে অভ্যুদয়- তেওঁক বিস্ময়াভিভূত কৰিছে। বেলজিয়াম সৰু ৰাষ্ট্ৰ হ'লেও ই ঔষধ, ৰাসায়নিক পদাৰ্থ, অৰ্ধপৰিবাহী, নৱীকৰণযোগ্য শক্তি, উন্নত উৎপাদন আৰু লজিষ্টিকছত বিশ্বমানৰ অভিজ্ঞতা থকা বাণিজ্য-নিৰ্ভৰ অৰ্থনীতি বুলি উল্লেখ কৰি ডি ৱেভাৰে কয় যে, এই ক্ষেত্ৰসমূহতে দুয়ো দেশে পৰস্পৰ সহযোগিতাৰ যোগেদি নতুন উচ্চতা স্পৰ্শ কৰিব পাৰে। উল্লেখযোগ্য যে, এই বৈঠকত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, বৈদেশিক সচিব বিক্ৰম মিশ্ৰী, সচিব (পশ্চিম) ছিবি জৰ্জ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱাল আৰু প্ৰতিৰক্ষা ৰাজ্যিক মন্ত্ৰী সঞ্জয় শেঠ উপস্থিত আছিল। বেলজিয়ামৰ পৰা প্ৰতিৰক্ষা আৰু বৈদেশিক বাণিজ্য মন্ত্ৰী থিও ফ্ৰাংকেনৰ লগতে উচ্চপৰ্যায়ৰ ব্যৱসায়িক প্ৰতিনিধি দলে অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সাম্প্ৰতিক হকী বিশ্বকাপ আয়োজনৰ বাবে বেলজিয়ামক অভিনন্দন জনোৱাৰ লগতে ভাৰতীয় খেলুৱৈসকলৰ প্ৰদৰ্শনৰ প্ৰশংসাও কৰে। তেওঁ কয়, "হীৰাই ভাৰত আৰু বেলজিয়ামক দীৰ্ঘদিন ধৰি সংযুক্ত কৰি আহিছে। আজি আমি সেই ঐতিহাসিক সম্পৰ্কক ব্যাপক অংশীদাৰিত্বলৈ ৰূপান্তৰিত কৰিছোঁ।" বিশ্বৰ অনিশ্চিত পৰিৱেশতো ভাৰতৰ ৭.৮ শতাংশ জিডিপি বৃদ্ধিৰ কথা উল্লেখ কৰি মোদীয়ে কয় যে, এই বৃদ্ধিৰ কাহিনীয়ে সমগ্ৰ বিশ্বৰ বাবে নতুন সুযোগ সৃষ্টি কৰিছে।

## অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ

কাৰ্যসূচী গ্ৰহণ কৰি ৰাজ্য চৰকাৰ আৰু যোগান বিভাগৰ বিৰুদ্ধে শ্লোগান উদ্ধাৰ কৰে। বিশ্বনাথ আঞ্চলিক ছাত্ৰ সন্থাই নিজ কাৰ্যালয়ৰ পৰা খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ প্ৰতীকি শৱদেহ কান্ধত লৈ নগৰলৈ শৱযাত্ৰা আৰম্ভ কৰাৰ প্ৰস্তুতি চলায়। কিন্তু যাত্ৰা আৰম্ভ হোৱাৰ লগে লগেই আৰক্ষীয়ে বাধা প্ৰদান কৰাত প্ৰতিবাদকাৰীসকলে ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সন্মুখতে একত্ৰিত হয়। তেওঁলোকে চৰকাৰ আৰু যোগান বিভাগৰ বিৰুদ্ধে শ্লোগান দি বিশ্বনাথৰ আকাশ বতাহ কঁপাই তোলে। প্ৰতিবাদকাৰীসকলে মূল্যবৃদ্ধি ৰোধ কৰা আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম হ্ৰাস কৰাৰ দাবী উত্থাপন কৰে। ইফালে, সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত মায়ঙতো একেধৰণৰ প্ৰতিবাদী সমদল বাহিৰ হয়। মায়ং আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিৰুদ্ধে শ্লোগান সহযোগে বিক্ষোভ প্ৰদৰ্শন কৰে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য হ্ৰাস কৰাৰ দাবীকে কেন্দ্ৰ কৰি মায়ঙৰ ৰাজপথ উত্তাল হৈ পৰে। ইয়াৰ লগতে, শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থাইও তীব্ৰ প্ৰতিবাদ চলায়। শুৱালকুছি বজাৰ চ'কত যোগান বিভাগৰ প্ৰতীকি শৱ কান্ধত লৈ শৱযাত্ৰা উলিয়ায় সন্থাৰ কৰ্মীসকলে। এইসময়ত তেওঁলোকে 'যোগান বিভাগ হায় হায়', 'অসম চৰকাৰ হায় হায়', 'যোগান মন্ত্ৰীৰ কাম নাই', 'অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য হ্ৰাস কৰক' আদি শ্লোগান দি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে সকীয়নি দি কয় যে, চৰকাৰে যদি শীঘ্ৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে আগন্তুক দিনত তেওঁলোকে অধিক তীব্ৰ আৰু ব্যাপক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব। উল্লেখ্য যে, অসমৰ বিভিন্ন প্ৰান্তত অত্যাৱশ্যকীয় দৈনন্দিন সামগ্ৰীৰ মূল্য বাঢ়ি থকাৰ বাবে সাধাৰণ ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলেও গভীৰ উদ্বেগ প্ৰকাশ কৰি আহিছে। ছাত্ৰ সন্থাই এই প্ৰতিবাদক আন্দোলনৰ ৰূপ দিব পাৰে বুলি সকীয়নি দিয়াৰ লগতে চৰকাৰক তৎক্ষণাত মূল্য হ্ৰাসৰ বাবে পদক্ষেপ ল'বলৈ আহ্বান জনাইছে। ঘটনাস্থলীসমূহত পৰ্যাপ্ত আৰক্ষী মোতায়েন কৰা হৈছে যদিও কোনো ধৰণৰ সংঘৰ্ষৰ খবৰ পোৱা নাই।

## ১৫ গৰাকী শিক্ষকলৈ ২০২৬ বৰ্ষৰ

শিক্ষকে এই গৌৰৱজনক সন্মান লাভ কৰিছে। বঁটাপ্ৰাপকসকল যোৰহাটৰ শ্যামলীমা বৰা, কামৰূপ মহানগৰৰ বিজন ৰয় ভৌমিক, নলবাৰীৰ মানৱ ভৰালী, ডিব্ৰুগড়ৰ ৰিজু কুমাৰ চুতীয়া আৰু দিতি মণি দত্ত, শোণিতপুৰৰ প্ৰবীণ কোচ, বৰপেটাৰ ৰনেন্দ্ৰ কুমাৰ দাস, ধুবুৰীৰ আজিজুৰ ৰহমান, নগাঁৱৰ মাণিক চন্দ্ৰ নাথ, কোকৰাঝাৰৰ বিবি প্ৰসাদ ব্ৰহ্ম, গোলাঘাটৰ পুলস্কা ৰাজখোৱা, হোজাইৰ সাৰংগ নিৰ্মলীয়া, দৰঙৰ বেফুলা ডেকা শইকীয়া, কাছাৰৰ স্বত্বায়ান দেৱ, কাৰ্বি আংলঙৰ কামছিং হানছে। উল্লেখ্য যে, কৃতী শিক্ষক বঁটা প্ৰদান অনুষ্ঠানটো ৫ ছেপ্টেম্বৰত গুৱাহাটীস্থিত শ্ৰীশ্ৰী দামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছে। অনুষ্ঠানত ৰাজ্যৰ শিক্ষামন্ত্ৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকি শিক্ষকসকলক সন্মানিত কৰিব বুলি সূত্ৰই জানিবলৈ দিছে। শিক্ষাক্ষেত্ৰখনলৈ এই বঁটাপ্ৰাপক শিক্ষকসকলৰ অৱদান আগন্তুক প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা হৈ থাকিব বুলি চৰকাৰীয় সূত্ৰে আশা প্ৰকাশ কৰিছে।

## আমেৰিকাই অনুকূল ৰেহাই হাৰ

মেক্সিকো, চিলি, মাৰ্কোচুৰ, দক্ষিণ আফ্ৰিকা শুল্ক ইউনিয়ন, উপসাগৰীয় সহযোগিতা পৰিষদ, ইজৰাইল, আছিয়ান, কোৰিয়া আৰু জাপানৰ সৈতে হোৱা চুক্তিসমূহ পুনৰীক্ষণৰ প্ৰচেষ্টাও চলি আছে। তেওঁ দাবী কৰে যে, আগন্তুক কেইমাহ আৰু দুবছৰৰ ভিতৰত সম্পাদিত হ'বলগীয়া নতুন এফটিএসমূহে বিশ্বৰ প্ৰায় ৭৫ শতাংশ বাণিজ্যকে ভাৰতৰ বাবে সুবিধাজনক কৰি তুলিব। ভাৰতে বৰ্তমান ব্ৰিটেইন, মৰিচাছ, ওমান, ইউএই আৰু অষ্ট্ৰেলিয়াৰ সৈতে বাণিজ্যিক চুক্তি ৰূপায়ণ কৰি থকাৰ লগতে নিউজিলেণ্ডৰ সৈতে চুক্তি অতি সোনকালে সম্পাদিত হ'ব বুলি গোৱেলে উল্লেখ কৰে। তাৰ পিছত ইউৰোপীয় ইউনিয়নৰ ২৭খন দেশৰ ব্লকৰ সৈতে এফটিএৰ আলোচনা আগুৱাই নিয়া হ'ব। আমেৰিকাৰ প্ৰসংগত তেওঁ কয়, "আমেৰিকাই আমাক আমাৰ প্ৰতিযোগীসকলৰ তুলনাত উন্নত ৰেহাই হাৰ দিবলৈ সক্ষম হ'লেই আমি বিটিএ চূড়ান্ত কৰিম আৰু তাৰ সবিশেষ ৰাইজৰ আগত ঘোষণা কৰিম।" উল্লেখ্য যে, ফেব্ৰুৱাৰী মাহত ভাৰত-আমেৰিকা চুক্তিৰ প্ৰথম পৰ্যায়ৰ কাঠামো চূড়ান্ত কৰাৰ কথা ঘোষণা কৰা হৈছিল যদিও আমেৰিকাৰ শুল্ক নীতিৰ পৰিৱৰ্তনৰ বাবে আলোচনা দীৰ্ঘায়িত হৈ আছে। ২৪ জুলাইত আমেৰিকাই ভাৰতকে ধৰি কেইবাখনো দেশৰ ওপৰত অতিৰিক্ত ১০ শতাংশ শুল্ক আৰোপ কৰাৰ পিছত এই চুক্তিৰ গতি লেহেমীয়া হৈছিল। কিন্তু গোৱেলে আশ্বাস দিয়ে যে, ছেপ্টেম্বৰৰ শেষত মিলৱাকিত অনুষ্ঠিত হ'বলগীয়া জি-২০ বাণিজ্য মন্ত্ৰীসভাত তেওঁ ইউএছটিআৰ জেমিছন গ্ৰীৰৰ সৈতে দ্বিপাক্ষিক আলোচনা চলাব, যিয়ে চুক্তিখনৰ বাট মুকলি কৰিব। বাণিজ্যিক সুবিধাসমূহৰ সদ্ব্যৱহাৰৰ ওপৰত গুৰুত্ব দি গোৱেলে কয় যে, বস্ত্ৰ খণ্ডৰ উদাহৰণত বাংলাদেশ আৰু ভিয়েটনামে কম শুল্কৰ সুবিধা লাভ কৰি আহিছিল, কিন্তু এতিয়া ভাৰতেও প্ৰায় সকলো উন্নত বজাৰতে প্ৰতিযোগীসকলৰ তুলনাত উন্নত হাৰ নিশ্চিত কৰিবলৈ সক্ষম হৈছে। তেওঁ কয়, "বল এতিয়া সম্পূৰ্ণৰূপে আমাৰ ক'ৰ্টত।" গুণগত মান, গ্ৰাহকৰ আস্থা আৰু সময়মতে অৰ্ডাৰ প্ৰদানৰ দিশত উদ্যোগসমূহে গুৰুত্ব দিব লাগে বুলিও তেওঁ আহ্বান জনায়। চলিত বৰ্ষৰ বাবে ভাৰতে ৰ ট্ৰিলিয়ন ডলাৰৰ ৰপ্তানি লক্ষ্য নিৰ্ধাৰণ কৰিছে। গোৱেলে জানিবলৈ দিয়ে যে, চলিত বৰ্ষৰ প্ৰথম চাৰি মাহত (এপ্ৰিল-জুলাই) ৰপ্তানি প্ৰায় ৩১৭ বিলিয়ন ডলাৰ হৈছে, যি বিগত বৰ্ষৰ একে সময়ছোৱাত ২৮০ বিলিয়ন ডলাৰ আছিল। এই ধাৰাটো সন্তোষজনক বুলি উল্লেখ কৰি তেওঁ কয় যে, চাৰি বছৰৰ পিছত অৰ্থাৎ ২০৩০ চনৰ ভিতৰতে চ ট্ৰিলিয়ন ডলাৰৰ ৰপ্তানি লক্ষ্য পূৰণ কৰাৰ আকাংক্ষা ৰখা উচিত। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ (এমএছএমই) আৰু প্ৰথম ৰপ্তানিকাৰকসকলক সহায় কৰিবলৈ গোৱেলে কেইবাটাও পদক্ষেপৰ কথা উল্লেখ কৰে। হৰমুজ প্ৰণালীজনিত সমস্যা সমাধানৰ পথ বিচাৰি উলিওৱাৰ লগতে আগন্তুক ১০০খন ভব্য ঔদ্যোগিক উদ্যানত ৰপ্তানিকাৰকসকলক ৰেহাইৰ সুবিধা আগবঢ়োৱা হ'ব। উচ্চ লক্ষ্যত উপনীত হোৱা ৰপ্তানিকাৰকসকলক আবণ্টনত অতিৰিক্ত ৰেহাই দিয়াৰ কথাও তেওঁ কয়। ই-কমাৰ্চক বৃহৎ পৰিসৰত ৰপ্তানি আৰম্ভ কৰিবলৈ উৎসাহিত কৰিবলৈ নীতি পৰিৱৰ্তন কৰা হৈছে বুলি তেওঁ স্পষ্ট কৰে। ৰাজ্যসমূহলৈ পৰামৰ্শ প্ৰদান কৰি গোৱেলে কয়, প্ৰতিখন ৰাজ্যই নিজ নিজ এলেকাত এফটিএৰ দ্বাৰা ইতিমধ্যে লাভান্বিত সামগ্ৰী আৰু ক্লাষ্টাৰ চিনাক্ত কৰি লাভ হোৱা সুবিধাসমূহৰ ব্যৱহাৰ বৃদ্ধি কৰিব লাগে। বাণিজ্য সচিব ৰাজেশ আগৰৱালাই সমাবেশত কয়, "এফটিএই যি সুযোগৰ দুৱাৰ মুকলি কৰিছে, সেয়া অসীম সময়ৰ বাবে নহয়। ভাৰতৰ প্ৰতিযোগীসকলেও কোনো সময়ত একেধৰণৰ বাণিজ্যিক চুক্তি কৰিব। গতিকে আমি সময়খিনি ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰাটো অত্যন্ত প্ৰয়োজন।" ভাৰতত প্ৰায় ১২, ৩০০টা টেৰিফ লাইন বা পণ্য শ্ৰেণী আছে, যাৰ বেছিভাগেই কোনো নহয় কোনো বাণিজ্যিক চুক্তিৰ দ্বাৰা প্ৰভাৱিত বুলি তেওঁ উল্লেখ কৰে। এই কৰ্মশালাত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল, ৰপ্তানি প্ৰসাৰ পৰিষদ আৰু উদ্যোগ সংস্থাসমূহৰ উচ্চপদস্থ বিষয়াসকল অংশগ্ৰহণ কৰে, যাৰ মূল উদ্দেশ্য আছিল সম্প্ৰসাৰিত চুক্তি নেটৱৰ্কৰ পূৰ্ণ সুবিধা ৰপ্তানিকাৰকসকললৈ, বিশেষকৈ এমএছএমই আৰু প্ৰথম ৰপ্তানিকাৰকসকললৈ, লৈ যোৱা। গোৱেলৰ এই ঘোষণাসমূহে আগন্তুক দিনত ভাৰতৰ বৈদেশিক বাণিজ্যৰ বাবে এক নতুন দিগন্ত মুকলি কৰিব বুলি বিশ্লেষকসকলে অভিমত প্ৰকাশ কৰিছে।

## সতীৰ্থৰ গুলীতে নিহত অসম আৰক্ষীৰ দুই

আউটপোষ্টত বৃহস্পতিবাৰে পুৱা এজন জোৱানে আন দুজন সহকৰ্মীক লক্ষ্য কৰি গুলীচালনা কৰে। ঘটনাস্থলীতেই দুয়োজনৰ মৃত্যু হয়। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে, অসম আৰক্ষীৰ ২৯ নং বেটালিয়নৰ কনিষ্টবল চিৰঞ্জীৱ চৌধুৰীৰ বিৰুদ্ধে এই গুলীচালনাৰ অভিযোগ উত্থাপন হৈছে। চৌধুৰীয়ে নিজৰ সেৱাৰত এ কে ৪৭ ৰাইফলটো ব্যৱহাৰ কৰি সহকৰ্মীদ্বয়ক গুলীয়াই হত্যা কৰে। কিন্তু কি কাৰণত তেওঁ এনে অমানৱীয় কাণ্ড সংঘটিত কৰিলে, সেয়া এতিয়াও পোহৰলৈ অহা নাই। মৃত আৰক্ষী জোৱান দুজন হৈছে- গামেৰিমুৰা আউটপোষ্টৰ ভাৰপ্ৰাপ্ত বিষয়া ইন্দ্ৰজিৎ বৰা আৰু কনিষ্টবল ফজৰুল আলী। ফজৰুল আলী বৰপেটাৰ সৰভোগ অঞ্চলৰ বাসিন্দা, আনহাতে ইন্দ্ৰজিৎ বৰাৰ ঘৰ কামৰূপ জিলাৰ চাংসাৰিত। অভিযুক্ত চিৰঞ্জীৱ চৌধুৰী ধুবুৰী জিলাৰ বাসিন্দা বুলি জানিব পৰা গৈছে। ঘটনাটোৰ কিছু সময়ৰ ভিতৰতে বকো থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মুন্না পাঁচনীয়ে আৰক্ষী দল লৈ ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰাৰ লগতে অভিযুক্তক জিম্মাত লৈ জেৰাৰ প্ৰক্ৰিয়া চলাই আছে। বকো থানাৰ বিষয়া পাঁচনীয়ে সাংবাদিকক জনায় 'আমি অভিযুক্তক জিম্মাত ৰাখি গভীৰভাৱে জেৰা কৰি আছে। এই কাণ্ডৰ আঁৰৰ প্ৰকৃত কাৰণ আৰু উদ্দেশ্য এতিয়াও স্পষ্ট হোৱা নাই। সম্ভাব্য সকলো দিশৰ পৰা আমি ঘটনাটোৰ পৰ্যালোচনা কৰি আছো।' ঘটনাটোৱে সমগ্ৰ এলেকাত আতংকৰ সৃষ্টি কৰাৰ লগতে অসম আৰক্ষী মহলত শোকৰ ছাঁ পেলাইছে। কিয় এজন জোৱানে আকস্মিকভাৱে সহকৰ্মীৰ প্ৰতি গুলী চলালে- সেই প্ৰশ্নৰ উত্তৰ বিচাৰি তদন্তকাৰী সংস্থাই বিভিন্ন সম্ভাব্য দিশত অনুসন্ধান অব্যাহত ৰাখিছে।

## ৰোহিত শৰ্মাৰ অৱসৰৰ সম্পৰ্কত

ইংগিত দিয়ে যে ৰোহিতৰ কেৰিয়াৰলৈ বৰ্তমান কোনো সঙ্কট নাই। তেওঁ কয়, "যেতিয়ালৈকে ৰোহিতে এনেদৰে ভাল খেলি থাকে, তেতিয়ালৈকে তেওঁৰ আগন্তুক এদিনীয়া বিশ্বকাপলৈকে যাত্ৰা সহজেই অব্যাহত থাকিব।" দলৰ মুখ্য নিৰ্বাচক অজিত আগৰকাৰ এই বৈঠকত অনুপস্থিত থকা প্ৰসংগত শইকীয়াই কয় যে, বৈঠকখন হঠাতে আহ্বান কৰা হোৱা বাবে ব্যক্তিগত কাৰণত আগৰকাৰ উপস্থিত থাকিব নোৱাৰিলে। কিন্তু এই ব্যাখ্যা সন্তোষজনক নহয় বুলি ক্ৰিকেট মহলত চৰ্চা চলিছে। বৈঠকত টেষ্ট আৰু এদিনীয়া দলৰ অধিনায়ক শুভমন গিল আৰু টি-২০ দলৰ অধিনায়ক শ্ৰেয়াছ আয়াৰে উপস্থিত থাকি নিজৰ মতামত প্ৰকাশ কৰে। সংবাদ মাধ্যমে তেওঁলোকক প্ৰশ্ন কৰিবলৈ চেষ্টা কৰিলেও উত্তৰ নিদিয়াকৈ তেওঁলোকে ঘটনাস্থলী পৰিত্যাগ কৰে। ইফালে, বিচিচিআয়ে 'ডাইৰেক্টৰ অৱ ক্ৰিকেট' পদত কাকো নিযুক্তি দিয়াৰ সম্ভাৱনা সম্পৰ্কে ওলোৱা খবৰকো সম্পাদক গৰাকীয়ে সম্পূৰ্ণৰূপে নাকচ কৰি দিয়ে। সামগ্ৰিকভাৱে, এই বৈঠকে ৰোহিত শৰ্মাৰ দীঘলীয়া কেৰিয়াৰক লৈ আশাবাদী দৃষ্টিভংগী প্ৰদান কৰাৰ লগতে আগন্তুক বিশ্বকাপলৈ ভাৰতীয় দলৰ পৰিকল্পনা স্পষ্ট কৰাৰ ইংগিত দিছে। অৱশ্যে অজিত আগৰকাৰৰ অনুপস্থিতি আৰু শুভমন-শ্ৰেয়াছৰ নীৰৱতাৰ বাবে কিছুমান প্ৰশ্নৰ উত্তৰ অমীমাংসিত হৈয়েই আছে।

## মিত্ৰতা থাকে বা নাথাকে সেয়া

ৰাইজৰ দলৰ সৈতে সম্পৰ্কচ্ছেদ কৰাৰ প্ৰসংগ উত্থাপন হোৱাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, "এতিয়া অসমৰ বাবে কাম কৰাৰ সময়। মই ২০৩১ চনলৈকে এইবোৰ চিন্তা-চৰ্চাত সময় নষ্ট নকৰো।" তেওঁ লগতে কয়, "ভগৱানে মোক দুবাৰকৈ মুখ্যমন্ত্ৰী হোৱাৰ সুযোগ প্ৰদান কৰিছে, এনে সুযোগ সকলোকে নিদিয়ে। ৰাইজৰ পৰা মই যি আশীৰ্বাদ লাভ কৰিছো, তাৰ বাবে কৃতজ্ঞ। অহা পাঁচ বছৰ মোৰ কেৱল অসমৰ ৰাইজৰ বাবে কাম কৰাৰ।" মুখ্যমন্ত্ৰীয়ে কটাক্ষপূৰ্ণভাৱে কয়, "তেওঁলোক (কংগ্ৰেছ আৰু ৰাইজৰ দল)ৰ মিত্ৰতা থাকে বা নাথাকে, সেই বিষয়ে মই নাজানো আৰু জানিবও নিবিচাৰো। এইবিলাক বিতৰ্কত পৰি থাকিলে মই অসমৰ বাবে পৰিকল্পিত কামবোৰ সঠিকভাৱে আগবঢ়াব নোৱাৰিম।" উল্লেখ্য যে, বৃহস্পতিবাৰে প্ৰদেশ কংগ্ৰেছে ৰাইজৰ দলৰ বিৰুদ্ধে মিত্ৰতাৰ নীতি উলংঘা আৰু চৰিত্ৰহননৰ অভিযোগ উত্থাপন কৰি আনুষ্ঠানিকভাৱে সম্পৰ্ক ছেদ কৰে। এই প্ৰসংগতে মুখ্যমন্ত্ৰী ড° শৰ্মাই দলীয় মিত্ৰতাৰ পৰিৱৰ্তে ৰাজ্যৰ উন্নয়নকেই প্ৰাধান্য দিব বুলি স্পষ্ট ইংগিত প্ৰদান কৰে। '২০৩১ চনলৈকে চিন্তা নকৰো' বুলি কোৱাৰ জৰিয়তে তেওঁ আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনী সমীকৰণৰ প্ৰতি কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি নিজৰ বৰ্তমানৰ উন্নয়নমূলক কাৰ্যসূচীৰ প্ৰতি গুৰুত্ব আৰোপ কৰাটো তেওঁৰ কৌশল বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## মিত্ৰতা ভংগৰ পিছতেই অখিল

লগতে তেওঁ দীঘলীয়াকৈ নিজৰ মনৰ ভাৱ ব্যক্ত কৰি কয়, "বহুদিনৰ মূৰত আজি গোটেই দিনটো শুলোঁ। গা-মনৰ ভাগৰ মাৰিলোঁ। সন্ধিয়াত মুক্ত আকাশৰ ফালে হাত প্ৰসাৰিত কৰি প্ৰকৃতি দেৱীক প্ৰাৰ্থনা কৰিলোঁ। কিমান দিনৰ মূৰত যে মুকলি আকাশৰ তলত বিহংগ হৈ নিজক উজ্জীৱিত কৰিলোঁহু" উল্লেখযোগ্য যে, দলীয় সমীকৰণৰ ডাঙৰ পৰিৱৰ্তনৰ সময়ত অখিল গগৈৰ এই ব্যক্তিগত আৰু দাৰ্শনিক পোষ্টে সমীচীন মহলত নানা চৰ্চাৰ সৃষ্টি কৰিছে। বহুতে এই পোষ্টক মিত্ৰতা ভংগৰ পিছত মানসিক মুক্তি বা আত্মপৰ্যালোচনা বুলি ব্যাখ্যা কৰিলেও, কোনো কোনোৱে ৰাজনৈতিক ইংগিত বিচাৰি পাবলৈ চেষ্টা কৰিছে। পোষ্টটোৰ শেষভাগত অখিল গগৈয়ে অনুৰাগীসকলক এক প্ৰশ্নও সোধে-"আপোনালোকে কেতিয়াবা এনেকৈ অৰণ্য, আকাশ, ডাৱৰ, আন্ধাৰ, তৰা, চন্দ্ৰৰ সৈতে কথা পাতেনে?" তেওঁৰ এই পোষ্টত বিভিন্ন শ্ৰেণীৰ লোক-ৰাজনৈতিক সহকৰ্মী, ভক্ত, সমালোচক, আৰু সাধাৰণ নেটিজেনসকলে নানা ধৰণৰ মন্তব্য আগবঢ়াইছে। কেইবাজনো লোকে তেওঁৰ মানসিক শান্তি আৰু আত্মোপলব্ধিৰ প্ৰশংসা কৰিছে, আকৌ কোনো কোনোৱে এই সময়ত এনে পোষ্টক 'ৰাজনৈতিক সংকেত' বুলিও অভিহিত কৰিছে। অখিল গগৈয়ে পোষ্টটোত নতুন কোনো ৰাজনৈতিক মন্তব্য বা কংগ্ৰেছ বা বিজেপিক লক্ষ্য কৰা ভাষা প্ৰয়োগ নকৰিলেও, দলীয় মিত্ৰতা ভংগৰ লগে লগে তেওঁৰ এই গভীৰ চিন্তা-চৰ্চাই সামাজিক মাধ্যমত তুমুল আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

# নিৰ্মিয়মান দিবাং জলবিদ্যুৎ প্ৰকল্পটো উজনি অসমৰ বাবে প্ৰকৃতাৰ্থতেই একোটা বৃহৎ জলবোমা

## প্ৰকল্প স্থান পৰিদৰ্শন কৰি অহা ডিব্ৰুগড় জিলা নাগৰিক সন্মিলনৰ অভিমত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ ছেপ্টেম্বৰ ঃ** অতি সম্প্ৰতি উজনি অসমত সংঘটিত প্ৰলয়ংকাৰী বানৰ ভয়ঙ্কৰ দুৰৱস্থাৰ কথাই যেনেদৰে মনত পেলাই দিয়ে ইতিমধ্যে সংঘটিত হৈ যোৱা কুৰিশু নদীৰ বান্ধ আৰু কপিলী নদীৰ বান্ধে সৃষ্টি কৰা মহাপ্ৰলয়লৈ, তেনেদৰে অৰুণাচলৰ নামনিত দিবাং নদীৰ ওপৰত নিৰ্মিয়মান এই দিবাং বহুমুখী জলবিদ্যুৎ প্ৰকল্পৰ কিছুমান তথ্যই স্বাভাৱিকতে তেনে সম্ভাব্যৰ ভয়াৱহ ছবিখনলৈ মনত পেলাই দিয়ে। অৰুণাচলৰ পাহাৰ সমূহত যেনেদৰে ইটোৰ পিছত সিটোকৈ নদীবান্ধ নিৰ্মাণ আৰু নিৰ্মাণৰ প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ অপেক্ষা কৰি থকা হৈছে, এইবোৰ কেৱল জলবিদ্যুৎ উৎপাদনৰ প্ৰকল্পই নহয়, এইবোৰ যেন অসমৰ বাবে একো একোটা বৃহৎ বৃহৎ জলবোমা, তেনে ধাৰণাৰহে দৃঢ় হয়। অৰুণাচলৰ পাহাৰৰ ওপৰত দিবাং নদীৰ ওপৰত নিৰ্মাণৰত দিবাং বহুমুখী জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ স্থলী পৰিদৰ্শন কৰি ঘূৰি অহা ডিব্ৰুগড় জিলা নাগৰিক সন্মিলনৰ প্ৰতিনিধি দলে ডিব্ৰুগড়ত সংবাদ মাধ্যমৰ জ্ঞানাৰ্থে প্ৰেৰণ কৰা প্ৰেছ বিজ্ঞপ্তিত এই কথা প্ৰকাশ কৰে। যোৱা ১ চেপ্তেম্বৰৰ দিনা উক্ত প্ৰকল্পটো নিৰ্মাণৰ শেহতীয়া অৱস্থা প্ৰত্যক্ষ কৰিবলৈ ডিব্ৰুগড় জিলা নাগৰিক সন্মিলনৰ এটা প্ৰতিনিধি দল দিবাঙলৈ গৈছিল। দলটোত আছিল ডিব্ৰুগড় জিলা নাগৰিক সন্মিলনৰ সভাপতি শৰৎ চন্দ্ৰ নেওগ, কাৰ্যকৰী সভাপতি সভাপতি ৰঞ্জন গগৈ, সাধাৰণ সম্পাদক উত্তম কুমাৰ চেতিয়া, অন্যতম সম্পাদক ৰাতুল গগৈ আৰু কাৰ্যনিৰ্বাহকৰ সদস্যা ভাৰতী হাজৰা দত্ত। নিৰ্মিয়মান অৱস্থাত থকা প্ৰকল্পটো চাই আহি জিলা সন্মিলনৰ হৈ সভাপতি আৰু সাধাৰণ সম্পাদকদ্বয়ে মূলতঃ এটাই কথা প্ৰকাশ কৰে যে, এইটো যেন জলবিদ্যুৎ প্ৰকল্প নহয়, ই এটা উজনি অসমৰ বিশেষকৈ শদিয়া-তিনিচুকীয়া-ডিব্ৰুগড় জিলাক নিমিষতে গ্ৰাস কৰিব পৰা এটা বৃহৎকায় জলবোমা। দিবাং নৈৰ ওপৰৰ এই নামনি অংশতেই কেৱল এই প্ৰকল্পটো আছে তেনে নহয়, এই একেখন নদীৰ ওপৰত ক্ৰমান্বয়ে ওপৰলৈ আৰু ১৭ টাকৈ নদীবান্ধ নিৰ্মাণৰ প্ৰস্তাৱ কাৰ্যকৰী হোৱাৰ দিশত সাজু হৈ আছে। মুঠ ১৮টা প্ৰকল্পৰ মুঠ ১০,০৯৩ মেগাৱাট ক্ষমতাসম্পন্ন। বিশেষ বিশেষজ্ঞ নহ'লেও এটা সাধাৰণ জ্ঞানেৰেই যদি চোৱা যায়, বাৰিষাকালত সাধাৰণতে বৰষুণ বেছি হয় আৰু অতি বেছি বৰষুণ হ'লে বান্ধ সমূহ সুৰক্ষাৰ বাবেই বান্ধ সমূহে পানী এৰি দিবলগীয়া হয়। ওপৰৰ বান্ধ সমূহৰ প্ৰত্যেকৰে পৰা বাগৰি অহা পানীয়ে শেহতীয়া তলৰ বান্ধটোৰ পানী অত্যধিক হৈ পৰে আৰু এই বান্ধৰ পানী খুলি দিয়া পানীয়েই নামনি অঞ্চলৰ বাবে প্ৰলয়ংকাৰী বানৰ সৃষ্টি হয়। তেনে অৱস্থাত কেনেবাকৈ যদি বান্ধ ভাগিও যায়, তেতিয়াই অসমত সৃষ্টি হ'ব বানৰ মহাপ্ৰলয়। অন্যহাতে এই বৃহৎ অঞ্চলটো যে ভূমিকম্পপ্ৰৱণ অঞ্চল, তাক সকলোৱে জান। তেতিয়াই যদি উচ্চ ৰিখটাৰ স্কেলত ভূমিকম্প আহে, তেতিয়া কি হ'ব পাৰে চাগে কোনেও কাকো নকলেও হ'ব। এইখিনিতে এই কথাও পাহৰিলে নহ'ব যে, দিবাং বহুমুখী জলবিদ্যুৎ প্ৰকল্পটোৰ উচ্চতা ২৭৮ মিটাৰ আৰু ইয়াৰ ক্ষমতা ২৮৮০ মেগাৱাট, যি ২০০০ মেগাৱাট ক্ষমতাসম্পন্ন সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পটোতকৈ অধিক। জিলা নাগৰিক সন্মিলনৰ সভাপতি আৰু সাধাৰণ সম্পাদকদ্বয়ে লগতে এই কথাও জানিবলৈ দিয়ে যে, কেৱল দিবাং নদীৰ ওপৰৰ প্ৰস্তাৱিত মুঠ ১৮টা প্ৰকল্পই নহয়, নিমিষতে অসমৰ প্ৰায় আধা অংশকে তচনচ কৰি পেলাব পৰা অৰুণাচল প্ৰদেশত আছে দিবাঙকে ধৰি সৰ্বমুঠ ১৮৯টা প্ৰকল্প আৰু প্ৰস্তাৱিত প্ৰকল্প। সেইকেইটা হ'ল, কামেঙত ৫৫টা, টাৱাঙত ১৩ টা, ডিক্ৰুঙত ৯ টা, সোৱনশিৰিত ৩১ টা, চিয়াঙৰ ৪৭ টা, দিবাঙত ১৮ টা, লোহিতত ১২টা আৰু টিৰাপত ৪ টা। মুঠ ১৮৯ টা। ইয়াৰ সৰ্বমুঠ ক্ষমতা ৫৮.১৫৮.৯ মেগাৱাট। পাহাৰৰ ওপৰলৈ এডোখৰ গাড়ীৰে, এডোখৰ কেৱল শিল আৰু শিলৰ গুৰিৰ ওপৰেদি খোজেৰে বান্ধ নিৰ্মাণ স্থানলৈ গৈ থাকোঁতে পৰিদৰ্শনকাৰী দলটোৱে দেখে, দিবাং নদীৰ পাৰৰ বিৰাট বৃহৎ বৃহৎ এলেকাতো পাহাৰ-গছ আদি কাটি সমভূমিলৈ পৰিণত কৰি অত্যাধুনিক যন্ত্ৰপাতি, শ-শ ট্ৰাক-বুলডজাৰ, শ-শ জে চি বি আদি ব্যৱহাৰ কৰি প্ৰকাণ্ড যেন এটা কাৰখানাৰ দৰে শ-শ শ্ৰমিকে কাম কৰি আছে। মূল যিটো বান্ধ নিৰ্মাণ হ'ব, তাৰ বাবেই এই বিৰাট কাৰখানা সদৃশ কাম-কাজ চলাই থকা হৈছে আৰু এনে আনুসাংগিক কাম অচিৰেই শেষ হ'বলৈ গৈ আছে আৰু তাৰ পাছতেই মূল বান্ধটো নিৰ্মাণৰ কাম কৰা হ'ব। এই বৰ্ণনা ব্যক্ত কৰাৰ পাছত জিলা নাগৰিক সন্মিলনৰ সভাপতি আৰু সাধাৰণ সম্পাদকদ্বয়ে কয়, -এতিয়াও মূল বান্ধৰ নিৰ্মাণ কাৰ্য আৰম্ভ হোৱাই নাই, আৰম্ভ হ'লেই হাজাৰ আস্ফালন কৰিলেও যিহেতু কামত নাহিব, সেয়েহে মূল বান্ধটো নিৰ্মাণ হোৱাৰ আগেয়েই, এই সময়তেই সংগঠন, দল-মত নিৰ্বিশেষে যদি তীব্ৰ গণ আন্দোলন গঢ়ি তুলিব পৰা যায়, তেতিয়া হয়তো নিজৰ জীৱন নিজেই ৰক্ষা কৰিব পৰা যাব। ৰাইজে নখ জোকাৰিলে নৈ বয় বোলা কথাষাৰ যেনেকৈ আছে তেনেকৈ আমি জানো যে, প্ৰলয়ংকাৰী বান আহিলে কংগ্ৰেছ-কমিউনিষ্ট, বি জে পি, আজমল, জাতীয়তাবাদী আদি কোনো বাচি নেথাকিব। সেয়েহে ভয়ংকৰ বিপদ অহাৰ আগে-আগে মানৱ সৃষ্ট প্ৰলয়ংকাৰী বান দুৰ্যোগ প্ৰতিৰোধৰ বাবে সকলো ওলাই অহাৰ প্ৰয়োজন বুলি নাগৰিক সন্মিলনৰ বিবৃতিটোত প্ৰকাশ।

**দীৰ্ঘদিনৰ পৰা বিভিন্ন অভিযোগ উত্থাপন হৈ আহিছিল প্ৰহৃত আব্দুল্লাহৰ বিৰুদ্ধে**

# লাহৰীঘাট সমজিলা কাৰ্যালয়ৰ চৌহদত দালালী কৰাৰ অভিযোগত শ্বেখ আব্দুল্লাহক দৌৰাই দৌৰাই ধৰি লপা থপা

**অসম বাৰ্তা, ভূৰাগাঁও, ৪ ছেপ্টেম্বৰ ঃ** বুধবাৰে সন্ধিয়া লাহৰীঘাট সমজিলা কাৰ্যালয়ত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। সমজিলা কাৰ্যালয়ৰ চৌহদত শ্বেখ আব্দুল্লাহ নামৰ এজন লোকক দালালৰাজ চলোৱাৰ অভিযোগত দৌৰাই দৌৰাই ধৰি লপা থপা দিয়ে এগৰাকী মহিলাই। অভিযোগ অনুসৰি অলপতে বদলি হোৱা লাহৰীঘাট সমজিলাৰ আয়ুক্ত শিল্পীকা কলিতাই শ্বেখ আব্দুল্লাহ নামৰ এজন লোকক কম্পিউটাৰ সহায়ক হিচাপে নিয়োগ কৰিছিল। শ্বেখ আব্দুল্লাহ সমজিলাত প্ৰৱেশ কৰিয়েই আৰম্ভ কৰিছিল দালালি। সদ্য বদলি হোৱা সমজিলা আয়ুক্ত শিল্পীকা কলিতাৰ ছত্ৰছায়াত আব্দুল্লাহে হকে বিহকে বিভিন্ন কাম কৰি দিয়াৰ নামত অবাধে ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈছিল। আব্দুল্লাহৰ এই কাৰ্যকলাপ দেখিও নিৰৱতা অৱলম্বন কৰিছিল তদানিন্তন সমজিলা আয়ুক্ত শিল্পীকা কলিতাই। দালাল আব্দুল্লাহৰ কুকীৰ্তি কাৰ্যালয়ৰ কৰ্মচাৰীয়ে বাধা দিলেই আয়ুক্ত গৰাকীয়ে সেই কৰ্মচাৰীক বদলি পৰ্যন্ত কৰাৰ ভাবুকি প্ৰদানৰ অভিযোগ উত্থাপন হৈছিল। এনেদৰে আয়ুক্ত শিল্পীকা কলিতাৰ ৰোষত পৰি বহু কেইবাগৰাকী কৰ্মচাৰী বদলি হব লগা হৈছিল। ভোক্তভোগী তছলিমা নাচৰিন নামৰ মহিলা গৰাকীয়ে কৰা অভিযোগ মতে আব্দুল্লাহে তছলিমা নাচৰিন পৰা মাটিবাৰীৰ সমস্যা সমাধান কৰি দিয়াৰ নামত তিনি লাখ টকা উৎকোচ লৈছিল। বুধবাৰে নতুন সমজিলা আয়ুক্ত অনুৰাগ ফুকনে যোগদান কৰিবলৈ অহাত দালাল শ্বেখ আব্দুল্লাহ গামোচা পিন্ধাবলৈ আহিছিল। সন্ধিয়া সময়ত সেই গৰাকী মহিলা সহ কেইজনমান লোকে সমজিলা কাৰ্যালয়ত উপস্থিত হৈ আব্দুল্লাহৰ পৰা ধন ওভতাই বিচাৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। আনকি আব্দুল্লাহক লপা থপাও সোধাই। পৰিস্থিতি বিষম দেখি আব্দুল্লাহে দৌৰি পলায়নৰ চেষ্টা কৰে। এনে পৰিস্থিতিত আব্দুল্লাহক দৌৰাই দৌৰাই কৰায়ত্ত কৰাৰ চেষ্টা চলাওতে সমজিলা কাৰ্যালয়ত সৃষ্টি হয় এক অবাঞ্চিত পৰিস্থিতি। খবৰ পাই সমজিলা কাৰ্যালয়ত লাহৰীঘাট আৰক্ষী উপস্থিত হয়হি যদিও আৰক্ষী উপস্থিত হোৱাৰ পূৰ্বেই সুযোগ বুজি আব্দুল্লাহে পলায়ন কৰিবলৈ সক্ষম হয়। অৱশ্যে পলায়ন কৰা দালাল আব্দুল্লাহক বিচাৰি লাহৰীঘাট আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে দালাল আব্দুল্লাহৰ বিৰুদ্ধে স্থানীয় অন্য একাংশ লোকেও বহু অভিযোগ উত্থাপন কৰিছে। কিন্তু প্ৰশ্ন হ'ল যিটো সময়ত চৰকাৰে বিনামূলীয়াকৈ মাটি বাৰিৰ কাম কৰিবৰ কাৰণে কঠোৰ নিৰ্দেশনা দিছে সেইটো সময়ত আব্দুল্লাহৰ দৰে এজন মধ্যভোগীক তছলিমা নাচৰিনে কি কামৰ কাৰণে তিনি লাখকৈ টকা দিছিল। নিজৰ বৈধ নথি-পত্ৰ থকাৰ পাছতো কিয় তিনি লাখকৈ টকা দিছিল তছলিমাই। এয়া সমজিলা কাৰ্যালয়ৰ পৰা দালালৰ চাফাই অভিযান নে নতুন আয়ুক্তৰ দিনত আব্দুল্লাহৰ দৰে দালালক খেদি নতুন দালালে খোপনি লোৱাৰ কৌশল। তাক লৈয়ো প্ৰশ্ন কৰিছে বহু লোকে। কাৰণ শিল্পীকা কলিতাৰ বৰ্তমানত এই অভিযান নচলাই নতুন আয়ুক্তৰ যোগদানৰ সময়তহে কিয় সাৰ পালে এই সকলে।

**খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ 'শৰযাত্ৰা'**

# অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে নাজিৰা সমজিলাত আছুৰ অভিনৱ প্ৰতিবাদ

**অসম বাৰ্তা, নামতি, ৪ ছেপ্টেম্বৰ ঃ** নাজিৰাৰ শিমলুগুৰিত অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলঙ্ঘী মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক জুৰুলা কৰি পেলোৱা সময়তে চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহিল সদৌ অসম ছাত্ৰ সন্থা (আছু)। খাদ্যবস্তুকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আৰু তৎকালীনভাৱে মূল্য হ্ৰাস কৰাৰ দাবীত আজি নাজিৰা সমজিলাৰ নাজিৰা, গেলেকী, শিমলুগুৰিত এক উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় আহ্বানৰ প্ৰতি সঁহাৰি জনাই নাজিৰা, গেলেকী, শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ এক ব্যতিক্ৰমী ৰূপত প্ৰতিবাদ কৰি 'শৰযাত্ৰা' কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজি নাজিৰা আৰু শিমলুগুৰি নগৰৰ লগতে গেলেকীৰ ব্যস্ত ৰাজপথত আছু কৰ্মীসকলে হাতে-হাতে সংগঠনৰ পতাকা আৰু প্ৰতিবাদী বেনাৰ লৈ সমদল উলিয়াই চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। কাৰ্যসূচীৰ সময়ত প্ৰতিবাদকাৰী ছাত্ৰ নেতাসকলে খাদ্য আৰু যোগান বিভাগৰ ব্যৰ্থতাৰ বিৰুদ্ধে বিভিন্ন প্ৰতিবাদী শ্ল'গান দিয়ে। বজাৰত নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ দামবৃদ্ধিয়ে মধ্যবিত্ত আৰু দৰিদ্ৰ জনসাধাৰণক জুৰুলা কৰা সত্বেও বিভাগটোৱে কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবেই এনেদৰে বিভাগটোৰ 'শৰযাত্ৰা' উলিয়াবলৈ বাধ্য হোৱা বুলি সংগঠনটোৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়ে। যদি শীঘ্ৰেই চৰকাৰে




মূল্যবৃদ্ধি ৰোধ কৰি জনসাধাৰণক সকাহ নিদিয়ে, তেন্তে অনাগত দিনত তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি ছাত্ৰ সন্থাই হুংকাৰ প্ৰদান কৰে। লগতে বানাক্ৰান্ত বহু ৰাইজে চৰকাৰৰ ১৫০০০ টকাৰ সাহায্যৰ পৰা বঞ্চিত হৈ দুৰ্ভোগ ভুগিব লগীয়া হৈছে। অতিশীঘ্ৰে বঞ্চিত সকলো বানাক্ৰান্তক উক্ত অৰ্থ সাহায্য প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায় আছুৰ নেতৃত্বই। এই প্ৰতিবাদী কাৰ্যসূচীত শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা, নাজিৰা মহকুমাৰ সাধাৰণ সম্পাদক প্ৰীতম বৰগোঁহাই, শিমলুগুৰিৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ননী মাধৱ দত্ত, শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুশান্ত শইকীয়া, সাধাৰণ সম্পাদক পাৰ্থ চেতিয়া, জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য চৰণ চাহু উপস্থিত থাকে।

# কলগাছিয়া খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু কলগাছিয়া খণ্ড স্বাস্থ্য কেন্দ্ৰৰ মাজত সমন্বয় সভা

**অসম বাৰ্তা, বৰপেটাসদৰ, ৪ ছেপ্টেম্বৰ ঃ** বৰপেটাৰ জিলা আয়ুক্ত নৱদ্বীপ পাঠকৰ নিৰ্দেশমৰ্মে আজি কলগাছিয়া খণ্ড স্বাস্থ্য কেন্দ্ৰত বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু কলগাছিয়া খণ্ড স্বাস্থ্য কেন্দ্ৰৰ ৰ মাজত এখন সমন্বয় সভা অনুষ্ঠিত হয়। স্বাস্থ্য সেৱা অধিক শক্তিশালী কৰা আৰু সেৱা প্ৰদানৰ ক্ষেত্ৰত দুয়োটা প্ৰতিষ্ঠানৰ মাজত উন্নত সমন্বয় স্থাপন কৰাই সভাখনৰ মূল উদ্দেশ্য আছিল। সভাত বৰপেটা চিকিৎসা মহাবিদ্যালয় শিশু ৰোগ বিভাগৰ মুৰব্বী অধ্যাপিকা ডাঃ ৰুকাইয়া বেগম আৰু প্ৰসূতি আৰু স্ত্ৰীৰোগ বিভাগৰ ডাঃ কংকন তালুকদাৰ, বৰপেটাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভূপেন চন্দ্ৰ বৰা আৰু স্বাস্থ্য শাখাৰ সহকাৰী আয়ুক্ত মূৰ্চনা মালাকাৰৰ লগতে অন্যান্য স্বাস্থ্য বিষয়ববীয়া আৰু কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। সভাত কলগাছিয়া খণ্ড স্বাস্থ কেন্দ্ৰ আৰু বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ মাজত ৰেফাৰেল ব্যৱস্থা অধিক শক্তিশালী কৰাৰ ওপৰত আলোচনা কৰা হয়। বিশেষজ্ঞ চিকিৎসা আৰু উচ্চ পৰ্যায়ৰ চিকিৎসাৰ প্ৰয়োজন হোৱা ৰোগীসকলক সময়মতে ৰেফাৰ কৰা, ৰেফাৰ কৰা ৰোগীৰ সঠিক অনুসৰণ আৰু দুয়োটা স্বাস্থ্য প্ৰতিষ্ঠানৰ মাজত উন্নত যোগাযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। মাতৃ আৰু শিশু স্বাস্থ্য সেৱা, শিশু চিকিৎসা, গৰ্ভৱতী মহিলাৰ প্ৰসৱপূৰ্বক সেৱা, প্ৰতিষ্ঠানিক প্ৰসৱ, উচ্চ বিপদজনক গৰ্ভধাৰণৰ চিনাক্তকৰণ আৰু জৰুৰীকালীন ৰোগীৰ সময়মতে ৰেফাৰেল সন্দৰ্ভতো আলোচনা কৰা হয়। ইয়াৰ উপৰি ৰোগীৰ তথ্য সংৰক্ষণ, ৰোগীৰ অনুসৰণ আৰু চিকিৎসাৰ ধাৰাবাহিকতা বজাই ৰখাৰ ক্ষেত্ৰত সমন্বয় উন্নত কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। সভাৰ শেষত বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু কলগাছিয়া খণ্ড স্বাস্থ্য কেন্দ্ৰৰ মাজত নিয়মীয়া সমন্বয় অধিক শক্তিশালী কৰি ৰাইজক সময়মতে সহজলভ্য আৰু গুণগত স্বাস্থ্য সেৱা প্ৰদানৰ বাবে যৌথভাৱে কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

**নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইডাৰত খুন্দা মালবাহী EICHER বাহনৰ**

# জনীয়াত ভয়ংকৰ পথ দুৰ্ঘটনা



**অসম বাৰ্তা, জনীয়া, ৪ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ জনীয়াত ৩ চেপ্তেম্বৰ বৃহস্পতিবাৰে পুৱতি নিশা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। নিয়ন্ত্ৰণ হেৰুৱাই পথৰ ডিভাইডাৰত প্ৰচণ্ড জোৰেৰে খুন্দা মাৰে এখন মালবাহী EICHER বাহনে। জানিব পৰা মতে, AS28A C2808 নম্বৰৰ মালবাহী EICHER বাহনখন জনীয়াৰ পৰা বামুণটাৰি দিশে গৈ থকা অৱস্থাত হঠাৎ নিয়ন্ত্ৰণ হেৰুৱাই পথৰ ডিভাইডাৰত খুন্দা মাৰে। ফলত বাহনখনৰ সন্মুখভাগত কিছু পৰিমাণে ক্ষতিসাধন হয় যদিও কথমপি প্ৰাণ ৰক্ষা পৰে চালকজনৰ। দুৰ্ঘটনাৰ শব্দত স্থানীয় ৰাইজ ঘটনাস্থলীত উপস্থিত হয়। সৌভাগ্যক্ৰমে দুৰ্ঘটনাটোত কোনো লোক হতাহত হোৱা নাই। বাহনখন কিয় নিয়ন্ত্ৰণৰ বাহিৰলৈ গ'ল, সেয়া এতিয়াও স্পষ্ট হোৱা নাই। অত্যধিক গতি, চালকৰ অসাৱধানতা অথবা যান্ত্ৰিক বিজুতিৰ বাবেই দুৰ্ঘটনাটো সংঘটিত হ'ল নেকি, সেই বিষয়ে তদন্তৰ পাছতহে প্ৰকৃত কাৰণ পোহৰলৈ আহিব। জনীয়াৰ ব্যস্ত পথছোৱাত সংঘটিত এই দুৰ্ঘটনাই পুনৰ এবাৰ পথ সুৰক্ষা আৰু যান-বাহন নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চালকে অধিক সতৰ্কতাৰ প্ৰয়োজনীয়তাক উজলাই তুলিছে।

# মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত শৰযাত্ৰা কাৰ্যসূচী

**অসম বাৰ্তা, মাকুম, ৪ ছেপ্টেম্বৰ ঃ** আজি ৰাজ্যজুৰি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে খাদ্যবস্তুকে ধৰি অত্যাৱশ্যকীয়া সামগ্ৰীৰ মূল্য বৃদ্ধিৰ প্ৰতিবাদত আৰু মূল্য হ্ৰাস কৰাৰ দাবীত খাদ্য আৰু ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ শৰযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰিছে। তাৰ সমান্তৰাল ভাৱে মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত মাকুম ৩৭ নং আৰু ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি শৰযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত এই প্ৰতিবাদী কাৰ্যসূচীত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ প্ৰতীকী শৱ দাহ কৰি চৰকাৰৰ বিৰুদ্ধে শ্লোগান দি প্ৰতিবাদী কাৰ্যসূচী সাব্যস্ত কৰে। মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰি সাধাৰণ গ্ৰাহকক সকাহ প্ৰদানৰ বাবে চৰকাৰ আৰু সংশ্লিষ্ট বিভাগক শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী জনায় মাকুম আছুৰ সভাপতি শিৱা দাস আৰু সম্পাদক মনোৰোম চুতীয়াই।

# কমাৰগাঁও যুৱ ক্লাৱৰ উদ্যোগত অভীৰুচি ক্ৰীড়া দিৱস সম্পন্ন

**অসম বাৰ্তা, নুমলীগড়, ৪ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে কমাৰগাঁও যুৱ ক্লাৱৰ উদ্যোগত আৰু কমাৰগাঁওবাসীৰ সহযোগতো ৪৩ সংখ্যক অভীৰুচি ক্ৰীড়া দিৱসটি আজি সফলতাৰে সম্পন্ন হয়। এই উপলক্ষে পুৱাৰ প্ৰথম কাৰ্যসূচী পতাকা উত্তোলন কৰে কমাৰগাঁও যুৱ ক্লাৱৰ সভাপতি প্ৰসন্ন দত্তই। অলিম্পিক শিখা প্ৰজ্বলন কৰে প্ৰাক্তন ভলীবল খেলুৱৈ সুৰজিৎ বৰুৱাই। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা হাফ মাৰাথন প্ৰতিযোগিতাখনি শুভউদ্বোধন কৰে কমাৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰজিৎ ফুকনে। অসমৰ বিভিন্ন প্ৰান্তৰ খেলুৱৈয়ে অংশ লোৱা প্ৰতিযোগিতাখনিত পুৰুষ শাখাত




প্ৰথম স্থান লাভ কৰে বোকাখাতৰ কান্তাৰাম দলে, দ্বিতীয় স্থান লাভ কৰে কমাৰবন্ধাৰ গণেশ বাউৰী আৰু তৃতীয় স্থান লাভ কৰে বোকাখাতৰ দেৱ তাঁতীয়ে। বিজয়ী সকলক প্ৰথম পুৰস্কাৰ প্ৰাপ্তক ২, ০০০ টকা, দ্বিতীয় পুৰস্কাৰ প্ৰাপ্তক ১, ৫০০ টকা আৰু তৃতীয় পুৰস্কাৰ প্ৰাপ্তক ১, ০০০ টকা সহ প্ৰমাণ পত্ৰ প্ৰদান কৰে। আনহাতে মহিলা শাখাত প্ৰথম স্থান লাভ কৰে কমাৰগাঁৱৰ ৰুমি শইকীয়াই, দ্বিতীয় স্থান লাভ কৰে বনগাঁৱৰ গীতাঞ্জলী বৰাই আৰু তৃতীয় স্থান লাভ কৰে নুমলীগড়ৰ ৰৌদুৱাৰ পথাৰৰ মধুস্মিতা মেছে। বিজয়ী সকলক নগদ ধন আৰু প্ৰমাণ প্ৰদান কৰে। আনহাতে বঁটা বিতৰণী সভা প্ৰাক্তন খেলুৱৈ, খেল পৰিচালক, অৱসৰপ্ৰাপ্ত শাৰীৰিক নিৰ্দেশক ৰবীন দত্তক সম্বৰ্ধণা জ্ঞাপন কৰে।

# খাদ্য-সামগ্ৰীকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত তথা হ্ৰাস কৰাৰ দাবীত ছৈখোৱা আছুৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, ছৈখোৱা, ৪ ছেপ্টেম্বৰ ঃ** বৰ্তমান সময়ত ৰাজ্যত মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক বাৰুকৈয়ে জুৰুলা কৰা পৰিলক্ষিত হৈছে। অত্যাৱশ্যকীয় সামগ্ৰী মূল্যবৃদ্ধিৰ লগতে জীৱনদায়িনী ঔষধকে ধৰি প্ৰতিটো সামগ্ৰীৰে মূল্যবৃদ্ধি হোৱাত সৰ্বসাধাৰণ ৰাইজৰ। ৰাজ্যৰ তিনি ৰাজ্যত বান বিভিষীকাৰ পৰিৱেশ মাৰ নাযাওঁতেই এনে হতকাৰী সিদ্ধান্তত জাঙুৰ খাই উঠিছে সদৌ অসম ছাত্ৰ সন্থা। আজি ছাত্ৰ সন্থাৰ আহ্বানত অসমৰ প্ৰতিখন আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থায়ো খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ শৰযাত্ৰা বাহিৰ কৰে। আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনুপজ্যোতি দুৱৰা আৰু সম্পাদক অভিনন্দন কলিতাৰ নেতৃত্বত ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্য্যালয়ৰ পৰা শৰযাত্ৰা বাহিৰ কৰি ধলা বজাৰৰ মাজমজিয়াত ধৰ্ণা কাৰ্যসূচী বাহিৰ কৰে। ছাত্ৰ সন্থাই যোগান মন্ত্ৰী হায় হায়, অসম চৰকাৰ হায় হায় ইত্যাদি শ্ল'গানেৰে আকাশ পাতাল কঁপাই তোলে। কাৰ্যসূচীটিত ছাত্ৰ সন্থাৰ কৰ্মী সকল উপস্থিত থকাৰ উপৰিও জিলা ছাত্ৰ সন্থাৰ সহ সাধাৰণ সম্পাদক হেমচন্দ্ৰ চেলেং, সাংগঠনিক সম্পাদ সুৰেশ বৰগোহাঁই, জিলা ছাত্ৰ সন্থা প্ৰাক্তন উপদেষ্টা তথা অসম উন্নতি সভাৰ সম্পাদক দীক্ষিত বেজবৰুৱা, অসম সেনাৰ বিৰাজ ছেত্ৰী, নিয়মীয়া বাৰ্তা কাকতৰ সাংবাদিক ৰিতুপৰ্ণ সোণোৱাল, ছৈখোৱা আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক মৃণাল ঠাকুলীকে ধৰি ধলাবজাৰৰ ক্ৰেতা বিক্ৰেতাসকল উপস্থিত আছিল।

# তাৰাবাৰী আৰক্ষীৰ জালত বুজন পৰিমাণৰ সন্দেহযুক্ত হেৰ'ইনসহ দুজন



**অসম বাৰ্তা, চেঙা, ৪ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাত অব্যাহত আছে ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান। জিলাখনত তীব্ৰতৰ হৈ উঠিছে ড্ৰাগছ বিৰোধী অভিযান। এই অভিযানৰ অংশ হিচাপে বৰপেটা জিলাৰ তাৰাবাৰী আৰক্ষীয়ে আজি থানাখনৰ অন্তৰ্গত কাকধোৱা গাঁৱত ড্ৰাগছৰ বিৰুদ্ধে চলাইছিল অভিযান। গোপন খবৰৰ ভিত্তিত তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত উপ পৰিদৰ্শক বিশ্বজিৎ দাসসহ এটি আৰক্ষীৰ দলে চলোৱা ড্ৰাগছ বিৰোধী অভিযানত বুজন পৰিমাণৰ সন্দেহযুক্ত হেৰ'ইনসহ দুজন ড্ৰাগছ ব্যৱসায়ী আৰক্ষীৰ জালত পৰে। ধৃত ড্ৰাগছ ব্যৱসায়ী দুটা ক্ৰমে তাৰাবাৰী থানাৰ অন্তৰ্গত মাদ্ৰাছা চক অঞ্চলৰ কুৰবান খানৰ পুত্ৰ ৰফিকুল খান আৰু সৰ্থেবাৰী থানাৰ অন্তৰ্গত বেছিমাৰী গাঁৱৰ কালু খানৰ পুত্ৰ ইমৰাণ খান বুলি জানিব পৰা গৈছে। ধৃত ড্ৰাগছ ব্যৱসায়ী দুটাৰ পৰা ১৫টা সন্দেহযুক্ত হেৰ'ইনভৰ্তি প্লাষ্টিকৰ কণ্টেইনাৰ জব্দ কৰাৰ লগতে ড্ৰাগছ সৰবৰাহত ব্যৱহৃত এএচ-১৫ ডব্লিউ -২২৩৫ নম্বৰৰ এখন চাৰিচকীয়া বাহনো জব্দ কৰে আৰক্ষীয়ে। ধৃত ড্ৰাগছ ব্যৱসায়ী দুটাৰ বিৰুদ্ধে তাৰাবাৰী আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি আইনগত ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। ধৃত ড্ৰাগছ ব্যৱসায়ী দুটাই দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ব্যৱসায় চলাই অহাৰ অভিযোগ উত্থাপন হৈছে।

# মাৰ্ঘেৰিটাত "সময় বালিত খোজ বিচাৰি" গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৪ ছেপ্টেম্বৰ ঃ** মাকুম কিল্লাৰ নিজ মাকুম গাঁৱত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সময় বালিত খোজ বিচাৰি শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সন্ধ্যা ফুকনে বৰগীত পৰিৱেশন কৰে। কৰুণা বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত আত ধৰে অধ্যাপিকা ডঃ ৰুণজুন শইকীয়াই। সভাত আদৰণি ভাষণ প্ৰদান কৰে শিক্ষক উৎপল দিহিঙীয়াই। সময় বালিত খোজ বিচাৰি নামৰ গ্ৰন্থখন উন্মোচন কৰে মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ডঃ ৰমেন হাজৰিকাই। বিশিষ্ট লেখিকা নিবেদিতা তামোলী বৰাৰ ৰচিত এই গ্ৰন্থখনৰ উন্মোচনী অনুষ্ঠানত অনুষ্ঠানত বিশিষ্ট কবি শিশু সাহিত্যিক দিব্যলতা দত্ত, সমাজকৰ্মী ধনেশ্বৰ বৰুৱা, মুনিন ফুকন আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী সুখিনী দোৱনীয়া, কবি নিতু মণি দাস আদি কেইবা গৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অৱসৰপ্ৰাপ্ত শিক্ষক বিশিষ্ট সমাজসেৱক কেশধৰ দিহিঙীয়া জীৱন আৰু কৰ্মৰ ওপৰত আধাৰিত ৰচিত এই গ্ৰন্থখন উন্মোচন কৰা অনুষ্ঠানত স্থানীয় ভালেসংখ্যক লোক উপস্থিত থাকে। বিশিষ্ট কবি লেখিকা নিবেদিতা তামোলী বৰাৰ চেষ্টাত প্ৰকাশ হয় এইগ্ৰন্থখন। উল্লেখযোগ্য যে গ্ৰন্থ খনৰ মূল চৰিত্ৰ কেশধৰ দিহিঙীয়া শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিত নিয়োজিত হৈ থকাৰ লগতে বহু সামাজিক কাম কাজত জড়িত হৈ আহিছে। আজিৰ অনুষ্ঠানত কেশধৰ দিহিঙীয়াৰ লগতে তেখেতৰ পৰিয়ালৰ লোক সকল উপস্থিত থাকে। এই অনুষ্ঠানত কেশধৰ দিহিঙীয়াক চেলেং, গামোচা আদিৰে সম্বৰ্ধনা জনোৱা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন